# অপেক্ষাটো মৃত্যুৰ নাছিল

জয়ন্ত গগৈ
স্নাতক ৩য় বৰ্ষ, ভূগোল বিভাগ

ৰাতিপুৱা প্ৰায় ৪ বজাত অৰ্থাৎ যি সময়ত সূৰ্যোদয় নহয় সেই সময়ত মনোজে বিছনা ত্যাগ কৰে আৰু মুকলি আকাশৰ তলত চেঁচা বতাহৰ মাজত নিতৌ ব্যায়াম কৰে। মনোজৰ ককাকে তাৰ শৰীৰ চৰ্চাৰ প্ৰতি থকা যি ধাউতি তাক দেখি মনত প্ৰায় আনন্দ পায়। কাৰণ মনোজৰ ককাক এজন অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া। ঘৰখন মনোজ আৰু ককাকৰ বাবে আনন্দময় হৈ থাকে। ৰাতিপুৱা শুই উঠাৰ পৰা নিশা শোৱাৰ পৰলৈকে কেৱল হাঁহি-ধেমালি। মনোজে যিদৰে নিজৰ শৰীৰ প্ৰতি সাৱধানতা অৱলম্বন কৰে ঠিক সেইদৰে সি নিজৰ পঢ়া-শুনাতো ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয়। বৰ্তমান সি প্ৰথম বিভাগত বি. এ. পাছ কৰি ওলাল। মনোজৰ বন্ধু-বান্ধৱৰ সংখ্যাও কম নহয়। দৰাচলতে সি দিনবোৰ এনেদৰে অতিবাহিত কৰে যাতে তাৰ সময়বো অপব্যয় নহয় আৰু সকলোকে যাতে সময়ো দিব পাৰে। সেয়েহে মনোজ, বন্ধু-বান্ধৱসকলৰ অতিকে প্ৰিয়। এদিনাখন সি বাতৰি কাকতখন পঢ়ি থাকোতে এটা চাকৰিৰ বিজ্ঞাপন পালে আৰু বিজ্ঞাপনটোত উল্লেখ থকা সকলো অৰ্হতা তাৰ আছে। কিন্তু চাকৰিটোৰ ইণ্টাৰভিউ কলিকতাত অনুষ্ঠিত হ'ব বুলি উল্লেখ আছে। সেয়ে সি মাকক সুধিলে — "মা, দেউতাৰ দৰমহা কেতিয়া হ'ব।"



মাকে মনোজক ক'লে — "কালি পৰহিৰ ভিতৰত হ'ব পাৰে। কিন্তু তই দৰমহাৰ কথা সুধিলি যে?"

"নহয় মা, মই এটা চাকৰিৰ বিজ্ঞাপন পাইছো। চাকৰিটোৰ বাবে প্ৰয়োজন হোৱা সকলো অৰ্হতা মোৰ আছে। কিন্তু, ইণ্টাৰভিউৰ বাবে কলিকতালৈ যাব লাগিব। সেয়েহে মই আপোনাক দেউতাৰ দৰমহাৰ কথা সুধিলো। যাবলৈ টকা কেইটামান লাগিব নহয়।" — মনোজে ক'লে।

মাকে ক'লে — "হ'ব, হ'ব দেউতাৰাৰ দৰমহা নহ'লেও মই কিবা এটা যোগাৰ কৰি দিম। যেনেতেনে হ'লেও যাবলৈতো লাগিবই। তই সেই বাবে চিন্তা কৰিব নালাগে।"

কেই দিনমান যোৱাৰ পাছত মনোজ ইণ্টাৰভিউ দিবলৈ কলিকতালৈ ওলাল। যাবৰ পৰত ককাক, মাক আৰু দেউতাকক সেৱা কৰি ক'লে — "তোমালোকে মোক আশীৰ্বাদ কৰিবা যাতে চাকৰিটোৰ বাবে মনোনীত হওঁ। আৰু তোমালোকে মোৰ কথা চিন্তা নকৰিবা। মই ফোন কৰি থাকিম। এতিয়া মই যাওঁ।" মনোজ এইবুলি কৈ ঘৰৰ পৰা ওলাল। সন্ধিয়া ৬ বজাত কলিকতালৈ ৰাওণা

হোৱা ৰেলখনত সি উঠিল। ৰেলখন যেতিয়া লাহে লাহে চলিবলৈ ধৰিলে মনোজৰ এনে অনুভৱ হ'ল, যেন নিজৰ সপোনবোৰৰ কাষ চাপি লাহে লাহে সি গৈ আছে। ৰেলখনত বিভিন্ন ধৰণৰ মানুহ। তাৰ কাষৰ চিটকেইখন খালী হৈ আছিল। হয়তো আগৰ ষ্টেচনত অন্য মানুহ উঠিবলৈ আছে। সি অকলশৰে বহি আমনি পোৱাৰ বেগৰ পৰা কিতাপ এখন উলিয়াই ল'লে আৰু সেইখনকে পঢ়াত লাগিল। ৰেলখন ষ্টেচন এটাত লাহে লাহে ৰ'বলৈ ল'লে। মানুহবোৰ এজন এজনকৈ উঠিবলৈ ধৰিলে। মনোজৰ ওচৰৰ কালী চিটকেইটালৈ চাই কেইজনমান ল'ৰাই মনোজক সম্বোধন কৰি সুধিলে — "দাদা এইকেইটা ৪৪, ৪৫ আৰু ৪৬ নম্বৰৰ চিট হয়নে।" মনোজে চিটকেইটালৈ চাই ক'লে — "হয়, হয়, এইকেইটায়ে হয়।" ল'ৰাকেইজনে মনোজক ধন্যবাদ বুলি কৈ নিজৰ নিজৰ চিটত বেগকেইটা থৈ বহিবলৈ ল'লে। মনোজে তেওঁলোকৰ তিনিওজনকে ভালদৰে চালে। তিওিজনৰ ভিতৰত এজনহে দেখিবলৈ ভদ্ৰৰ দৰে। ভদ্ৰ যেন দেখা ল'ৰাজনক মনোজে নামটো সোধাত ল'ৰাজনে ভাস্কৰ বুলি নিজকে চিনাকি দিলে। ল'ৰাজনে মনোজৰো পৰিচয় সুধিলে। পৰিচয় পাই মনোজ আৰু ভাস্কৰৰ মাজত কথা-বতৰা আৰম্ভ হ'ল। দুয়োৰে মাজত এক আন্তৰিকতা গঢ়ি উঠিল। দুদিন দুৰাতিৰ দীঘলীয়া যাত্ৰাৰ আন্ত পৰিল। বিদায়ৰ ক্ষণত ভাস্কৰে মনোজৰ ফোন নম্বৰটো ল'লে আৰু আকৌ লগ পাম বুলি প্ৰতিশ্ৰুতি দিলে। দুয়োৰে দুয়োৰ বিদায় জনালে। নিজৰ নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িল।

মনোজৰ ইণ্টাৰভিউ এদিনৰ পাছত আছিল। মনোজে থাকিবলৈ হোটেল বিচাৰিলে। তাৰ থকাৰ ব্যৱস্থা হোটেলতে হ'ল। পিছদিনাখন সি ইণ্টাৰভিউলৈ ওলাল। যিটো অফিচত ইণ্টাৰভিউ দিবলৈ মনোজ গৈছিল তাত ইণ্টাৰভিউ দিবৰ বাবে অহা ল'ৰা-ছোৱালীৰ লাইন দেখি মনোজ অবাক হ'ল। সি মনতে ভাবিলে — "হে প্ৰভু ফলাফল যিয়ে নহওক ইণ্টাৰভিউটো দিবলৈ পালেই হয়।" প্ৰায় তিনি ঘণ্টাৰ পাছত তাক মতা হ'ল। ইণ্টাৰভিউ শেষ হোৱাৰ পাছত মনোজে ততাতৈয়াকৈ মাকলৈ ফোন কৰি ক'লে তাৰ ইণ্টাৰভিউ ভালে হ'ল। কিন্তু ভলাফল ঘোষণা তিনিদিনৰ পাছত কৰিব। সেয়েহে সি তিনিদিন কলিকতাতে থাকিব লাগিব। মাকলৈ ফোন কৰাৰ পাছত কলিকতাৰ বিভিন্ন ঠাইসমূহ চাবলৈ ওলাল। ৰাতি প্ৰায় ৮ মান বজাত সি হোটেললৈ উভতিলে। ঠিক সেইদৰে পাছৰ দিনাখনো কলিকতাৰ বিভিন্ন ঠাইৰ মঠ-মন্দিৰবোৰ চাই ৰাতি হোটেলত সোমালহি। মনোজৰ ভাগৰ লগাত টিভিটো খালী বিচনাতে শুই চাই আছিল। এনেতে তাৰ পোনটো বাজিল এক অচিনাকী নম্বৰৰ পৰা। সি ফোনটো নধৰিলে কাৰণ ৰমিং লাগি থকাৰ বাবে পইচা বেছিকৈ গৈছিল্ সেয়েহে সি ফোনটো কাটি দিছিল। কিন্তু ফোনটো পুনৰ বজা দেখি সি ফোনটো ৰিচিভ কৰিলে। ৰিচিভ কৰাৰ লগে লগে সিফালৰ পৰা ক'লে — "হেল্ল' দাদা চিনি পাইছেনে?"

"মনোজে সুধিলে কোন বাৰু মই ধৰিব পৰা নাই।" — মনোজে ক'লে।

ফোন কৰাজনে ক'লে — "মই ভাস্কৰ, ট্ৰেইনত লগ পাইছিলো যে।"

মনোজে লগে লগে ক'লে — "চ'ৰি চ'ৰি, মই চিনিয়েই পোৱা নাছিলো। বাৰু কোৱাচোন তুমি ঘৰলৈ উভতিলানে?"

ভাস্কৰে ক'লে — "নহয় মই কাইলৈ উভতিম। আজি মোৰ ছিলেকচন হ'ল।" — বুলি ক'ব লওঁতে ভাস্কৰে চিঞৰি উঠিল — "আ .. হ্ ... মোক তহঁতে কিয় মাৰিছ?"

মনোজে ভয় খাই ভাস্কৰক সুধিলে — "কি হৈছে তোমাৰ হেল্ল' হেল্ল' .....।" বুলি কওঁতে ফোনটো কাটি গ'ল। মনোজে ফোনটো পুনৰ লগালে কিন্তু ফোনটো চুইছ্ অফ হ'ল। সি চিন্তাত পৰিল। মনতে ভাবিলে ভাস্কৰ কোনোবা বিপদত পৰা নাইতো। মনোজে ভাবিব পৰা নাই কি কৰিলে ভাল হ'ব। ভাস্কৰৰ ঘৰৰো ঠিকনা মনোজৰ হাতত নাছিল আৰু বৰ্তমান ভাস্কৰ ক'ত আছিল তাকো নেজানে। অচিনাকি ঠাই সি অসহায়। ভাস্কৰৰ কাৰণে যি একো কৰিব নোৱৰাৰ বাবে মনতে বেজাৰ লয় টিভিটো বন্ধ কৰি সি শুবলৈ ল'লে। ৰাতিপুৱা হ'ল। মনোজে বিচনাৰ পৰা উঠিয়েই ভাস্কৰৰ কথা চিন্তা কৰিলে কিন্তু একো পাৰ নাপালে। সি ইণ্টাৰভিউৰ ৰিজাল্ট ল'বলৈ হোটেলৰ পৰা ওলাল। ইণ্টাৰভিউ দিয়া অফিচটোৰ যিটো কোণত ৰিজাল্ট মৰা হৈছিল তাত ভিৰৰ কোবত যাব নোৱাৰি। তথাপি মনোজে হেঁচি-ঠেলি ৰিজাল্টখন চালেগৈ। সি আচৰিত হৈ চিঞৰি উঠিল আৰু উকি এটা মাৰি ভিৰৰ পৰা ওলাল। লগে লগে মনোজে মাকলৈ ফোনটো লগাই ক'লে — "মা মোৰ সপোন পূৰ হ'ল। মই ছিলেক্ট হৈ গ'লো।" মাকে ক'লে — "তই তাত অকলে আনন্দ কৰিব নালাগে, সোনকালে গুচি আহ।" মনোদে মাকক সেইদিনাখনে উভতিম বুলি ক'লে। মনৰ আনন্দৰ জোৱাৰত ভাস্কৰৰ

চিন্তাক ওৰ পৰিল আৰু দুদিন মানৰ পাছত মনোজে ঘৰলৈ উভতিল। ঘৰখনত এক আনন্দময় পৰিৱেশ সৃষ্টি হ'ল। মনোজে ককাকক ক'লে — "আজিৰ পৰা তুমি মোৰ চিন্তা কৰিব নালাগে। মইহে আজিৰ পৰা তোমালোকৰ বাবে চিন্তা কৰিম। মই চাকৰিৰ প্ৰথম দৰমহাৰ পায়ে তোমাৰ নকলি দাঁত লগাই দিম। তাৰ পাছত তুমি মাংস-মাছ যিব খাব বিচৰা তাকে খাব পাৰিবা।"

এনেদৰে মনোজৰ চাকৰি জীৱন আৰম্ভ হ'ল। মনোজে সদায় চাকৰিলৈ সময় মতে যায়। প্ৰায় এমাহমান হৈ যোৱাত তাৰ লগত সকলোৰে এক আন্তৰিকতা গঢ়ি উঠিল। তাৰে এজন ব্যক্তি, যি জনৰ বয়স মনোজৰ দেউতাকৰ সমান হ'ব তেওঁক মনোজে ভাল পায় আৰু সন্মান কৰে কাৰণ তেওঁ নিজৰ কামৰ প্ৰতি গাফিলতি নকৰে। এনেতে এদিন মনোজে মানুহজনক ভালদৰে মন কৰিলে, মানুহজনে বৰকৈ মনটো মাৰি থাকে। সেয়েহে মনোজে এদিন অফিচৰ টিফিনৰ সময়ত মানুহজনক লগ ধৰিলে আৰু মানুহজনৰ লগত কথা-বতৰা আৰম্ভ কৰিলে। কথা-বতৰাৰ মাজতে মনোজে মানুহজনক সুধিলে আপুনি কিয়নো ইমানকৈ মনটো মাৰি থাকে। মানুহে সদায় আনন্দ মনেৰে থাকিব লাগে বুলি মনোজে মানুহজনক বুজলি দিলে। মানুহজনে প্ৰত্যুত্তৰত ক'লে যি মানুহৰ ল'ৰাটো এমাহ দিন ধৰি ঘৰলৈ অহা নাই সেইজনে বা কেনেকৈ আনন্দ মনেৰে থাকে। মনোজে মানুহজনৰ কথা শুনি আচৰিত হৈ সুধিলে — "আপোনাৰ ল'ৰাজন এমাহ দিন ধৰি ঘৰলৈ অহা নাই? আপুনি তাৰ খবৰ-খাতি লৈছেনে নাই? বৰ্তমান সি ক'ত আছে?" মানুহজনে মনোজক ক'লে সি ট্ৰেইনিং পাছ কৰি ছিলেক্টছনৰ বাবে কলিকতালৈ গৈছিল। তাৰ পাছৰ পৰা ল'ৰাটোৰ খবৰ-খাতি নোহোৱা হ'ল। মই তাৰ ট্ৰেইনিং ঠাইতো খবৰ লৈছিলো কিন্তু তাৰ অফিচাৰ জনে ক'লে সি চাকৰিৰ বাবে ছিলেক্টতো হৈছিল কিন্তু সময়মতে চাকৰিটো জইন নকৰাৰ বাবে আন এজনক তাৰ ঠাইত নিয়োগ কৰিলে। মোক অফিচাৰজনে পুলিচত খবৰটো দিব কৈছিল। কিন্তু পুলিচক খবৰ দিয়াৰ পাছতো একো ফল নধৰিল। তাৰ পাছত মই ল'ৰাটোৰ লগত কলিকতালৈ যোৱা আন দুজনক সোধাত তেওঁলোকে ক'লে ইণ্টাৰভিউৰ সময়তহে সি তেওঁলোকৰ লগত আছিল।

মনোজে মানুহজনৰ সকলো কথা শুনাৰ পাছত ল'ৰাটো নাম কি আছিল বুলি সুধিলে। মানুহজনে দুখ মনেৰে ক'লে "ভাস্কৰ" — নামটো শুনাৰ লগে লগে চৰ্চনি খালে। মানুহজনে মনোজক পানী এগিলাছ দি ক'লে কি হ'ল তোমাৰ হঠাৎ নামটো শুনি চৰ্চনি খালা যে? তুমি ল'ৰাটোক চিনি পাইছিলা নেকি? তেতিয়া মনোজে ক'লে, হয় মই তাক চিনি পাইছিলো কেৱল দুদিনৰ বাবে। তাৰ পাছত মনোজে সকলো কথা সদৰী কৰি ক'লে। মনোজৰ কথা শুনি মানুহজনে কপালত হাত দি ক'লে কি জানো হৈছে মোৰ বোপাৰ লগত। মই বৰ চিন্তাত পৰিলো। বহু চিন্তা কৰাৰ পাছত মনোজে মানুহজনক সুধিলে আপুনি বাৰু ভাস্কৰৰ লগত যোৱা ল'ৰা দুজনক ভালদৰে চিনি পায়নে? মানুহজনে ক'লে মই ল'ৰাকেইজনক ভালদৰে চিনি নাপাওঁ। কেৱল ভাস্কৰৰ ট্ৰেইনিঙৰ সময়তহে দেখা পাইছিলো। এতিয়া দুয়োজন সেইটো অফিচতে কৰে। মনোজে ক'লে ঠিক আছে কাইলৈ পুনৰ ল'ৰা দুজনৰ ওচৰলৈ যাম তেওঁলোকৰ পৰাই কিবা এটাতো খবৰ পামেই।

পিছৰ দিনাখন দুয়ো লগ হৈ ল'ৰাকেইজনক লগ ধৰিবলৈ গ'ল। অফিচটোত সোমোৱাৰ লগে লগে মনোজে এজনক চিনি পালেই। ল'ৰাজনক চিনি পাই মনোজে ল'ৰাজনক সোধ-পোছ কৰিব লাগিল। ল'ৰাজনে কিন্তু মনোজৰ কথাত গুৰুত্ব দিয়া নাছিল। অলপ সময় কথা পতাৰ পাছত ল'ৰাজনে ব্যস্ত হৈ আছো বুলি কৈ অফিচৰ পৰা ওলাই গ'ল।। সেই সময়তে একেটা অফিচতে কাম কৰা মনোজৰ এজন ভাল বন্ধুৱেকক লগ পালে। বন্ধুৱেকজন মনোজৰ খবৰ-খাতি লৈ কি সকামত আহিলি বুলি সোধাত মনোজে সকলো কথা ক'লে। বন্ধুৱেকজনে মনোজক ক'লে — আজিৰ পৰা প্ৰায় এমাহমান আগতে তই কোৱা ল'ৰাকেইজনৰ লগত আন এটা ল'ৰায়ো আমাৰ অফিচৰ তত্বাৱধানত প্ৰশিক্ষণ লৈছিল। তেওঁলোকৰ ভিতৰত কেৱল দুজনহে ছিলেক্ট হ'ব বুলি ইয়াতে কোৱা হৈছে। তেওঁলোকক ছিলেক্টছনৰ বাবে কলিকতালৈ পঠোৱা হৈছিল। তাত দুজন ছিলেক্ট হোৱাৰ পাছত এজন সময়মতে চাকৰিত যোগদান নকৰাৰ বাবে আন এজনক লোৱা হ'ল। আৰু সেইজন হ'ল তই এতিয়া কথা পতাজনৰ ভায়েক। মনোজে তেতিয়া বন্ধুৱেকজনক সুধিলে সেই দুজন ককায়েক-ভায়েকহে নেকি? বন্ধুৱেকজনে ক'লে, হয় সেই দুজন ককায়েক-ভায়েক। দুয়োটা সুবিধাজনক নহয়। নিজৰ স্বাৰ্থৰ বাবে যিকোনো কৰিব পাৰে। বন্ধুৱেকজনৰ কথাত সকলোৰে সন্দেহৰ চকু ল'ৰা দুজনৰ ওপৰত পৰিল। সেয়েহে মনোজৰ বন্ধুৱেকজনে মনোজহঁতৰ লগত চিনাকি এচ. পি. এজনৰ ওচৰলৈ যাবলৈ ওলাল। এচ. পি.জনে ঘটনাটোত গুৰুত্ব প্ৰদান কৰি আশ্বাস

দিলে তেওঁ এই ঘটনাটোৰ সন্দৰ্ভত সকলো তথ্য উদ্‌ঘাটন কৰিব আৰু দোষীক শাস্তি প্ৰদান কৰা হ'ব। এচ. পিচ.জনে ভাস্কৰৰ দেউতাকক এটা এফ. আই. আৰ. লিখাবলৈ ক'লে। সন্দেহৰ আৱৰ্তত থকা ককায়েক-ভায়েকক এচ. পি.জনে জেৰা কৰি তৃতীয় শ্ৰেণীৰ শাস্তিৰ দ্বাৰা সকলো কথা ফাদিল কৰিলে।

কেইদিনমানৰ পাছত এচ. পি. জনে ভাস্কৰৰ দেউতাকৰ ঘৰত ওলাল। সেই সময়ত মনোজ আৰু বন্ধুৱেকজনো আছিল। এচ. পি.জনক দেখি ভাস্কৰৰ দেউতাকে সুধিলে কিবা খবৰ পালে নে? ভাস্কৰ এতিয়া ক'ত আছে বাৰু ইত্যাদি বহু প্ৰশ্ন একেলেথাৰিয়ে সুধিলে। এচ. পি. জনে তল মূৰ কৰি মানুহজনক অধৈৰ্য নহ'বলৈ ক'লে। মনোজে এচ. পি.জনক বহিবলৈ দি সুধিলে ৰহস্যৰ অন্ত পৰিল নে? এতিয়া এচ. পি.জনে ভাস্কৰৰ দেউতাকক ক'লে — "আপুনি এতিয়া কেৱল ধৈৰ্য্য ধৰিব লাগিব। কাৰণ সকলো ঘটনা এমাহমানৰ আগতে হৈ গ'ল। এতিয়া কেৱল দোষীক শাস্তি দিব লাগে। ভাস্কৰে যিটো বিষয় ট্ৰেনিং পাছ কৰিছিল। সেই একেটা বিষয়তে পশুতুল্য দৈত্য দুটাও পাছ কৰিছিল। কিন্তু প্ৰশিক্ষণ লোৱা স্থানতে তিওিজনকে কোৱা হৈছিল যে দক্ষতাসম্পন্ন যিকোনো দুজনক তাত ছিলেক্ট কৰা হ'ব। এইখিনিতে হ'ল ঘটনাৰ আৰম্ভ।

যিদিনাখন তেওঁলোকে ইন্টাৰভিউৰ বাবে কলিকতালৈ গৈছিল। সেইদিনাখনে মনোজো ইন্টাৰভিউ বাবে গৈছিল। আৰু ট্ৰেইনতে ভাস্কৰৰ লগত চিনাকি হ'ল। তাৰ পাছত যি দিনাখন ভাস্কৰহঁতৰ ছিলেক্টচনৰ ৰিজাল্ট ওলাল তাত ভাস্কৰ আৰু ল'ৰা দুটাৰ ডাঙৰটোৱে পালে। কিন্তু সৰুটোৱে নাপালে। সেই দিনাখনেই দুয়ো ককায়েক-ভায়েকে ষড়যন্ত্ৰ কৰি ভাস্কৰক হত্যা কৰি তাৰ নথি-পত্ৰসমূহ জ্বলাই দি কলিকতাৰ এটা ডাষ্টবিনত পেলাই দিয়ে। কলিকতাৰ পুলিচে মৃতকৰ একো শুং-সূত্ৰ নোপোৱাত তাতেই ভাস্কৰৰ শৰীৰটো অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। এইফালে আকৌ চাকৰিত সময়মতে ভাস্কৰে যোগদান নকৰাৰ বাবে সেইটো চাকৰি ভায়েকক দিয়া হয়। এতিয়া আমি এনে চাৰ্জচিত প্ৰস্তুত কৰি উলিয়াইছো যে হত্যাকাৰীক আজীৱন কাৰাদণ্ডৰ বাহিৰে কম শাস্তি নাপায় যাতে।

সকলোবোৰ কথা শুনাৰ পাছত মানুহজন চকী এখনতে ঢলি পৰিল। মনোজে মানুহজনক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰে। কেইদিনমানৰ পাছত চিকিৎসালয়ত মানুহজন আৰোগ্য হ'ল আৰু ঘৰলৈ অহা দিনা মনোজো আহিল। মানুহজনে মনোজক দেখা পাই বুকু উজাৰি কান্দিবলৈ ধৰিলে। তাকে দেখি মনোজে ক'লে খন্তেকৰ বাবে হ'লেও ভাস্কৰক লগ পাইছিলো যদিও তাক মোৰ নিজৰ ভাইটিৰ নিচিনা লাগিছিল। সেয়ে আজিৰ পৰা মই তাৰ ডাঙৰ ককায়েকৰ দায়িত্ব ল'বলৈ আগবাঢ়িছো আপুনি যদি ডাঙৰ পুত্ৰ হিচাপে আপোনাৰ বুকুৰ মাজত অকণমান ঠাই দিব পাৰে তেন্তে মই ভাস্কৰৰ খালী ঠাইখিনি পূৰ কৰাৰ সম্পূৰ্ণ চেষ্টা কৰিম। মনোজৰ কথা শুনি ভাস্কৰৰ দেউতাকে মনোজক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। ❑❑

---

সৎ উপদেশতকৈ কোনো উপহাৰেই বেছি মূল্যবান হ'ব নোৱাৰে - ইৰাছমাছ

মই কেৱল এটা কথাকে জানো, সেয়া হ'ল মই একো নাজানো - চক্ৰেটিছ

প্ৰত্যেক দিনাই জীৱনৰ শেষ দিন বুলি কাম কৰি যাবা - জিম কৰবেট

---

# মানুহ আৰু অমানুহ

ঋতুপর্ণ ভূঞা
স্নাতক ১ম বৰ্ষ
কলা শাখা

বচোৱা, বচোৱা যেন হৰিণীজনীয়ে চিকাৰীটোৰ পৰা মুক্তি পাবলৈ চিঞৰিছে, কিন্তু চিকাৰীটোৱেও তাইৰ পাছ এৰা নাই আৰু বিযাক্ত কাঁড়ডাল তাৰ ধনুৰ পৰা এৰি দিছে আৰু লগে লগে হৰিণীজনী মাটিত ঢলি পৰিছে। কিন্তু এই দৃশ্য সকলো (জীৱ-জন্তুবোৰে) প্ৰত্যক্ষ কৰি আছে, কিন্তু তাইক সহায় কৰিবলৈ কোনো আগবাঢ়ি নাহিল। ইয়াৰ লগে লগে টি. ভি.ৰ চিৰিয়েলখনৰ আজিৰ খণ্ডটিৰ সামৰণি পৰিল আৰু মই টিভিটো বন্ধ কৰি বিচনালৈ ঢাপলি মেলিলো।

বিচনাত ইকাতি-সিকাতি কৰি আছো, কিন্তু টোপনি যাব পৰা নাই। বাৰে বাৰে হৰিণীজনী আৰু যোৱাকালি ৰাজপথত হৈ যোৱা ঘটনাতো মনত ভাঁহি আছে।

যোৱাকালি বজাৰলৈ বুলি ওলাই গৈছিলো। প্ৰয়োজনীয় বস্তু কেইপদ বজাৰ কৰি উভতিব লওঁতেই হঠাৎ চিঞৰ-বাখৰ শুনিলো। কোনোবাই চিঞৰি চিঞৰি কান্দিছে আৰু সহায় বিচাৰিছে। ঘূৰি চাই দেখো এজনী যোড়শী গাভৰু উলংগভাৱে ৰাজপথত বহি মুখ ঢাকি উচুপি আছে। কিয় বাৰু তাই তেনেকৈ বস্ত্ৰহাৰা হৈ আছে? কোনে কৰিলে তাইক এনেকুৱা? হাজাৰটা প্ৰশ্নই মোৰ মনত দুলিবলৈ ধৰিলে। হয়তো কোনোবা পিপাসুৱে তাইৰ সতীত্ব হৰণ কৰি ........

এয়া আপোনালোকে টিভিৰ পৰ্দাত দেখিবলৈ পাইছে ............., ঐ ভালকৈ তোল ফটোখন, তামাম লাগিছে বে। ঐ বেটীক আমিও আজিৰ কাৰণে বন্দবস্ত কৰি লওঁ নেকি? এনেধৰণৰ বিভিন্ন বাক্যবাণ মোৰ কাণত পৰিল, আকৌ কিছুমানে বয়সৰ তাৰতম্যৰ লক্ষ্য নকৰি তাইৰ দেহটো লোলুপ দৃষ্টিৰে উপভোগ কৰিব ধৰিলে। হঠাৎ যেন কিবা বিজুতিহে ঘটিল, মই নিজৰ চকু দুটাকে বিশ্বাস কৰিব পৰা নাই — ক'ৰবাৰ ৰিক্সা চালক এজন মানুহৰ ভিৰ ঠেলি সোমাই আহিল আৰু নিজৰ চোলাটো আৰু ডিঙিত মেৰিয়াই লোৱা গামোচাখনেৰে তাইৰ গোটেই দেহ ঢাকি ধৰিলে আৰু ক'লে ভনী ব'ল তই মোৰ লগতে থাকিবি ব'ল। — সিহঁত দুটা মানুহৰ ভিৰৰ মাজেদিয়েই অন্তৰ্ধান হ'ল।

সেই ঘটনাটোৱে যেন মোৰ পুৰুষত্বক আঘাত কৰিলে। আন বহুতৰ দৰে ময়োতো ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী আছিলো কিন্তু মই কি কৰিব পাৰিলো? এজন সাধাৰণ ৰিক্সাচালক যাৰ নিজৰে খাবলৈ অভাৱ, সেইজনে যি মহান কাম কৰিলে সেয়া সকলোৰে প্ৰতিদন্দ্বী হৈ ৰ'ব। ছোৱালীজনীৰ ভিডিঅ' ক্লিপিং সকলোৰে লগত থাকিব। কিন্তু ৰিক্সা চালকজনক সকলোৱে পাহৰি যাব। এয়াই আজিৰ মানুহ। □□

# ‘বিলাপ’ আৰু ‘বিধাতা’

সুকল্যাণ চেতিয়া
স্নাতক ২য় বৰ্ষ, অৰ্থনীতি বিভাগ

(১)

তিনিমহলীয়া অট্টালিকাটোৰ ৰাস্তাৰ কাষৰ এটা কোঠাত বিনীত আৰু সমৰ থাকে। সিহঁত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে। ৰিজাল্ট বেচ ভাল। দুয়োটাই ডিষ্টিংচন পাইছে। এতিয়া ডিব্ৰুগড়ৰ এখন নামী কলেজত বিজ্ঞান শাখাত নামভৰ্ত্তি কৰিছে। এতিয়া সুবিধাৰ কাৰণে গাঁৱৰ ঘৰৰ পৰা আহি চহৰত থাকি লৈছে।

কলেজীয়া জীৱনৰ আৰম্ভণি সিহঁতৰ বাবে খুব ৰোমাঞ্চকৰ আছিল। লাহে লাহে পঢ়াৰ বোজা বাঢ়িছে। এতিয়া উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ প্ৰস্তুতি সময়। দুয়োৰে হাতত সময়ৰ অভাৱ। এদিন সমাজত প্ৰতিষ্ঠিত ব্যক্তি হোৱাৰ খুব ইচ্ছা।

(২)

সমৰহঁতৰ গাঁৱৰ ঘৰখনত সকলো ব্যস্ত। সিদিনা উৰুখা পঁজাটোৰ চালখন নতুনকৈ চাইছে, সমৰেও কিবা-কিবি কামত সহায় কৰিছে। মাকে আটাইলৈকে ৰঙা চাহপানী আৰু ঘৰতে পেড়া গুৰ এটুকুৰা আনিছে। কাম শেষ হোৱাৰ অন্তত সকলো ঘৰা-ঘৰি গ'ল।

ৰাতিলৈ গাঁৱৰ নামঘৰত ‘দ্ৰোণ পৰ্ব’ ভাওনা, সমৰে আৰু বিনীতে ভাও লৈছে। গধূলিৰ আগেয়ে নামঘৰত উপস্থিত হৈ সেৱা জনাই মেকৃআপ কৰাত লাগিল। ভাওনা আৰম্ভ হ'ল। গুৰু গম্ভীৰ খোজ লৈ কৃষ্ণৰ প্ৰৱেশ ঘটিছে। এনেতে ধুমুহাৰ দৰে কণ্ঠি দৌৰি আহি ক'লে — “বন্ধ কৰ, বন্ধ কৰ। গাঁৱত হাঁতী সোমাইছে। আমি সকলোৰে যাব লাগে।”

মানুহবোৰে দৌৰ লগালে। হাতত লাঠি-যাঠি, জোঁৰ লৈ আগবাঢ়িল। গাঁৱৰ দক্ষিণ-পশ্চিমত থকা বনাঞ্চলখনৰ পৰা হাতী আহিছে। কিছুদুৰ গৈ হঠাৎ সকলো থমকি ৰ'ল। সকলো শিল পৰা কপৌৰ দৰে হ'ল।

সমৰৰ মাকে ৰাউচি জুৰি কান্দিছে। আগত কাৰোবাৰ এটা মৃতদেহ, দৌৰি গৈ সমৰে চালে। হয়, তাৰ ভুল হোৱা নাই। সেয়া তাৰ নিজৰ দেউতাকৰ বাদে আন কোনো নহয়। সি তাৰ পিছত আৰু কি হ'ল নাজানে।

বৰমাকে পানী এচলু ছটিয়াই দিয়াত সম্বিত ঘূৰাই পালে। ওচৰত বিনীত আৰু তাৰ দেউতাক।

(৩)

বিনীতৰ দেউতাক সেইখন গাঁৱৰ গাঁওবুঢ়া। আৰু সমৰৰ দেউতাকৰ কাণসমনীয়া। সিহঁতৰ ঘৰখনৰ লগত গাঁওবুঢ়া পৰিয়ালৰ খুব ভাল সম্বন্ধ।

আজি দুৰ্ভগীয়া ৰমা আইদেউ আৰু বিনীতৰ ঘৰৰ সকলোৰে সিহঁতক বাছত উঠাবলৈ আহিছে। চহৰত পঢ়িবলৈ যাবলৈ। অসহায় সমৰৰ সকলো পঢ়াৰ খৰচ বহন কৰিছে তাৰ দেউতাকৰ বাল্যকালৰ বন্ধু বিনীতৰ দেউতাকে। মানৱতাৰ খাতিৰত, বন্ধুত্বৰ খাতিৰত।

হয়, সমৰে ইয়াৰ মান ৰাখিব লাগিব। এই ভাবি ভাবিয়ে সি ভাড়াঘৰৰ চোতালৰ তল সৰা শেৱালিবোৰ চাই আপোন বিভোৰ হৈ আছিল। হঠাৎ, বিনীতৰ মাততহে সম্বিত ঘূৰাই পালে। □□

# মৃত্যুৱে সৃষ্টি কৰা এটি জীৱন

পল্লৱী গোহাঁই
স্নাতক ২য় বৰ্ষ

বীণা বাই অনিন্দাক খবৰটো দিলে — বোলে প্ৰতিদিন পেপাৰত আজি দিছে চৰকাৰে ৰাজীৱ গান্ধীৰ নামত কিবা এখন আঁচনি লৈছে য'ত সিহঁতৰ নিচিনা বিধৱা অৰ্থাৎ হিংসাৰ বলি হোৱা তিৰোতাসকলক কিবা এটা আৰ্থিক সাহায্য দিব — একলাখ নে ডেৰলাখ কেনেকুৱাই কিবা এটা দিব। তাৰ বাবে কিবাকিবি প্ৰমাণ-পত্ৰ লাগিব। ফটো, প্ৰমাণ-পত্ৰ ইত্যাদিবোৰ সিহঁত দুজনীৰ আছে যদিও পুলিচ ৰিপৰ্টটোহে কোনোজনীৰ হোৱা নাই। গতিকে সিহঁতে অহা কাইলৈ স্থানীয় পুলিচ থানাৰ পৰা ৰিপৰ্টটো লেখাই আনিব।

সিদিনা পুৱা ৮ বজাত অহাৰ কথাটো কৈ বীণা বাই ঢং নথকা জতং-জপং খোজেৰে ঘৰলৈ উভটিল। অনিন্দাক কথাটো ডাঙৰ বাবাই পুনৰ সুধিলে — "মা, বীণা আপাই কি পইচাৰ কথা কৈ গ'ল? চৰকাৰে পইচা দিলে ........., চৰকাৰে পইচা দিলে ..., চৰকাৰে পইচা দিলে .... মোক বাইক এখন নহ'লে তোক কি লাগিব?" ... পুতেকে কথাটো সম্পূৰ্ণ কৰিব নাপাওঁতেই মাকৰ ৰুদ্ৰ ভাষ্য। ডাঙৰ বাবা অৰ্থাৎ অনিন্দাৰ ডাঙৰটো পুতেকে এইবাৰ মেট্ৰিক দিছে, ওচৰৰে প্ৰাইভেট স্কুলখনৰ পৰা।

পুতেকৰ এনে কথাতহে যে অনিন্দাৰ খং উঠিল তেনে নহয়। হকে - বিহকে, অলপ কথাতেই দাঁত কৰকি গুজৰি গোমৰি কথাটো অনিন্দাৰ এক দৈনিক অভ্যাস হৈ পৰিল। এইবোৰ যে অনিন্দাৰ নিষ্ঠুৰতা, নিঃদয়াল বা খঙাল স্বভাৱ তেনে নহয়। কোনোবাই বাটৰ পৰা মাত লগালে, ওচৰত কোনোৱে কিবা বিচাৰি থাকিলেও অনিন্দাৰ কাণ, চকু নাযায়। অনিন্দা যে অহংকাৰী বা জেদী তেনেও নহয়। অৱশ্যে অনিন্দাই আজিকালি চকুৰে কম দেখে, কাণেৰেও কমকৈ শুনে, প্ৰায়ে মূৰ বিষত ভুগে। তাইৰ হাতৰ কামবোৰো কিবা বিশৃংখল হৈ পৰিছে, কিবা এটা কৰি থাকোঁতে আধাতে আন এটা ধৰেগৈ, ভালকৈ গামোচা এজুঁতিও বব নোৱাৰে, ফুল তুলিব ল'লৈই চকুত জাল মাৰি ধৰে। জীৱনটো যেন তাইৰ বাবে আন এক নতুন অধ্যায়লৈ পাতনি মেলিছে।

সংসাৰত আপোন বুলিবলৈ অনিন্দাৰ সন্তান দুটিয়েই একমাত্ৰ সঁচা প্ৰমাণ। শাহু-দেউৰ-ডাঙৰীয়া আছে যদিও সিহঁতৰ পৃথকে সংসাৰ। স্বামী হৃদয়ানন্দই সৰুটো ল'ৰা ডেৰ দুইবছৰ হওঁতেই সংসাৰ ত্যাগ কৰিছে। অশেষ ধৈৰ্য, অসীম সাহস আৰু অনেক খলা-বমাৰ মাজেৰে তাই জীৱনটোক আগুৱাই নিছে, ল'ৰা দুটাক ডাঙৰ কৰিছে।

হৃদয়ানন্দ মানে অনিন্দাৰ স্বামীৰ মৃত্যু আছিল আকস্মিক, সেই বুলি কোনো ৰোগত মৃত্যু হোৱা নাছিল। হৃদয়ানন্দৰ মৃত্যু আছিল হিংসাৰ নীতিৰে পৰিপক্ক চোকা তৰোৱাল আৰু বন্দুকৰ গুলিত নিহিত হৈ থকা নিৰীহ এক কেঁচা মৃত্যু। সেইদিনা আছিল ১৯৯৯ চনৰ নৱেম্বৰ মাহ, সন্ধিয়া ঠিক ৯-১০ মান বজাত গাঁৱৰ মূল তিনি আলিটোৰ মূৰতে তিনি-চাৰি গুলিৰ শব্দ আৰু কুকুৰৰ ৰাও-ৰাৱণি, অলপ পাছতে গাঁওবাসীয়ে আৱিস্কাৰ কৰিছিল তেজেৰে লুতুৰি পুতুৰি হৈ আমজোপাৰ দ-খালটোত হৃদয়ানন্দৰ মৃতপ্ৰায় বিভৎস দেহ। কেঁকনি মিশ্ৰণ এটি কাতৰ কণ্ঠ .... পানী ... ও ... পা ... নী ... মা ...অ লগে লগে পুলিচক খবৰ দিয়া হৈছিল

যদিও আৰু ডেৰ দুই ঘণ্টাৰ পাছতহে দেহটো মেডিকেললৈ নিয়াৰ ব্যৱস্থা কৰা হৈছিল যদিও আধাৰাস্তাতে হৃদয়ানন্দৰ প্ৰাণ বায়ু উৰি গৈছিল।

হৃদয়ানন্দৰ এনে মৃত্যু হ'বলৈ নাপালেহেঁতেন যদিহে তিনি আলীটোৰ মূৰতে লাগি থকা বুধিৰামৰ পৰিয়ালটো ওলাই আহিলহেঁতেন। গুলিৰ প্ৰথম শব্দতে মানুহে যেন আহিল! কোন মৰে মৰক আমি জীয়াই থাকিলেই হ'ল বুলি ভিতৰত সোমাই থাকিল।

হ'লেও হৃদয়ানন্দৰ আয়ুস সিমানেই আছিল। কোনে জানে মৃত্যু কেতিয়া, কেনেকৈ কাৰবাবে আহে?'

হৃদয়ানন্দ গ'লগৈ অজান দেশলৈ। অনিন্দাই নো কৰিব কি! চকুলোৱেই তাই জীৱন সাৰথি, সাৰটি জীয়াই আছে অতীতৰ স্মৃতিকে লৈ। হৃদয়ানন্দ অনিন্দাৰ বিয়া আনুষ্ঠানিক নাছিল। ৭-৮ বছৰ ধৰি গঢ়ি উঠা প্ৰেমৰ বাবেহে অনেক বাধা - ঘাত - প্ৰতিঘাত নেওচি অনিন্দা হৃদয়ানন্দলৈ গুছি আহিছিল। ঘৰৰ অমতত বিয়াত বহাৰ বাবেই অনিন্দাৰ ঘৰখনে তিনি-চাৰিবছৰলৈকে অনিন্দাৰ লগত সম্বন্ধ নাৰাখিছিল।

হওক দে, তাই হৃদয়ানন্দৰ ওচৰতে সকলো বিচাৰি পাইছিল। স্বভাৱতে হৃদয়ানন্দ শান্ত কিন্তু তাৰো এক অসভ্য চৰিত্ৰ আছে। আলফা হৈ ছালফা গায়, য'তে ত'তে হকে-বিহকে কাজিয়া, দ্বন্দ্ব-খৰিয়াল লগাই ফুৰিছিল। তথাপি অনিন্দাৰ বাবে হৃদয়ানন্দ অতি মৰমৰ, চিৰ আদৰ্শৰ। কিমান আশা আছিল হৃদয়ানন্দক আৰু অনিন্দাৰ সিহঁতৰ সন্তান দুটিকলৈ ... সেইবোৰ এতিয়া চকুলো হৈও শুকাই যায় ....। হৃদয়ানন্দ, আঁতৰি যোৱাৰে দিন ধৰি অনিন্দাৰ দুখ কোলাই পাচিয়ে নধৰা হ'ল। ইফালে অনিন্দাৰ মাক-দেউতাকৰো কাম বাঢ়িল। প্ৰতিটো ক্ষেত্ৰতে অনিন্দাৰ মাকৰ ঘৰখনে আহি সহায় কৰি দিব লাগে। দেউৰ-ডাঙৰীয়া থাকিলেও সহায়ৰ হাতৰ সলনি সিহঁতে অনিন্দাক ল'ৰাকেইটাৰ সৈতে খেদি পঠিয়াব পাৰি তাকহে চিন্তা কৰা হ'ল। ইটো-সিটো কৈ বাৰীৰ সম্পত্তিবোৰ নি দবাৰি খায়। প্ৰতিটো কামতে বাধা — ইটো নকৰিবি, সিটো নানিবি, তাৰ্লৈ নাযাবি - অ'লৈ নাযাবি ইত্যাদি। মিতিৰ কুটুম কোনোবাই সহায়ৰ হাত আগবঢ়ালে - বেয়া অপযশ উলিয়াই। আনহাতে তাৰে সুযোগ লৈ কিছুমান দুষ্ট পুৰুষেও আমনি কৰিবলৈ ধৰে।

সন্মুখত বাঢ়ি অহা দুটি সন্তান আৰু চকুলোৰে সাৰথি হৈ আগবাঢ়িছে অনিন্দা। জীয়াই থকাৰ অনেক যান্ত্ৰণাৰ মাজতো অনিন্দাৰ আশা বাঢ়ে সন্তান দুটিক লৈ। ওজাগৰে সকুলোৰে পাৰ হয় নিশাবোৰ।

আৰ্থিক অনাটনৰ ক্ষেত্ৰত ল'ৰাকেইটাৰ পঢ়াৰ দায়িত্ব চৰকাৰে লৈছে। তথাপি শাকৰ পৰা শোকতিলৈকে কিনাৰ দৰে অৱস্থা। প্ৰতিটো বস্তুৱে কিনিব লাগে। বস্তুৰো যিহে দাম।

ডাঙৰটোৱে মেট্ৰিক দি গৈছে। সৰুটো এতিয়া সপ্তমশ্ৰেণী পাইছেগৈ। পঢ়া-শুনাত ল'ৰা ইমান ভাল নহয়। মানে নপঢ়ে। অনিন্দাই মাজে সময়ে এবাৰ পঢ় বুলি কয় যদিও তালৈ ইমান লক্ষ্য নাৰাখে। ডাৱৰীয়া বতৰ দেখিলে অনিন্দাৰ বুকুত ঢেঁকীয়ে ধান বনাদি বানে। বতৰৰ গাঁজনি ঢেৰেকণি, বৰষুণলৈ অনিন্দাৰ ভয় নহয়। ভয় হয় যদি যদি ধুমুহা আহে, ধুমুহা আহিলেই তাইৰ হাউলি যোৱা ঘৰটো বতাহত ভাগি পৰিব, বৰষুণৰ পানী পৰিলে তাই টুকিব পাৰিব, কিন্তু ধুমুহা যদি আহে ধুমুহাই যদি ঘৰটো ভাঙি পেলায়। তেতিয়া ... তেতিয়া ক'লৈ যাব অনিন্দা ... তাইৰ ল'ৰা দুটা? এই কেঁচা ঘৰটো সজা আজি ২৫-২৬ বছৰেই হ'ল, বেৰবোৰ পচি গৈছে, টিংবোৰ ফুটি গৈছে আৰু গোটেইবোৰ খুঁটা ছিগিছে।

ক'ৰবাৰপৰা ডাঙৰটো ল'ৰা আহি মাকৰ কাষতে বহিল। "বুইছা মা, অহাবাৰ আমি যেনেতেনে ঘৰটো সাজিমেই, চৰকাৰে দিলেও নিদিলেও।"

"ওঁ, সাজিব লাগিব।" — পুতেকৰ সিদ্ধান্তত মাকৰ দুৰ্বল উত্তৰ। অনিন্দাৰ বুকুত পুনৰ এটা বিষে দংশন কৰিলে — সঁচাকৈ ঘৰটো বনাবই লাগিব, চৰকাৰলৈ আৰু আশা কৰিব নোৱাৰি। 'গ্ৰাম্য আৱাস যোজনা'ত কাহানিবাই অনিন্দাৰ নামটো লিখা হৈছিল। পঞ্চায়তে প্ৰতিশ্ৰুতি দিছিল শ্ৰীঘ্ৰেই এটা ঘৰ, এটা শৌচাগাৰ দিয়া হ'ব। কিন্তু ক'তা ... কত লোকে ঘৰ পালে, শৌচাগাৰ পালে, অনিন্দাৰ বাবে সেইবোৰ 'আহিবই' হৈয়ে আছে। অহাৰ আশাও কম, কিয়নো .... অনিন্দাই পঞ্চায়তৰ ৰজা-মহাৰজাসকলক ঘোঁচ-ঘাচ দিব যোৱা নাই, বা দিনে-ৰাতিয়ে এলাই পেলাই লাগিও দিয়া নাই। যিয়ে তেওঁলোকক হকে-বিহকে খাটি দিছে, মৰণত হৰণ দি লাগি ফুৰিছে তেওঁলোকেই চৰকাৰৰ সুবিধাবোৰ ভোগ কৰিছে। বহুতেই কাৰোবাৰ নামত অহা ঘৰবোৰ নিজৰ নামত আধাদাম দি কিনি লৈছে। সামৰ্থ থাকিলেও অনিন্দাই তেনেঘৰ নিবিচাৰে, চৰকাৰৰ বিনামূলীয়া ঘৰটো মূল্য দি কিনি তাই চৰকাৰৰ অপযশ বঢ়াব নিবিচাৰে।

"বুইছা বাইদেউ, তুমি গৈ প্ৰেচিডেণ্ট বা মেম্বাৰক ঘৰটোৰ

হে টকা পাঁচ হাজাৰমান দি দিয়াগৈ, বহুতেইচোন তেনেদৰেই এ. ৱাই ঘৰবোৰ লৈছে।”

“লওক ভণ্টি, তথাপি মই নলওঁ।” — প্ৰায়ে দেউৰ-বোৱাৰীজনীয়ে কৰা মন্তব্যত অনিন্দাৰ নিঃকিন প্ৰত্যুত্তৰ।

কথা দিয়া মতেই সিদিনা পুৱাই ৮ বজাত বীণা বাই ওলাই আহি অনিন্দাৰ পদূলিমুখত টিলিঙা বজাইছে। অনিন্দাইও সাজু হৈয়ে আছিল। সেইদিনা সিহঁতৰ কাম নহ'ল। বীণা বাই আৰু আকৌ দ্বিতীয়বাৰ যোৱাৰ কথা বাদ দিলে। নালাগে তাইক চৰকাৰৰ টকা। অনিন্দাই কিন্তু দ্বিতীয়দিনা পুনৰ গ'ল। সেইদিনাও তাইৰ কাম নহ'ল আকৌ তৃতীয়দিনা পুনৰ আহিবলগীয়া হ'ল। তৃতীয়বাৰ অহাৰ কথা অনিন্দাই বাদেই দিব খুজিছিল। নিদিবই বা কিয়? থানাত যিহে অৱস্থা, ... ইখন থানাই সিখন থানাৰ কথা, সিখন থানাই ইখন কথা বাকী দি অনিন্দাক কিমানবাৰ যে অহা-যোৱা কৰালে তাৰ লেখ ধৰা টান। তাতে থানাৰ চিপাহীসকলৰ যিহে অসভ্য ব্যৱহাৰ! কুকুৰ-মেকুৰী যেনহে দেখিছে সিহঁতে অনিন্দাক। হাতত দুটামান টকা যাচি নিদিয়াৰ বাবেই পুলিচ অফিচাৰজনে ৰিপৰ্টটো সহজে লিখি দিয়া নাছিল। অনিন্দাই সেইকথা জানে যদিও হঠাতে টকাৰ কথা উলিয়াবলৈ তাইৰ সাহস নহ'ল। কাৰণ পুলিচ মানুহক সহজে চিনা টান। ইখন থানাৰ পৰা সিখন থানালৈ কমেও সাত-আঠবাৰমান অহা-যোৱা কৰালে। শেষলৈও লিখি দিবলৈ ইচ্ছা নকৰিছিল। আন এজন পুলিচ অফিচাৰে ঈশ্বৰৰ দয়াত লিখি দিবলৈ কোৱাতহে লিখি দিলে। সেই সময়ত অনিন্দাৰ চিঞৰি চিঞৰি কান্দি ক'বৰ মন গৈছিল — “মৃত্যু আমাৰ বাবে উৎসৱ হৈ পৰিল কেনেকৈ? স্বামীৰ মৃত্যুক লৈ মই দেখোন হেতালি গুটি হৈ পৰিছো।” থানাৰ দুৱাৰ সন্মুখত ওলমাই থোৱা গান্ধীৰ ফটোখন এৰোৱাই আনি হিংসা আৰু অসত্যৰ ধূলিকণাবোৰ চকুৰ পানীৰে ধুই দিবলৈ তাইৰ মন গৈছিল।

সন্ধিয়া হৈ আহিছিল। যিকি নহওক কামটো হ'ল। চাদৰৰ আঁচলেৰে চকুপানীখিনি মোহাৰি চাইকেলখনৰ পেণ্ডেল দুটাত ভৰি দুটা দি দিলে। লাহে লাহে পেণ্ডেলকেইপাত জোৰকৈ ঘূৰিব ধৰিলে — ঘৰত 'ডাঙৰ বাবা' আৰু 'চুনু' অকলে আছে। ..........□□

---

☺ প্ৰতিটো হেৰাই যোৱাৰ পিছতো এটা বস্তু থাকে, আৰু সিয়ে হ'ল - ভৱিষ্য

— বভি

☺ পতিটো কৰ্তব্যই পবিত্ৰ আৰু কৰ্তব্যৰ প্ৰতি শুদ্ধাই ভগৱানক পূজা কৰাৰ সৰ্বোতম উপায়।

— স্বামী বিবেকানন্দ

☺ কোনো সৌন্দৰ্যই মনৰ সৌন্দৰ্যৰ দৰে সুন্দৰ নহয়।

— জচুৰা কুৰা


☺ ভ্ৰাতৃৰ দৰে মিলিজুলি থাকিবা নহলে মুৰ্খৰ দৰে বিনাশ প্ৰাপ্ত হ'বা

— মাৰ্টিন লুথাৰ

# প্ৰতীক্ষাৰ অন্তত

বন্তি সোণোৱাল
পদাৰ্থ বিজ্ঞান বিভাগ, ২য় বষ

টং টং টং কৈ ঘড়ীটোত ১২ বজাৰ সংকেত ভাহি আহিল। তথাপিও আজি বন্দিতাৰ টোপনি ধৰা নাই। তাইৰ বান্ধৱী ৰুণ কেতিয়াবাই টোপনি গ'ল। বন্দিতায়ো তাইৰ লগতে একেলগে আৰু একে সময়তে বিচনাত উঠিছিল। কিন্তু তাইৰ চকুত টোপনিৰ লেশমানো অহাৰ আশা নাই, তাৰ পৰিৱৰ্তে তাইৰ চকুত চকুলোহে ববলৈ ধৰিছে। তাইৰ বান্ধৱী ৰুণে যেতিয়া "এয়া মোৰ মাহীৰ ল'ৰা দীপ" — বুলি চিনাকি কৰি দিছিল, তেতিয়া এই হাঁহিব নে কান্দিব নিজে ভাবি পোৱা নাছিল। বন্দিতাই কোনোদিনে ভবা নাছিল তাই যে দীপক এনেকৈ হঠাতে লগ পাব। তাইক আজি অতীতৰ কথাবোৰ বৰকৈ আমনি কৰিছেহি। চাবুৱাৰ ভিতৰুৱা অঞ্চলৰ পৰা মেট্ৰিক পাছ কৰি তাই ডিব্ৰুগড় কানৈ কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল মনত বহু সপোন আৰু আশা লৈ।



বন্দিতাই আজৰি সময়ত কবিতা লেখি ভাল পাইছিল আৰু তাইৰ হোষ্টেলৰ ৰূমমেট পল্লৱীয়েও কবিতা লেখি ভাল পাইছিল। গতিকে সিহঁত দুজনীৰ মাজত কম সময়তে বন্ধুত্ব গঢ়ি উঠিছিল। পিছলৈ এনেকুৱা হৈছিল যে ইজনীয়ে সিজনীৰ পৰা একো কথা লুকুৱাব পৰা নাছিল। পল্লৱীয়ে তাইক প্ৰায়ে কৈছিল তাই ডিগ্ৰী পাছ কৰি নয়নৰ লগত পলাই বিয়া হ'ব বুলি। সেই পল্লৱীয়ে এদিন তাইক চিনাকি কৰি দিছিল দীপৰ লগত। দীপ আছিল তাইৰ দূৰ সম্পৰ্কীয় মোমায়েকৰ ল'ৰা।

চাওঁতে চাওঁতে বন্দিতা আৰু দীপৰ মাজত বন্ধুত্ব গঢ়ি উঠিল আৰু তাই বন্ধুত্ব শেষলৈ প্ৰেম নামৰ সম্পৰ্কই ৰূপ ল'লে। লাহে লাহে বন্দিতাই দীপক বহুত বিশ্বাস কৰিবলৈ ল'লে। দীপ আৰ্মী চাকৰি কৰাৰ বাবে প্ৰায় অসমৰ বাহিৰত থাকিবলগীয়া হয়। সেয়ে সিহঁতে বছৰত দুবাৰমানহে লগ পায়। প্ৰায় ফোনতেই কথা-বতৰা হয়। এনেদৰেই সিহঁতৰ প্ৰেম বহুত দূৰ আগবাঢ়িল।

বন্দিতাই লাহে লাহে অনুভৱ কৰিবলৈ ধৰিলে দীপ যেন আগৰ দীপ নহয় সি আগৰ দৰে বেছি কথা পাতিব নিবিচাৰে আৰু নিজকে অনবৰতে আন কামত ব্যস্ত নেদেখুৱায়। এই বোৰৰ কাৰণে তাই মনটো বেয়া লাগি থাকে। এই বিষয়ে কেতিয়াবা দীপক সুধিলেও "তুমি কি যে কথাবোৰ কোৱা?" — বুলি কয়। লাহে লাহে দীপ বন্দিতাৰ পৰা বহু দূৰলৈ গুচি গ'ল। শেষত বন্দিতাই দীপৰ খবৰ একেবাৰে নোপোৱা হ'ল। এদিন পল্লৱীৰ মুখেৰে দীপ কাশ্মীৰত থকা বুলি শুনিলে। দীপে তাইক কিয় বিশ্বাসঘাতকতা কৰিলে তাৰ কাৰণ তাই বিচাৰি নাপালে। সেয়া তাইৰ কপালৰ দোষ বুলিয়েই মানি লৈ তাক পাহৰিবলৈ চেষ্টা কৰিলে। কিন্তু দীপ যে তাইৰ জীৱনৰ পৰা আঁতৰি গৈছে সেই কথা তাইৰ মনে মানি ল'ব নিবিচাৰে। তাৰ কথা মনত পৰি চকুলো ববলৈ ধৰে। যদিও তাই তাক পাহৰিব বিচাৰে মনে ভাবে সি যেন আকৌ ঘূৰি আহিব তাইৰ জীৱনলৈ।

বি. এচ. চি. পাছ কৰাৰ পাছত তাইক মাক দেউতাকে বিয়াৰ কাৰণে জোৰ কৰিলে। কিন্তু তাই মাকক দৃঢ়ভাৱে এতিয়া বিয়া নহওঁ বুলি ক'লে। সেই সময়তে তাই পেপাৰত অনুৰাগ থিয়েটাৰৰ বিজ্ঞাপন এটা পালে। সৰু থাকোতেই তাইৰ মনত অভিনয় কৰাৰ হেঁপাহ এটা পুহি ৰাখিছিল। কিন্তু তেনে কোনো সুবিধা নোপোৱাৰ বাবে মনৰ আশা মনতে বাদ দিছিল। কিন্তু বিজ্ঞাপনটো দেখাৰ পিছতে অভিনয় কৰাৰ কথা ভাবিলে। ইয়াত তাইৰ মন যোৱাৰ আৰু এটা কাৰণো আছে তাই নিজকে ব্যস্ত ৰাখিব বিচাৰে। দীপৰ স্মৃতিয়ে তাইক বাৰুকৈয়ে আমনি কৰে। থিয়েটাৰলৈ অহাৰ পিছত এই অভিনয় কৰিবলৈ প্ৰথমে লাজ আৰু সংকোচ লাগিছিল। কিন্তু অলপ দিনৰ ভিতৰতেই তাই অভিনয়ত পাকৈত হৈ উঠিছিল। থিয়েটাৰলৈ অহাৰ পাছৰ পৰাই বন্দিতাৰ মনটো মুকলি লাগিবলৈ ধৰিলে। থিয়েটাৰ কৰাৰ লগতে তাই বহুত ঠাইও ঘূৰিবলৈ পালে।

এতিয়া অনুৰাগ থিয়েটাৰখন শিৱসাগৰৰ সোণাৰিলৈ আহিছে। বন্দিতাই এইকেইদিন সোণাৰি হাইস্কুলতে আছে। থিয়েটাৰৰ শেষৰ দিনা ৰুণে তাইক ওচৰতে থকা মাহীয়েকৰ ঘৰলৈ ফুৰাবলৈ লৈ গ'ল। ৰুণে তাইৰ মাহীয়েকৰ ল'ৰাৰ লগত বন্দিতাক চিনাকি কৰি দিলে। তাই হাতযোৰ কৰি নমস্কাৰ দিবলৈ লওঁতে এয়া কি ! — এইয়া যে দীপ। বন্দিতাক চিনাকি কৰি দিয়েই ৰুণ ভিতৰলৈ গ'ল। বন্দিতাই খং আৰু অভিমানত মুখখন ঘূৰাই দিলে। তাইৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে। চকুত চকুলো বব ধৰিলে। তাই ভবা নাছিল দীপক তাই হঠাৎ এনেদৰে লগ পাই যাব তাকো হুইল চেয়াৰত। দীপেও তাইলৈ চাব নোৱাৰিলে তাৰ চকুপানী বৈ আহিল।

বন্দিতাই লাহে লাহে দীপৰ ওচৰলৈ আগবাঢ়ি আহিল। দীপে তাইৰ হাতখন হাতৰ মুঠিত সুমুৱাই ল'লে আৰু কান্দিবলৈ ধৰিলে। অলপ দেৰিৰ পাছত চকুপানী মোহাৰি ক'বলৈ ধৰিলে — "মোক ক্ষমা কৰি দিবা বন্দিতা, মই তোমাৰ নিচিনা ইমান ভাল ছোৱালী এজনীক দুখ দিলো। তোমাৰ প্ৰকৃত মৰম মই বুজি নাপালো। মই তোমাৰ ক্ষমাৰ অনুপযুক্ত। তোমাৰ লগত প্ৰথম চিনাকী হওঁতে তোমাক মোৰ প্ৰেমত পেলাবলৈ অভিনয় কৰিছিলো আৰু মোৰ অভিনয়ত তুমিও পতিয়ন গৈছিলা। মই তোমাক তোমাৰ মৰমক উপলুঙা কৰিলো। মই নিজক লৈ নিজেই গৰ্ব কৰিছিলো। কাশ্মীৰলৈ বদলি হৈ যোৱাৰ কেইমাহমানৰ পাছতেই এক্সিডেণ্টত মোৰ ভৰি এখন হেৰুৱালো। মোক মাফ কৰি দিবা।"

ঘড়ীৰ ৪ বজাৰ সংকেত তাইৰ কাণত পৰিল। তাইৰ মনত পৰিল আজি তাই ঘৰলৈ যাব। বন্দিতাই ভাবিলে ইমান দিনে দীপৰ কাৰণে বাট চাই আছিল। যদিও দীপ তাই জীৱনৰ পৰা আঁতৰি গৈছিল তথাপিও সদায়েই সপোন দেখিছিল তাৰ লগত একেলগে সংসাৰ কৰা। এতিয়া দীপকক তাই কাষতে পাইছে। তাইৰ ভালপোৱাআকৌ ঘূৰাই পাইছে। তাই আৰু তাক আঁতৰি যাবলৈ নিদিয়ে। তাই আগৰ সকলো অভিমান এৰি দীপক আঁকোৱালি ল'ব। তাই তাক মাফ কৰি দিব। বন্দিতাই লাহেকৈ চকুপানী মোহাৰি বিচনাৰ পৰা উঠি আহিল। বাহিৰত চাৰিওফালে অলপ অলপকৈ পোহৰ বিয়পি পৰিছিল। পুৱাৰ শান্ত পৰিৱেশে তাই মনটো ভৰাই পেলালে। তাইৰ মনটো ফৰকাল লাগি গ'ল। এনে লাগিল তাই যেন আজি এটা সঠিক সিদ্ধান্তত উপনীত হ'ব পাৰিছে। তাই আজি মাকক দীপৰ কথা ক'ব। কথাষাৰ ভাবিয়েই তাইৰ মুখত এটা হাঁহি বিৰিঙি আহিল ........................ ◻◻

# ভাড়াঘৰ

সুদৰ্শন গগৈ

হঠাৎ সাৰ পাই গৈছিলো; ঠেংগেনামনিৰ ফালে কম্বলকেইখন চেঁচা হৈ পৰিছিল। মোৰ গাতে গা লগাই শুই থকা ইন্দুৰ বাহুত ধৰি জোকাৰি কৈছিলো, — “ইন্দু উঠা উঠা, বৰষুণ।”

মাত্ৰ কেইদিনমান হৈছে, মোৰ নিসংগ ভাড়াতীয়া জীৱনৰ সংগী হৈছেহি ইন্দু। ইয়াৰ আগতে ইন্দুৱে কলেজৰ পিছফালে পেইংগেষ্টত আছিল। নাজানো কিয় হঠাৎ সি মোৰ সংগী হ'বলৈ ইচ্ছা কৰিছিল। মই অকলে থকা দিনত দুইকোঠলীয়া ভাড়াঘৰটোৰ ভিতৰৰ কোঠালীত থকা বিচনাখন খালী হৈ আছিল। ইন্দুৱে অহাৰ পিছত সেই বিচনাখনত মই নিজে শুই মোৰ আগৰখনত ইন্দুক শুবলৈ দিলো। প্ৰথমতে ইন্দুৱে বাধা দিছিল। কিন্তু কোঠালীটোৰ অৱস্থা দেখি মই তাক তাত শুবলৈ নিদিলো। তাতে গাতে লাগি থকা সিটো কোঠালীত এহাল নৱবিবাহিতা দম্পতীয়ে ৰাতি প্ৰায় দেৰিলৈকে কথা পাতি থাকে। সেয়ে ইন্দুৱে অস্বস্তিবোধ কৰে বুলি মোৰ ভাব হৈছিল। কিন্তু দুদিনমান পিছতে আমাৰ দুয়োকে একেখন বিচনাতে শুবলৈ পৰিস্থিতিয়ে বাধ্য কৰিছিল। কাৰণ মালিকে হঠাৎ ঘৰটো মেৰামৰি কৰিবলৈ সিদ্ধান্ত লৈছিল। প্ৰথমতে বাঁহৰ পুৰণি খুঁটাবোৰৰ ঠাইত নতুন খুঁটা লগাই আৰু চাৰিওফালে দুফুট ওখকৈ ইটা গাঁথি তাৰ ওপৰতে আগৰ পুৰণি বেৰবোৰ বান্ধি কাম শেষ কৰাৰ কথা আছিল। কিন্তু কাম আৰম্ভ কৰাৰ লগে লগে আমাৰ পিছফালৰ বেৰখন তললৈ খহি গৈছিল। ডাঙৰ ডাঙৰ ফুটাবোৰেৰে মহ, নিগনি, চিকা অনায়াসে আহ-জাহ কৰিব পৰা হ'ল। মিস্ত্ৰীয়ে মালিকক অভিযোগ কৰিলে — “বেৰবোৰ আঁতৰাই নিদিলে আমি ইটা গাঠিব নোৱাৰো। ইয়াৰ পিছতে পৰিস্থিতিটো অলপ বেয়া ফালে ঢাল খাবলৈ ধৰিলে। সমীপৰ দম্পতিহালে সিহঁতৰ কোঠালীটো খালী কৰি নিদিলে কাম আগবাঢ়িব নোৱাৰা হৈ পৰিল। গতিকে সিহঁতে কোঠালীটো খালী কৰি দিব লাগে। নতুন বোৱাৰীজনীয়ে গিৰিয়েকক আগতেও কোঠালীটোৰ অৱস্থাক লৈ অভাৱ-অভিযোগ শুনাই থাকে। এই বিষয়ক লৈ কেতিয়াবা দুয়োটাৰ মাজত বিবাদো হয়। সেয়ে এনেএটা সুবিধা অহাত তাই পেটে পেটে আনন্দ পাইছিল। তাইৰ মতে, লাগিলে আগতকৈ অলপ বেছিকৈ ভাড়া দিব। এতিয়া এটা ভাল ভাড়াঘৰ বিচাৰি ল'ব পাৰিব। পিছদিনা সিহঁতে ৰুমটো খালী কৰি দিছিল।

কিন্তু এনে অৱস্থা আমাৰ বাবেও বেছি দৰদ নাছিল। মই বৰ চিন্তাত পৰিছিলো। ইফালে ইন্দুৱে অহা সপ্তাহ দহ দিন হৈছেহে মাথোঁ এনেতে যদি আকৌ ঠাই সলনি কৰিব লগা হয়, সি আকৌ ঠাই সলনি কৰিব লগা হয়, সি মনতে নিশ্চয় বিতৃষ্ণা পাব। মোৰ কথাতো ক'বই নালাগে। প্ৰথম কলেজত নাম লগোৱাৰ পৰা আজি চাৰি বছৰত তিনিটাকৈ ভাড়াঘৰ সলনি কৰিছো। এইটো চাৰি নম্বৰত। প্ৰতিটো ঘৰ সলনি কৰাৰ অন্তৰালত নানান কাৰণ। কোনোটোত খোৱা পানী,লেট্ৰিন, বাথ-ৰুমৰ অসুবিধা আকৌ কোনোটোত কলেজলৈ অহা-যোৱা কৰা, বজাৰ-সমাৰ কৰাত দূৰত্বৰ ব্যৱধান। আকৌ ভাড়া দিয়াত বিলম্ব হ'লে মালিকৰ কেন্‌কেন্‌নি আছেই। এই ঘৰটোলৈ অহা সাতমাহ হৈছে। কলেজলৈ বেছি দূৰ নহয়। বাৰিষাত বাটত পানী নহয়। আনহাতে চুবুৰীয়া মানুহবোৰে কথা-বতৰা কৰে। পৰিৱেশটো ম্লান যেন লাগিলেও থাকি ভাল লাগে। ইফালে পৰীক্ষালৈ এমাহ কি ডেৰমাহ বাকী। এনে সময়ত ঠাই সলনি কৰাটো বৰ সুবিধাজনক নহয়। আনহাতে মানুহৰ মুখত প্ৰায় শুনোৱেই ‘বাগৰা শিলত শেলুৱৈ নগজে।’ গতিকে আমিনো কিয় ইমানকৈ লৰি ফুৰো।

মালিকে আমাৰ দুয়োটাকে কৈছিল কাম দহ-বাৰ দিনত শেষ হ'ব। গতিকে আমাৰ যি যি ভালবস্তু আছে ওচৰৰে এঘৰত ৰাখি এইকেইদিনত ৰাতি সিহঁতৰ ঘৰতে শুব পাৰিম। কিন্তু ইন্দুৱে কথাটো গ্ৰহণ নকৰিলে। সি নাও বুৰিলেও, টিঙৰ পৰা নানামে। সি মোক কৈছিল যে এই বিচনা এৰি আনৰ ঘৰত শোৱাতকৈ নিজ ঘৰতে গৈ দুদিনমান কটাই অহাটোৱে ভাল হ'ব। ঘূৰি আহি ৰুমটো ঠিক হ'লে পৰীক্ষালৈ যো-জা কৰিব পৰা যাব। ইন্দুৱে মোকো তাৰ ঘৰলৈ লগ ধৰিছিল। মোৰ না বুলি ক'বলৈ বেয়া লাগিছিল। কিন্তু ঘূৰি আহি দেখো পৰিস্থিতি

আগতকৈও বেছি বেয়াৰ ফালে। বেৰৰ মাটিবোৰ এৰোৱাই দিয়া হৈছিল, ওপৰৰ টিনপাতবোৰো খুলি দিছিল, ৰং কৰিবৰ বাবে। মূৰৰ ওপৰত বাঁহৰ চিলিংখনেই চাল হৈ পৰিছিল। সিদিনা ৰাতিটো কটাবৰ বাবে মালিকে আমাৰ শোৱা কোঠালীটো বেঁকাকৈ ওপৰত এখন পানী কাপোৰ তৰি দিলে। চাৰিচুকীয়া পানীকাপোৰখনৰ চুককেইটা মাৰলী কেইডালত বান্ধি দিলে। ৰেল ষ্টেচনৰ পিছফালে থকা জুপুৰীবোৰৰ লগত আমাৰ ঘৰটো এবাৰ ৰিজাই চালো।

এবাৰ ইন্দুৰে বাৰান্দাত থিয়হৈ দাঁত নিকটাই কাৰোবাৰ লগত কথা পাতি আছিল। দৃশ্যটো দেখি একবিংশ শতিকাৰ প্ৰথমভাগৰ এখন হিন্দী আলোচনীৰ বেটুপাতটোলৈ মনত পৰিছিল। সেই ছবিখনত থকা মানুহটোৰ মুখত অৱশ্যে যুদ্ধৰ বিভীষিকা আৰু ভোকৰ তাড়নাত বিষণ্ণ হৈ পৰা এটি বিকৃত হাঁহি জিলিকি আছিল। ইন্দুৰ মুখতো সেই একেটাই হাঁহি, কিন্তু ভাৱত কিছু বিৰক্তি আৰু আত্মাভিমান ফুটি উঠিছিল।

পিছদিনা মিস্ত্ৰীয়ে ওপৰৰ মাৰলিবোৰ ভালকৈ বান্ধিবৰ বাবে পানীকাপোৰখন খুলি দিছিল, কিন্তু যোৱাৰ সময়ত ঠিকমতে বান্ধি থৈ নগ'ল। গধূলি আকাশখন ফৰকালেই আছিল। পশ্চিম আকাশত মই কাচি জোনটোও ভালকৈয়ে দেখিছিলো। বিচনাত পৰাৰ সময়তো বেৰৰ ফাকেদি দুই এটা তৰা দেখিছিলো। কিন্তু মাজৰাতি হঠাৎ সাৰ পাই ভৰিকেইখন হিমচেঁচা যেন অনুভৱ কৰিছিলো। কম্বলকেইখনৰ চুক দুটা অলপ সেমেকা সেমেকা লাগিছিল। প্ৰথমতে একো বুজিব পৰা নাছিলো, কিন্তু মজিয়াত টপ্ টপ্‌কৈ পানী পৰাৰ শব্দ শুনাৰ পিছতেই নিশ্চিত হৈছিলো যে ক্ষন্তেক আগতে এজাক বৰষুণ হৈ গৈছিল।

ওপৰত আকৌ চিপ্ চিপ্ শব্দৰ আৰম্ভ হৈছিল। ইন্দুৰে মোৰ জোকাৰণিটোত একেবাৰেই সাৰপাই গৈছিল। সি গবামাৰি ধৰি গাৰ ওপৰত থকা কম্বল দুখন শিতানৰ ফালে টানি থলে। ময়ো লগে লগে উঠি সিটো কোঠালীলৈ দৌৰিলো। হাতত মোবাইল ফোনৰ ক্লাছ লাইটটো জ্বলাই লৈছিলো। কোঠালীটোত কাপোৰবোৰ তাঁৰ এডালত অসংযতকৈ ৰাখি থোৱা আছিল। সেইবোৰ মই গোটাই পানী নপৰা ঠাই এডোখৰত থৈ ওপৰত ছাতি এটা মেলি দিলো। মজিয়াৰ কেইবা ঠাইতো পানী পৰিছিল। মহবোৰৰ গুণ-গুণণি বাঢ়ি আহিছিল। ইন্দুৰে মুখৰ ভিতৰতে কিবা ভুৰভুৰাইছিল। মই এবাৰ সজোৰেৰে হাঁহি দিলো। তাৰ পিছত দুয়োটাই দুফালে বিচনাখন ধৰি দুৱাৰখনৰ ফালৰ পানী নপৰা চুকটোলৈ টানি আনিলো। আৰু কেইটামান প্ৰহৰৰ পিছতে পুৱা হ'ব যেন অনুভৱ হৈছিল। সেয়ে আৰু অলপ টোপনি যাবৰ মন গৈছিল। দুয়োটাই কুছি-মুছি খাই বিচনাত পৰিছিলো। কম্বলকেইখন টানি টানি হাতৰ কেপেটত সুমুৱাই লৈছিলো। ইন্দুৰে একো কোৱা নাছিল। মই নিশ্চিত হৈছিলো, তাৰ দুসপ্তাহৰ আগৰ কথালৈ মনত পৰিছিল। মোৰ চকুলৈও টোপনি অহা নাছিল। বৰং কথা এটাহে মনত পৰিছিল। এদিন মোক বান্ধৱী এজনীয়ে ৰাতি ফোন কৰিছিল। কথাৰ মাততে মই 'কিহৰ লগত ভাত খালা" — বুলি সুধোতে তাই তপৰাই উত্তৰ দিছিল — "কিহৰ লগতনো খাম, যেতিয়া হোষ্টেলত থাকিবা তেতিয়াহে গম পাবা। গাহৰিৰ দানাৰ দৰে খানা, প্ৰতিগাল ভাত গিলোতে ঘৰলৈ চিৰিংকৈ মনত পৰে, বুকুত কেতিয়াবা শোকে খুন্দা মাৰি ধৰে। তোমালোকৰেই ভাল জানা, ভাড়াঘৰত থাকা, যি নহ'লেও নিজৰ ইচ্ছা মতে ৰান্ধি খাব পাৰা। মূলাৰ জোলো জানো খায়নে? মাংস দিয়ে এডোখৰ, পানী দিয়ে এবাতি, কেতিয়াবা কেতিয়াবা ভাতেই নাখাওঁ।" এইখিনি কোৱাৰ পিছত তাই একেটা প্ৰশ্নকে মোকো সুধিছিল। কিন্তু ইতিমধ্যে তাই কথা শুনি মোৰ বেয়া লাগিছিল। সেয়ে সিদিনা মই বৰালি মাছ, ঔ-টেঙা আৰু বগা সৰিয়হৰ জোলৰ লগত ভাতসাজ ভালকৈয়ে খাইছিলো যদিও তাইক কিবা এটা সামান্য পাচলি নাম কৈয়ে মই প্ৰসংগ সলনি কৰিচিলো। কিন্তু আজি মোৰ বোধ হয়, যিমান যিয়েই নহওক সিহঁতৰ শুবলৈ এখন স্থানী বিচনা আৰু পঢ়িবলৈ এখন মেজ আছে। কলেজৰ ফাইনেল পৰীক্ষা নিদিয়ালৈকে সিহঁতৰ বাবে কলেজ কৰ্তৃপক্ষই এখন হোষ্টেল খুলি দিছে। সিহঁতৰ নিতৌ শাক-পাচলি, তেল-নিমখৰ কথা চিন্তা কৰাৰ প্ৰয়োজন নাই, ৰন্ধন গেছৰ চিলিণ্ডাৰ বিচাৰি দোকানে দোকানে ঘূৰি ফুৰিব নালাগে। আমাৰ দৰে দূৰৈৰ পৰা অহা ল'ৰাবোৰৰহে সমস্যা অনেক। সেয়ে মই মনে মনে ভাবিছিলো, --- আমাৰ বাবেই এখন হোষ্টেল থকা হেঁতেন।

হঠাৎ বুকুখন ধপ্ কৰি গ'ল। ইন্দু বুলি ক'বলৈ নৌপাওঁতেই ওপৰত দোঙা বান্ধি থকা পানীখিনি জৰ্জৰ্‌কৈ পানী কাপোৰখনৰ সৈতে সৰি বিচনাৰ ওপৰতে পৰিলহি। কম্বল, তুলি সকলো তিতিল, লগতে আমি দুটাও জেপজেপিয়া হ'লো। ইন্দুৰে গাৰ চোলাটো খুলি মোক সুধিছিল — "আজি ৰ'দ দিবনে?" মই একো নক'লো। ❑❑

# মৃত্যু এটি ক্ষণিকৰ ধুমুহাহে

পৰাগমণি বুঢ়াগোহাঁই
স্নাতক ১ম বৰ্ষ, ভূগোল বিভাগ

নিৰিবিলি গহীন নিশা। কিন্তু তাইৰ দুচকুত টোপনি নাই। তাইৰ বুকুৰ মাজে মাজে এক অবুজ আনন্দ উৎসাহৰ ধাৰাসাৰ সোঁত এধানি বৈছে। খিৰিকীৰ পৰ্দা আঁতৰাই বহিৰলৈ চকু ফুৰালে। গহীন উজ্জ্বল নিশা, আকাশত ক'তো ডাৱৰৰ চিন নাই পৰিষ্কাৰ নীল বৰণীয়া এখনি শৰতৰ ৰাণীৰ দৈৰ্ঘ্যবিহীন চাদৰ। তাতে শাৰদীয় কুঁৱলী, মাজে মাজে সুকোমল বতাহৰ আলাসৰ পৰশ আৰু শেৱালী ফুলৰ গোন্ধই চৌদিশ ৰজনজনাই তুলিছে। তাই মনটো গাঁৱৰ সেই বিশাল পথাৰখনৰ পকিবলৈ ধৰা ধাননি ডৰালৈ মনত পৰি উৰা মাৰিব খোজে। তাতোতকৈ আপোন মাক-দেউতাক আৰু স্নেহৰ ভনীয়েকলৈ মনত পৰাৰ লগে লগে এবাৰ উৰি গৈ যেন বিলীন হৈ যাব খোজে তাইৰ মনটো।

কাহিলী পুৱাতেই নন্দিনী আৰু ববিতাই হোষ্টেলৰ সকলোকে বিদায় ল'লে। দুয়ো মনত এসোপা ৰঙীণ সপোন লৈ যাত্ৰা কৰিলে। নিৰ্দিষ্ট সময়ত বাছ ষ্টেচনত উপস্থিত হ'ল। বাছেই বাছ .... কিন্তু উঠিবৰ উপায় নাই। অধিক যাত্ৰী নুঠোৱাৰ আৰু অধিক সময় ৰৈ নথকা প্ৰতিশ্ৰুতি দি বাছবোৰত ভাড়াবোৰ বৃদ্ধি কৰি এতিয়া পুৰণি স্বৰূপলৈ উভতি গৈছে। দুই এক যাত্ৰীয়ে অস্বস্তি প্ৰকট কৰে যদিও বেছি খিনিয়েই নিৰ্লিপ্ত হৈ থকা শক্তি আহৰণ কৰিছে।

.......... খানাপাৰা, খানাপাৰা, খালীগাড়ী, খালী গাড়ী — চিঞৰে ইমান সময়ে ভাৱনাত মগ্ন নন্দিনীৰ মনটো ঘূৰি আহিল। বাছবোৰত ক'তো শৰবিন্ধা নাই তথাপিও ........ খালীগাড়ী — শব্দটো উধৰ পৰা মূধলৈ ৰজনজনাই আছে। আনকি এই অৰ্থহীন শব্দবোৰে মানুহৰ চেতনাত ব্যাঘাত জন্মাব নোৱাৰে হয়তোবা মানুহৰ চেতনাত শব্দৰ কোনো ক্ৰিয়া নাই। কেৱল হুলস্থুল।

নন্দিনীয়ে ঘড়ীটোলৈ চালে পলম হৈ গৈছে। বাছৰ ভিৰ কমিব বুলি বহুত সময় ৰ'ল, এইবাৰ দুয়ো যেনেতেনে উঠিলে। বাছৰ বিৰ দি উদণ্ড প্ৰাণীৰ দৰে গতি ল'লে। অ'ত ত'ত মানুহ উঠাইছে, উঠিব নোখোজা মানুহকো উঠাবলৈ চেষ্টা কৰি সময় নষ্ট কৰিছে আৰু কোনোবা কোনোবা ষ্টপত বেছিকৈ ৰয়হি। তাই বৰ অসহ্যবোধ কৰিছে। মাক-দেউতাকলৈ মনত পৰাত আৰু ধৈৰ্য্য নাই যেন হৈছে। এই যাত্ৰা বৰ দীঘল দীঘল অনুভৱ হ'ল। তাইক ঘৰত অপেক্ষা কৰা মানুহবোৰৰ প্ৰত্যাশাৰ ভিৰ এতিয়া গাঢ় হৈ আহিব। অৱশ্যে এইবোৰ ভিৰ স্বয়ংক্ৰিয়। ঘৰখনৰ মানুহবোৰৰ যোৱা বন্ধ। তেওঁলোকৰ উদৰত প্ৰতিপালিত হৈ থকা কেঁচু-কুমতিবোৰেও তাইলৈ ৰৈ আছে। লাহে লাহে সূৰ্যৰ কিৰণে মেলানি মাগো মাগো অৱস্থা পাইছে। বাছখন হঠাৎ এটা ষ্টেচনত ৰ'ল। তাই ববিতাক বিদায় দি গাড়ীৰ পৰা নামিল। সৰু ঠেক, সুৰুঙা বাটটোৰেদি ঘৰলৈ খোজ দিলে। মনত যিহে আনন্দৰ ধাৱ ... শীতল কুঁৱলী ফালি নীলাকাশ বিচাৰি অহা পুৱাৰ পোহৰৰ দৰে কিয় জানো নিজক বিছাৰি চাবলৈ হাবিয়াস জন্মেও ক্ষন্তেক সময়ো যেন নাইকীয়া হ'ল। এই চিঞৰো ... কৈ খোজোতে খোজোতে আহি জপনামুখত পাই হঠাৎ ৰৈ গ'ল। এনে দৃশ্য যিটি দৃশ্য কল্পনাৰ বাহিৰত আছিল। সন্ধিয়াৰ কানিমুণি আন্ধাৰত চোতালত কাৰোবাক বগা, কাপোৰেৰে ঢাকি শুৱাই থোৱা আছে। তাই হাঁহি থকা মুখখন মেলা ভাগেই নিস্তব্ধ হ'ল। শৰীৰটো নিশ্চল হৈ পৰিল। কাষতে আত্মীয়-স্বজনে ধূপ-ধূনা লৈ জ্বলাইছে বগা কাপোৰৰ ওপৰত যেন ফুলেৰে উপচাই পেলাইছে. তাই একো বুজিব পৰা নাই। সকলোৰে তাইলৈ চাইছে একো ক'ব পৰা নাই। তাই অৱশ হৈ পৰিছে। খুড়ীয়েকে সাৱটি ভিতৰলৈ লৈ গ'ল। মাকে তাইক দেখি হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। তাই কিন্তু কান্দিব পৰা নাই মূৰ্তিৰ দৰে নিথৰ শৰীৰটোক খুড়ীয়েকে বাহিৰলৈ উলিয়াই আনিলে দেউতাকৰ শেষ বিদায়ৰ কাৰণে।

দেউতাকক খৰি দি ভিতৰলৈ সোমাই দেখে মাকৰ অৱস্থা একেবাৰে শোচনীয়। তাইৰ নাম লৈ লৈ প্ৰায় মাত বন্ধ হোৱাৰ উপক্ৰম হৈছে। পুনৰ আত্মীয়ৰ মাজত লৰা-ধপৰা আৰম্ভ হ'ল।

গোটেই পৰিৱেশটো যেন শোকত ভাগি পৰিছে। গছ-গছনিবোৰেও নিৰৱ দৰ্শক হৈ একেথৰে ছাই আছে। তাই বাৰীৰ

চুকলৈ চাই পঠিয়ালে তেতিয়াও দেউতাকৰ নশ্বৰ দেহটো দপ্‌দপাই জ্বলি আছে। কাষতে থকা মানুহকেইজনক আন্ধাৰত মূৰ্তিৰ দৰে দেখাইছে। তাই একেথৰে চায়েই থাকিল। একোছাটি বতাহত নচুৰাব খোজা এঙাৰ কেইটুকুৰা পুনৰ ভমকৈ জ্বলি উঠিল।

চেলাইনৰ বটলৰ পৰা পানী এটোপ এটোপকৈ পৰি থকা মাজতে বন্ধ হৈ গ'ল। চৌদিশে পোনৰ কান্দোনৰ ৰোল ঠেকা খাই প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। সকলোৱে হিয়া উজাৰি কান্দিলে কিন্তু তাই কান্দিব নোৱাৰিলে। তাই কাযেদি আন এটা মৃতদেহ লৈ গ'ল তাই কেৱল নিথৰ তৈ চাই থাকিল। ❑❑

☺ তুমি যদি নিজৰ জীৱনটো ভালদৰে ৰচনা কৰিবলৈ শিকিছা, তেন্তে এখন ভাল কিতাপ ৰচনা কৰা মানুহজনতকৈ তোমাৰ কৃতিত্ব বহুগুণে বেছি। তুমি যদি জীৱনৰ শুদ্ধ পথটো বিচাৰি উলিয়াব পাৰিছা তেনেহলে তোমাৰ এই কৃতিত্ব সাম্রাজ্য আৰু মহানগৰ জয় কৰা মানুহজনতকৈ বহুগুণে বেছি।

— মিচেল দ্য মঁতাই

# গ্ৰন্থ, গ্ৰন্থাগাৰ আৰু পঢ়ুৱৈ

শ্ৰীমতী নীৰদা দত্ত
গ্ৰন্থাগাৰিক

জীৱ শ্ৰেষ্ঠ মানুহৰেই আন এক শ্ৰেষ্ঠ অৱদান হ'ল গ্ৰন্থ। কোনো এজন মানুহৰ মানসিক সৃষ্টিক স্থায়ীভাৱে ধৰি ৰখাৰ যি প্ৰচেষ্টা তাৰ ফল স্বৰূপেই গ্ৰন্থৰ জন্ম। একোজন মানুহৰ মানসিক প্ৰচেষ্ঠা আৰু কৰ্মৰ ফল স্বৰূপেই একোখন গ্ৰন্থই আত্মপ্ৰকাশ কৰে। এখন গ্ৰন্থৰ জন্মৰ ফলত গ্ৰন্থকাৰৰ যি মানসিক সন্তোষ্টি সেইয়া তেখেতৰ বাহিৰে যি দৰে আনে উপলব্ধি কৰিব নোৱাৰে সেই একেদৰেই এখন গ্ৰন্থ পঢ়ি পোৱা তৃপ্তিও পাঠক জনৰ বাহিৰে অন্য এজনে উপলব্ধি কৰিব নোৱাৰে। গ্ৰন্থই হ্‌ল একমাত্ৰ মাধ্যম যিয়ে এজন মানুহৰ জ্ঞান অভিজ্ঞতা পৰিকল্পনা আদিৰ বিষয়ে অন্য বহুতো জানিব পাৰে। গ্ৰন্থকাৰৰ অন্তৰৰ ভাৱ অনুভূতি লিখিত ৰূপতে প্ৰকাশ কৰি মানুহৰ মাজত গ্ৰন্থৰ জৰিয়তে বিলাই দিয়াতেই লিখক জনৰ মহৎ উদ্দেশ্য প্ৰকাশ পায়। গ্ৰন্থৰ সান্নিধ্যই মানুহক অনাবিল আনন্দ দিয়ে। ইয়াৰোপৰি অশান্তিৰে পৰিপূৰ্ণ হৈ জীৱনৰ বাটত দিক বিদিক হেৰুওৱা লোকেও গ্ৰন্থ অধ্যয়ন কৰি সঠিক পথলৈ ঘুৰি অহাৰ উদাহৰনো নোহোৱা নহয়। অন্যহাতে নিংসঙ্গ সময়ৰ একমাত্ৰ লগৰীয়াই হয় গ্ৰন্থ। সংকীৰ্ণ স্বাৰ্থৰ খাটিৰতে কোনো কোনো সময়ত অতি আপোন বন্ধুৱেও বিশ্বাস ঘাটকতা কৰিব পাৰে। কিন্তু কোনো কাৰণতে গ্ৰন্থই তেনে নকৰে। ইয়াৰোপৰি গ্ৰন্থ অধ্যয়নৰ পৰাই আমি পলকতে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ কৃষ্টি সংস্কৃতি সভ্যতা আদি বিভিন্ন জ্ঞানৰ লগতে পৰিচয় হব পাৰো সেয়েহে কোৱা হয় Books are the best source of going knowledge.

একোখন সমাজ বা একোটা শিক্ষা কেন্দ্ৰকে অনুষ্ঠানত এটা গ্ৰন্থগাৰৰ প্ৰয়োজন সকলো গ্ৰন্থপ্ৰেমী পাঠকে অনুভৱ কৰে। গ্ৰন্থগাৰৰ উদ্দেশ্যই হ'ল জ্ঞানৰ সংৰক্ষণ আৰু সংৰক্ষিত জ্ঞানে পাঠকৰ মাজত বিলাই দিয়া। বৈদিক যুগতো তেনে জ্ঞানৰ ভাণ্ডাৰ দেখা পোৱা যায়। ঋষিমুনি সকলেই ইয়াৰ প্ৰমাণ। জ্ঞান পিপাসুলোকে আশ্ৰম আৰু টোলত থাকি শিক্ষা আৰু জ্ঞান আহৰণ কৰিছিল। আশ্ৰম আৰু টোল বোৰেই একো একোটা গ্ৰন্থগাৰত পৰিণত হৈছিল।

প্ৰাচীন ভাৰতৰ যিবোৰ হস্তলিপি উদ্ধাৰ হৈছিল সেই লিপিবোৰ একগোট কৰি যি ঠাইত সংৰক্ষণৰ ব্যৱস্থা কৰিছিল সেই ব্যৱস্থাটোক "স্বৰস্বতী ভাণ্ডাৰ" তেনে ধৰণৰ আনএটা অনুস্থানৰ নাম হল "গন্ধীয়া ভঁৰাল" আহোম ৰজাৰ দিনত কনৌজৰ পৰা বছা বছা পণ্ডিত আনি ৰজাই সেইসময়ত যিবোৰ ঘটনা ঘটিছিল সেই সকলোবোৰ লিপিবদ্ধ কৰি ৰখাৰ দায়িত্ব দিলে। বুৰঞ্জী আকাৰে লিখা সকলো পুথি ৰজাৰ হাতত জমা দিছিল। এই বুৰঞ্জী বোৰক ৰাজ সম্পত্তি হিচাবে ধৰি ৰাজভঁৰালত জমা কৰি

ৰাখিছিল। এই ভৰাল কোনো অস্ত্র ভৰালো নহয় আৰু টকা পইচাৰ ভাণ্ডাৰো নাছিল, ই আছিল পুথিঁৰ ভঁৰাল। তেতিয়া আহোমৰ ৰাজধানী বিভিন্ন কাৰণত ৰংপুৰ, গড়গাও আদিলৈ স্থানান্তৰিত কৰিব লগা হোৱাত এই পুথিঁৰ ভৰালো সমানে স্থানান্তৰিত হৈছিল। এই পুথিঁৰ ভাণ্ডাৰটোক বোলা হৈছিল "গন্ধীয়া ভৰাল" আৰু যি জন লোকক এই ভৰালৰ তদাৰকী বিষয়া হিচাপে নিয়োগ কৰিছিল তেখেতক কোৱা হৈছিল "গন্ধীয়া বৰুৱা" আজিৰ গন্থগাৰ সেই গন্ধীয়া ভৰালেৰে নহয় আৰু গন্ধীয়া বৰুৱায়ে আজিৰ গ্ৰন্থাগাৰিক।

মানুহ সমাজপ্ৰীয়। সমাজ একোখন বৰ্ত্তি থাকিবৰ বাবে একোটা অনুষ্ঠানৰো প্ৰয়োজন। গ্ৰন্থ প্ৰেমী এচাম লোকে সেয়েহে গাওঁ পয্যায়তো একো একোটা গাৱঁলীয়া পুথিঁ ভৰাঁল স্থাপন কৰিছিল। অনেক গুণী জ্ঞানী লোকে কিতাপ আলোচনী আদিবোৰ একগোট কৰি সংৰক্ষণ কৰিলে ভৱিষ্যত প্ৰজন্মই অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিব পাৰিব এই কথা অনুমান কৰিব পাৰিছিল। গ্ৰন্থগাৰ বিজ্ঞানৰ পিতৃপুৰুষ ডব্লু এচ আৰ ৰঙ্গনাথনে গ্ৰন্থগাৰ সম্পৰ্কে এনেদৰে কৈছে "যি অনুস্থানে গ্ৰন্থ যোগান ধৰাৰ উপৰিও প্ৰকৃত পঢ়ুৱৈ সৃষ্টি কৰিব পাৰে তেনে অনুস্থানেই হল গ্ৰন্থগাৰ কবিগুৰু ৰবীনদ্ৰ নাথ ঠাকুৰে গ্ৰন্থগাৰক হিমালয় পৰ্বতৰ লগত তুলনা কৰিছিল। এজন পণ্ডিতৰ এষাৰ সোনসেৰীয়া বাক্য পঢ়া মনত আছিল (নামতো উল্লেখ কৰিব নোৱাৰিলো) "এখন জাহাজক যদি এটি শিক্ষানুষ্ঠান বুলি ধৰা হয় তেনেহলে সেই জাহাজখন চলাই নিয়া মেচিনটোৱেই হল গ্ৰন্থাগাৰ"। শিক্ষা ক্ৰম বিকাশৰ নলে লগে শিক্ষাকেন্দ্ৰীক অনুষ্ঠানবোৰত গ্ৰন্থগাৰ স্থাপনৰ বাবে গ্ৰন্থগাৰ বিধি প্ৰনয়ণ হ'ল। কিয়নো গ্ৰন্থাগাৰৰ অবিহনে একোটা শিক্ষানুষ্ঠানে পুনাঙ্গৰূপ পাব নোৱাৰে। জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগে লগে শিক্ষানুষ্ঠানত গ্ৰন্থাগাৰৰ ধাৰনাও সলনি হ'ব ধৰিছে। সাধাৰণ অৰ্থত কিছুমান কিতাপ, আলোচনী আৰু বাতৰি কাকত সজাই থোৱা গ্ৰন্থাগাৰ বৰ্ত্তমানে তথ্য কেন্দ্ৰলৈ (Information center) লৈ ৰূপান্তৰিত হৈছে। আকৌ এই তথ্য কেন্দ্ৰটোকেই কোৱা হয় "Heart of the Institution" এই Heart সদৃশ অনুস্থানটো স্থাপনৰ বেলিকা কোনো বিচক্ষন (Expart) লোকৰ দিহা পৰামৰ্শ অনুসাৰে সজোৱাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো এনে পৰামৰ্শ অনুযায়ী নহলে গ্ৰন্থৰ ভৱিষ্যত সুৰক্ষিত নহয়।

গ্ৰন্থগাৰত গ্ৰন্থৰ ক্ষতি কৰিব পৰা কাৰকবোৰৰ ভিতৰত (ক) পৰিবেশ কাৰণ (Environmental factor) আৰু (খ) জৈৱিক কাৰণ (Biological factor)

পৰিবেশ কাৰণ

(ক) দূষিত বায়ু ঃ- দূষিত বায়ুৰ পৰা ৰক্ষা কৰিবলৈ হলে গ্ৰন্থাগাৰ ভৱনটো বিশুদ্ধ বায়ু চলাচল কৰিব পৰাকৈ সুচল হব লাগিব। ইয়াৰ বাবে আহল বহল দৰজা আৰু খিড়ীকি থকাটো বাঞ্চনীয়।

(খ) অধিক উষ্ণতা (High temparature) আৰু আৰ্দ্ৰতা (Humidity) দুয়োটায়ে পৰিপুৰক হব লাগে। গ্ৰন্থৰ নিশ্চিত সুৰক্ষাৰ বাবে তাপৰ পৰিমান ২০-২৫° চেলচিয়াচ আৰু আৰ্দ্ৰতা হব লাগে ৫+৫৫%। অধিক উষ্ণতা (High temparature) অৱস্থাত আৰ্দ্ৰতা কমি (Low Humidity) গলে কিতাপৰ পৃষ্ঠাবোৰ ক্ৰমান্বয়ে হালধীয়া হবলৈ ধৰিব আৰু স্পৰ্শ কৰিলেই ভাগি যাব। অন্যহাতে আৰ্দ্ৰতা বেছিহলে কিতাপত ভেকুৰে আক্ৰমণ কৰিব ফলত কিতাপৰ গাঠনিবোৰ ঢিলাহে যাব। গতিকে গ্ৰন্থাগাৰ ভৱন শীত তাপ নিয়ন্ত্ৰিত ব্যৱস্থা কৰিব পাৰিলে ভাল।

(গ) পানী হ'ল পৰিবেশিক কাৰকৰ অন্যতম। প্ৰকৃতি প্ৰদত্ত বৰষুণৰ কাৰণে গ্ৰন্থাগাৰৰ চৌপাশ বুৰি থকা অৱস্থাত বহুত দিন থাকিলে গ্ৰন্থ সংৰক্ষণ কৰাত অসুবিধা হয়। সেয়েহে গ্ৰন্থগাৰ ভৱনৰ ভেটি ওখ হোৱাটো বাঞ্চনীয়।

(ঘ) জৈৱিক কাৰণৰ ভিতৰত ভেকুঁৰ বিভিন্ন গ্ৰন্থৰ কীট যেনে Fungus, Sitverfish, Book worm, Book liceৰ ওপৰিও পইটাচোৰা এন্দুৰ, নিগনি আদিয়েই প্ৰধান। গ্ৰন্থাগাৰৰ তাপৰ উষ্ণতা ২৭ - ৩৫° চেলচিয়াচৰ বেছি হলে আৰু আৰ্দ্ৰতা ৬৫% হয় তেতিয়া বিভিন্ন ধৰণৰ কীট পতঙ্গ আৰু ভেকুঁৰে আক্ৰমণ কৰে। অধিক আদ্ৰৰ্তাৰ কাৰণে কিতাপত ব্যৱহাৰ হোৱা আঠা জাতীয় পৰ্দাথবোৰক নিগনি পইটাছোৰা আদিয়ে খাদ্য হিচাপে লৈ কিতাপৰ অনিষ্ঠ সাধন কৰে।

গ্ৰন্থাগাৰ এটা পৰিপাতিকৈ চলাবৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰীক নিয়োগ কৰিব লাগে। গ্ৰন্থাগাৰ সেৱাৰ মনোভাৱেৰে তেওঁলোকে পাঠকক গ্ৰন্থাগাৰত সহায় কৰা উচিত। কৰ্মচাৰীৰ তৎপৰতাতে সঠিক কিতাপখন সঠিক সময়ত সঠিক পাঠক জনৰ হাতত তুলিদিব পাৰে। ইয়াৰোপৰি গ্ৰন্থাগাৰ বিজ্ঞানৰ প্ৰশিক্ষন থাকিলে অধিক সুবিধা হয়। শেহতীয়াকৈ সংযোগ হোৱা Automation প্ৰক্ৰিয়াৰ অন্তভূক্ত হোৱাত কম্পিউতাৰ জ্ঞান অনুপাতে তথ্যপাতিৰ যোগানেই হল গ্ৰন্থগাৰৰ উন্নতি।

গ্ৰন্থ আৰু গ্ৰন্থগাৰক সঠিক ৰূপত উপস্থাপন কৰা মাধ্যমনিয়েই হল পঢ়ুৱৈ অৰ্থাৎ পাঠক। পাঠক অবিহনে গ্ৰন্থগাৰৰ সৌন্দৰ্য্য ধৰি ৰখাটো অসম্ভৱ। গ্ৰন্থগাৰ বিজ্ঞানত প্ৰৱৰ্ত্তন কৰা পাঁচবিধ সূত্ৰৰ প্ৰথমটোৱেই হল "Books are for use" অৰ্থাৎ কিতাপ প্ৰতিজন পাঠকে কিতাপ পঢ়িব লাগে আত্মীয়তাৰে আৰু সম্ভৱ হলে সেই কিতাপৰ পৰা পোৱা ৰস আনকো দিবলৈ যত্ন কৰিব লাগে। কিন্তু অতি পৰিতাপৰ কথা যে এনে কিছু পাঠক আছে (সকলো নহয়) যি গ্ৰন্থ পঢ়াৰ আলমলৈ নিজৰ স্বাৰ্থ পুৰণ কৰিবৰ বাবে গ্ৰন্থৰ অৱয়ব বিৰ্দিন কৰি দ্বিতীয় এজন পঢ়ুৱৈৰ বাবে পঢ়াৰ পথ বন্ধ কৰি দিয়ে। আকৌ কোনো কোনোৱে কিতাপৰ শাৰীৰত কলমেৰে দাগ দি নতুবা আঁকি বাকি কিতাপৰ সৌন্দৰ্য্য নষ্ট কৰে। এনে পাঠক প্ৰকৃতাৰ্থত গ্ৰন্থপ্ৰেমী নে? কোনো কোনো পঢ়ুৱৈয়ে আন্তৰিকতাৰে পঢ়াৰ বিপৰীতে কোনো কোনোৱে গ্ৰন্থ এখন হাতত ৰাখি সময়ত সদব্যৱহাৰ কৰিব পৰাকৈ সময় পাৰ কৰে। এনে পঢ়ুৱৈৰ সংখ্যা নামত বাঢ়িলেও প্ৰকৃত পঢ়ুৱৈ অশান্তিৰ কাৰণ হৈ পৰে। এনে পঢ়ুৱৈ পৰিবেশৰ পৰা উদ্ধাৰ পোৱা একমাত্ৰ উপায় হয় Digital library ত E-learning ৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা। যিটো ব্যৱস্থাই কিতাপৰ সৌন্দৰ্য উপভোগ কৰাৰে পৰা বিৰত ৰাখিব। গতিকে আহক আমি সকলোৱে হাতত হাত ধৰি গ্ৰন্থাগাৰৰ উজ্জ্বল ভৱিষ্যত অখুন্ন ৰখাৰ বাবে আগবাঢ়ি যাওঁ ❑❑


1. Librarian ship in Assam in the new milleniumed by ---- Bhupen Goswami, -- 2000
2. Conservation of libray materials ------ Bhupen Goswami, -- 2000
3. অসমৰ ৰাজহুৱা গ্ৰন্থগাৰ আৰু গ্ৰন্থগাৰ বিধি শ্ৰী ৰমেশ চন্দ্ৰ গোস্বামী – পৃষ্ঠা ১৭৬.


ড ° ৰাধাকৃষ্ণণ

অতি সামান্য কামকো ঘৃণা কৰা উচিত নহয় যি মানুহে অতি সৰু কাম কৰে, তেওঁ ডাঙৰ কাম কৰাজনতকৈ অলপো সৰু নহয়। কৰ্ত্তব্যৰ ধৰণ দেখি নহয়, কৰ্ত্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰিব লাগে।

# সপ্তাচৰ্য — মাচু পিচু

মনোৰঞ্জন হাজৰীকা
স্নাতক ২য় বৰ

কুৰি শতিকাৰ প্ৰথম দশকৰ আৰম্ভণিতে আমেৰিকাৰ প্ৰখ্যাত ইতিহাসবিদ আৰু প্ৰত্নতত্ত্ববিদ হিৰাণ বিংহামে 'য়েল পেৰুভিয়ান এক্সপিৰিশ্যন' যুগুত কৰোতে স্পেন অভিযানকাৰীসকলৰ হাতত ধ্বংসপ্ৰাপ্ত হোৱা তথা ইতিহাস আৰু সকলোৰে স্মৃতিৰ পৰা হেৰাই যোৱা ইনকাসকলৰ ভিলকাবামবা নগৰখন বিচাৰি উলিওৱাৰ আঁচনি যুগুত কৰে।

যেতিয়া হিৰাম বিংহামে পেৰুৰ কুজকো নগৰৰ দুৰ্গম পাহাৰবোৰ অতিক্ৰম কৰি এটা বন্দৰত বাহৰ পতা সময়ত এজন ইনকা খেতিয়কৰ পৰা সম্ভেদ লাভ কৰে যে পাহাৰৰ নাতিদূৰত মেঘৰ মাজত অদৃশ্য হৈ আছে এখন অত্যন্ত সুন্দৰ নগৰ। প্ৰথমাৱস্থাত পৰ্বতটোৰ উচ্চতা আৰু বসবাস কৰাৰ কোনো সা-সুবিধা নথকা থিয় অঞ্চল এটাত এনে এখন নগৰী থকাৰ কথাটো বিশ্বাস কৰা নাছিল। কিন্তু খেতিয়কজনৰ কথামতে তেওঁ সেই পৰ্বতটোলৈ এক ভিযান চলোৱাৰ কথা থিৰাং কৰে।

অভিযান আৰম্ভ কৰি তেওঁলোক সমস্যাৰ সন্মুখীন হয়। প্ৰথমতে পৰ্বতটো আছিল অত্যন্ত থিয় আৰু দ্বিতীয়টো সমস্যা হ'ল তালৈ যোৱা পথটো সম্পূৰ্ণ হাবিৰে ঢাক খাই আছিল। তেওঁলোকে এই সমস্যা দুটালৈ দৃষ্টিগোচৰ নকৰি পাঁচদিন জুৰি হাবি ভাঙি ভাঙি এটা থিয় পাহাৰ বগাই তেওঁলোক উপস্থিত হয় সম্পূৰ্ণ হাবিৰে ঢাক খাই থকা এখন নগৰত। এয়া আছিল ১৮৩৩ শকৰ অৰ্থাৎ ১৯১১ চনৰ ঘটনা। ইয়াৰ পাছৰ বছৰত অৰ্থাৎ ১৯১২ চনত বিংহামে তেওঁৰ লগত এদল বনুৱাক লৈ পুনৰ সেই ঠাইত উপস্থিত হয়; আৰু সেই নগৰখনৰ হাবি-জংঘল আৰু আৱৰ্জনাবোৰ পৰিষ্কাৰ কৰে আৰু তেওঁ তাত আৱিষ্কাৰ কৰে এখন চকুৰোৱা ভূ-স্বৰ্গ। বিংহামে আৱিষ্কাৰ কৰা এইখন নগৰীয়েই হ'ল পৃথিৱীৰ অন্যতম সপ্তাচৰ্য মাচু পিচু। ইনকা ভাষাত ইয়াৰ অৰ্থ হ'ল 'পুৰণি হংস'।

এই ইনকা নগৰীখন সাগৰপৃষ্ঠৰ পৰা প্ৰায় হাজাৰ ফুট উচ্চতাত অৱস্থিত এটা থিয় দুৰ্গম পাহাৰৰ চূড়াত মাচু পিচু আৰু হুয়ানা পিচু নামৰ দুটা শৃংগৰ মাজৰ এডোখৰ সমতল ঠাইত গঢ়া হৈছে। নগৰখন যিহেতু পাহাৰৰ চূড়াত নিৰ্মাণ কৰা হৈছিল, সেইবাবে ইয়াত যথেষ্ট পৰিমাণে ডাঙৰ ডাঙৰ শিলৰ ব্যৱহাৰেৰে মাটিবোৰ সমান কৰিবলগীয়া হৈছিল। ইয়াৰ গাঁঠনি নিৰ্মাণ নিমজ আৰু মসৃণ আছিল যে বিংহামেও পোনপ্ৰথমে এই দৃশ্য দেখি স্তম্ভিত হৈ ৰৈছিল আৰু কৈছিল যে ইয়াৰ গাঁঠনি তথা নিৰ্মাণকাৰ্য আজিৰ দিনতকৈ বহুগুণেই শ্ৰেষ্ঠ।

মাচু পিচু নগৰীত প্ৰায় ১০০০ মানুহে বসবাস কৰিছিল। ইনকাসকলে সূৰ্য আৰু চন্দ্ৰক শ্ৰেষ্ঠ দেৱতা হিচাপে বিবেচনা কৰি নগৰখন বিভিন্ন ঠাইত তেওঁলোকে সূৰ্য-চন্দ্ৰৰ মন্দিৰ তথা মূৰ্তি নিৰ্মাণ কৰিছিল আৰু সূৰ্য ইনটি আৰু চন্দ্ৰ মামা কুইল্লাৰ পৰা উদ্ভৱ হোৱা কোনো সূৰ্যবংশী ৰজাৰ সন্তানে শাসন কৰিছিল। প্ৰৱাদ অনুসৰি এই নগৰখন বৰ্হিংশত্ৰুৱে আক্ৰমণ কৰিব নোৱৰাকৈ ইনকা ৰজা পাছাকুটিয়ে নিৰ্মাণ কৰিছিল। ১৫৩২ চনতে যেতিয়া শত্ৰু সৈন্যই ইনকাসকলৰ মূল ৰাজ্যত আক্ৰমণ কৰিলে তেতিয়া হেনো কোনো দৈৱিক শক্তিয়ে মাচু পিচু নগৰীৰ দুৱাৰ চিৰকালৰ বাবে বন্ধ কৰি দিছিল। এইদৰে দুটামান পুৰুষ পাৰ হৈ যোৱাৰ পাছত ই হাবি-বননিৰ মাজত হেৰাই গ'ল আৰু পৰৱৰ্তী অভিযানকাৰীসকলেও এই ঠাইডোখৰক অনুপযুক্ত ঠাই বুলি ইয়ালৈ অভিযান নচলালে। বিংহামে এই অভিযান নচলোৱা হ'লে হয়তো আজিও মাচু পিচুৰ নাম কোনেও নুশুনিলহেঁতেন।

মাচু পিচু এতিয়া এক আকৰ্ষণীয় পৰ্যতন স্থলীলৈ পৰিণত হৈছে য'লৈ নিত্য-নতুন হাজাৰ-হাজাৰ পৰ্যটকৰ আগমন ঘটে। পেৰুৰ চৰকাৰেই এতিয়া এই ঠাইলৈ যাতায়াতৰ সম্পূৰ্ণ সা-সুবিধাৰ প্ৰতি চকু দিয়ে। যিয়েই নহওক কিয় আমি হিৰাম বিংহামৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিব কাৰণ তেওঁ মাচু পিচু নগৰীৰ সম্ভেদ নিদিয়া হ'লে আজিও ই অজ্ঞাত হৈ থাকিলহেঁতেন। *(সহায় লৈ)* □□



# মুনীন শৰ্মা ছাৰৰ সৈতে অংশুমালী চেতিয়া

১) প্ৰশ্ন ঃ কানৈ কলেজত আপোনাৰ অভিজ্ঞতা?

উত্তৰ ঃ ডিব্ৰুগড় হঃ সুঃ কানৈ কলেজত ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈকে ছাত্ৰ হিচাপে থকাৰ সৌভাগ্য হৈছিল। এই কথা গৰ্বেৰে ক'ব পৰা যায় যে, সেই সময়ত কলা আৰু বিজ্ঞান উভয় শাখাতে বিভিন্ন ক্ষেত্ৰত প্ৰতিভাধৰ ছাত্ৰ-ছাত্ৰীৰ সান্নিধ্য পোৱা গৈছিল। বিজ্ঞানৰ ছাত্ৰসকলে সংগীত, সাহিত্য, কলা ইত্যাদিৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰাৰ লগতে সমান্তৰালভাৱে খেলা-ধূলা ইত্যাদিতো যথেষ্ট আগৰণুৱা আছিল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক আছিল যথেষ্ট ঘনিষ্ঠ। মন কৰিবলগীয়া কথা যে, সেই সময়ৰ ছাত্ৰ-ছাত্ৰীয়ে সমান্তৰালভাৱেই ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতেই সমানে গুৰুত্ব আৰোপ কৰাৰ কাৰণে তেওঁলোকে বহল সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰিব পাৰিছিল। অতি আগ্ৰহী কেইজনমানেতো একে সময়তে পাঁচ, ছটা ভাষাত সমানে ব্যুৎপত্তি অৰ্জন কৰি বিভিন্ন ক্ষেত্ৰত তাৰ সু-প্ৰয়োগ কৰা দেখা গৈছিল।

২) প্ৰশ্ন ঃ নাট্যকাৰ হিচাপে আপোনাৰ অভিজ্ঞতা?

উত্তৰ ঃ মোৰ প্ৰথম অভিজ্ঞতা হ'ল — এটা ছিৰিয়াছ নাট্যদলৰ লগত জড়িত নাথাকিলে নাটক ৰচনা কৰাৰ চিন্তা মনলৈ অহাটোৱে সম্ভৱ নহয়। তাৰ লগে লগে সামাজিক দায়বদ্ধতাৰ কথা নিজে নিজে আহি পৰে। মাথোন কলাৰ বাবেই কলাৰ চৰ্চা কৰাৰ প্ৰৱণতা মোৰ কোনোদিন হোৱা নাই। দ্বিতীয়তে, বঙলা আৰু ইংৰাজী নাটক অনুবাদ কৰি সেইবোৰৰ মঞ্চায়ন কৰাৰ পৰা নাট্য ৰচনা আৰু প্ৰযোজনা সম্পৰ্কে মোৰ কিছু কিছু ধাৰণা হোৱা আৰম্ভ হৈছিল। মই ব্যক্তিগতভাৱে ভাবো যে, বিদেশী ভাষা শিকাৰ ক্ষেত্ৰত আৰু নাট ৰচনাৰ কলা আহৰণ কৰাৰ ক্ষেত্ৰত যথাক্ৰমে Translation আৰু অনুবাদ তথা অভিযোজনাৰ কোনো বিকল্প নাই। নতুন প্ৰজন্মৰ প্ৰতি মোৰ এইটো এটা পৰামৰ্শ বুলি ধৰি ল'ব পাৰে।

৩) প্ৰশ্ন ঃ আপুনি বহু ঠাইত নাটক পৰিচালনা কৰিছে, বহু নাটক অনুবাদ কৰিছে, আপোনাৰ কেনেকুৱা অভিজ্ঞতা হৈছে? দৰ্শকৰ সহযোগিতা কেনেকুৱা?

উত্তৰ ঃ নাট পৰিচালনাৰ ক্ষেত্ৰত মই সদায়ে অভিনেতা অভিনেত্ৰীসকলৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰোঁ। নাট ৰচনাৰ ক্ষেত্ৰতো দক্ষ অভিনেতা-অভিনেত্ৰী তথা সাহিত্যিকসকলে আমাক শুদ্ধ পথেৰে আগুৱাই যোৱাত সহায় কৰি আহিছে। এখন নাটকৰ সৃষ্টি সমূহীয়া সৃষ্টি। ইয়াত পৰিচালকে মাথোঁ কিছু আঁক-বাক কৰি যাব পাৰে। নাটকৰ সৃষ্টি আৰু মঞ্চায়ন মোৰ বাবে সদায়ে এক ৰোমাঞ্চকৰ অভিজ্ঞতা। পিছে দৰ্শকসকলৰ সৰহভাগেই কেৱল নাটক চায়েই সন্তুষ্টি লাভ কৰা দেখা যায়। এক সুস্থ নাট্য আন্দোলন আৰম্ভ কৰাৰ বাবে দুটিমান মুষ্টিমেয় দলৰ বাহিৰে সৰহসংখ্যক দৰ্শকেই মাথোন নিষ্ক্ৰিয় দৰ্শকৰূপে থাকি তৃপ্ত হোৱা দেখা যায়। এমেচাৰ নাট্যদলবোৰৰ বাবে নাট্য প্ৰযোজনা আজিকালি এক প্ৰকাৰৰ মূৰৰ কামোৰণি হোৱা দেখা গৈছে। এই মূৰৰ কামোৰণি তেতিয়াহে যাব যেতিয়া, সাধাৰণভাৱে সমাজত এক নিৰ্মাণৰ ভাৱনাই গা কৰি উঠিব। কাৰণ সমাজ নিৰ্মাণৰ বাবে সাধাৰণ মানুহৰ চিন্তা-চৰ্চা, চেতনাৰ অগ্ৰগতি এক বিশেষ প্ৰাক্‌চৰ্ত। মোৰ ধাৰণা, হাইস্কুলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে ছাত্ৰ-চাত্ৰীসকলৰ মাজত শৈল্পিক চিন্তা-চৰ্চা আৰু কৰ্মকাণ্ড অতিকৈ প্ৰয়োজনীয়। যি বৰ্বৰ বিশৃংখলতাৰ বিপৰীতে এক শান্ত-সুস্থিৰ আৰু মানৱীয় মূল্যবোধেৰে পৰিপূৰ্ণ এখন আদৰ্শ সমাজৰ বুনিয়াদ গঢ় দিব পাৰে। চৰকাৰী তথা বৃহৎ ব্যৱসায়ী গোষ্ঠীসমূহৰ পৃষ্ঠপোষকতাত শিল্প-চৰ্চাও হ'ব পাৰে; কিন্তু তেনেবোৰ চৰ্চাই এখন সুস্থ সমাজৰ বীজ ৰোপণ কৰাত সহায়ক হ'ব নোৱাৰে বুলিয়েই মোৰ ধাৰণা। আধুনিক শিক্ষা ব্যৱস্থাই চাকৰি দিয়াত সহায় কৰিব পাৰে। কিন্তু মানুহৰ ভিতৰত অন্তৰাত্মাক সুষমভাৱে বিকশিত হোৱাত কিমান দূৰ সহায়ক হ'ব তাত মোৰ যথেষ্ট সন্দেহ আছে। পৰম্পৰাগত শিক্ষাই মানৱ জীৱনৰ মূল সমস্যাসমূহক প্ৰাথমিকভাৱে গুৰুত্ব দিয়া উচিত যাতে বিজ্ঞানসন্মতভাৱে, মানুহৰ সুকুমাৰ প্ৰবৃত্তি

সমূহে লহপহকৈ বাঢ়ি অহাৰ সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে।

৪) প্ৰশ্ন ঃ আজিৰ যুগৰ অসমীয়া নাটকৰ সম্পৰ্কে আপোনাৰ ক'বলগীয়া।

উত্তৰ ঃ আজিৰ যুগৰ নাটক বুলি কোৱাৰ লগে লগে প্ৰথমে মোৰ মনলৈ আহে জ্যোতিপ্ৰসাদৰ 'লভিতা' নামৰ নাটখনিৰ কথা। নাটখমিত বিষয়বস্তুৰ গাম্ভীৰ্য্য সামাজিক দায়বদ্ধতা তথা ৰচনাশৈলীত মই সদায়ে ব্ৰেখ্‌টীয় (Bertalt Brecht)ৰ নাট্যদৰ্শনৰ গোন্ধ পাওঁ। বহুতৰ মতে, তেখেতৰ 'কাৰেঙৰ লিগিৰী'খনেই শ্ৰেষ্ঠ নাট। কিন্তু মোৰ দৰে বহুতৰ মতে তেওঁৰ শ্ৰেষ্ঠ নাট্যকৃতি লভিতা। বোধহয় ১৯৭৬ চনত আমাৰ বিজয় সংঘই এই নাটখনি স্থানীয় ইণ্ডিয়া ক্লাৱ নাট্য মঞ্চত এই নাটখনিৰ তিনিটা প্ৰয়োযোজনা উপস্থাপন কৰে। তৎকালীন কানৈ কলেজৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই নাটক অংশ গ্ৰহণ কৰিছিল আৰু দৰ্শক হিচাপে ভিৰ কৰিছিল। তাৰে এটি আছিল মেটিনি শ্ব'। ফণী শৰ্মাৰ চিৰাজ, এমুঠি চাউল ইত্যাদিও অসমৰ মঞ্চত চিৰকালৰ বাবে অবিস্মৰণীয় হৈ ৰ'ব। শিশু নাটকৰ ক্ষেত্ৰত এখন যুগান্তকাৰী নাটক হৈছে অৰুণ শৰ্মাৰ 'প'ষ্টাৰ'। তেজপুৰৰ দীপক মহন্তৰ 'গজপুৰীয়া' নাটখনি এক অনুপম সৃষ্টি। উল্লেখযোগ্য যে, এই নাটকৰ কাহিনীভাগ ৰসৰাজ বেজবৰুৱাৰ চক্ৰধ্বজ সিংহৰ নাটখনিৰ গজপুৰীয়া নামৰ চৰিত্ৰটি আলমত গঢ় লৈ উঠিছে। মই নিজে ৰচনা কৰা চাৰিখন মৌলিক নাটকৰ ক্ষেত্ৰত 'সভ্যতাৰ সংকট' আৰু 'কোৰাছ' নামৰ নাট দুখনি দৰ্শকৰ সমাদৰ লাভ কৰা বুলি বহুতে ক'ব খোজে। আন দুখনি নাট হ'ল 'ৰূপান্তৰ' আৰু 'ব্যতিক্ৰম'। প্ৰয়াত নাট্যকাৰ মুনীন ভূঞাই কেইবাখনো নাট ৰচনা কৰি থৈ গৈছে আৰু সেইবোৰ ইতিমধ্যে পুথি আকাৰত ছপা হৈও ওলাইছে। ডিব্ৰুগড়ৰ প্ৰখ্যাত নাট্য পৰিচালক আৰু অভিনেতা দেউতি বৰুৱাই কেইবাখনিও সুন্দৰ পূৰ্ণাংগ একাংক নাট ৰচনা কৰিছে, যিবোৰৰ বেছিভাগেই এতিয়াও অপ্ৰকাশিত অৱস্থাতেই আছে। তেখেতৰ প্ৰযোজিত নাটসমূহ দৰ্শকে পাহৰিব নোৱৰা বিধৰ। উদীয়মান নাট্যকাৰ অসীম শৰ্মা আৰু সপোনজ্যোতি ঠাকুৰৰ (দেৰগাঁও) নাটসমূহে যথেষ্ট সম্ভাৱনাৰ ইংগিত বহন কৰে। সময়-সুযোগ পালে ভৱিষ্যতে অন্যান্য বিশিষ্ট নাট্য শ্ৰষ্টাসকলৰ সম্পৰ্কে দুআষাৰ লিখিবলৈ চেষ্টা কৰা হ'ব।

৫) প্ৰশ্ন ঃ কানৈয়ানসকলৰ প্ৰতি আপোনাৰ পৰামৰ্শ।

উত্তৰ ঃ আমাৰ পৰামৰ্শ আজিৰ যুগৰ ল'ৰা-ছোৱালীৰ বাবে কিমান গ্ৰহণযোগ্য হয় কোৱা টান কিয়নো, অতি দ্ৰুতগতিত মানুহৰ মানসিকতা আৰু মূল্যবোধৰ পৰিৱৰ্তন ঘটিব লাগিছে। তথাপি আমাৰ ধাৰণা মানুহ হৈ জন্ম ল'লে সম্ভৱত মানুহৰ দৰেই জীয়াই থাকিবলৈ চেষ্টা কৰিব লাগিব। আৰু এই ক্ষেত্ৰত দেশ-বিদেশৰ Classics সমূহ মনপুতি পঢ়া-শুনা কৰাৰ প্ৰয়োজন আছে বুলি ভাবোঁ। এটা বিষয়ত মোৰ কোনো সন্দেহ নাই যে জীৱনবোধৰ জ্ঞান সকলোৰে প্ৰাথমিকভাৱে আহৰণ কৰিবই লাগিব আৰু এই ক্ষেত্ৰত আমি অধ্যয়নৰ উপৰিও বিভিন্ন প্ৰান্তৰৰ মানুহৰ লগত আন্তৰিক যোগাযোগ আৰু সান্নিধ্য ৰক্ষা কৰি চলিব লাগিব। প্ৰকৃতিক পৰাভূত কৰি যান্ত্ৰিকভাৱে বিজ্ঞান আৰু প্ৰযুক্তিৰ শৰণাপন্ন হ'লে মানুহৰ জীৱন বেছি দীঘলীয়া নহ'ব বুলিয়েই মোৰ ধাৰণা। প্ৰতিযোগিতা নহয়, সহযোগিতাহে মানৱ জীৱনৰ জীৱনচৰ্যাৰ মূল প্ৰতিবাদ্য হ'ব লাগে বুলি মোৰ বিশ্বাস।

৬) বৰ্তমান আপুনি কেনেদৰে ব্যস্ত আছে?

উত্তৰ ঃ অৱসৰ গ্ৰহণৰ পাছত আমোলাপট্টিৰ নাট্যমন্দিৰৰ তিনিখন নাটক মঞ্চস্থ কৰাইছো। ফণী শৰ্মাৰ 'চিৰাজ', হোমেন বৰগোহাঞিৰ 'অন্তৰাগ' আৰু ফৰাছী নাট্যকাৰ Maliere ৰ 'The Would Be Gentleman' মোৰ দ্বাৰা অসমীয়ানুবাদ 'ম'ৰাছালি' এই তিনিখন নাটক আমোলপট্টি নাট্যমন্দিৰত মঞ্চস্থ কৰা হৈছে। বিজয় সংঘৰ সোণালী জয়ন্তী সমাৰোহ উপলক্ষ্যে মোৰ দ্বাৰা ৰচনা কৰা 'কোৰাছ' নামৰ নাটখন মঞ্চস্থ কৰা হয়। বৰ্তমান মই এনেদৰেই ব্যস্ত আছো। ▢▢

# ড° জয়কৃষ্ণ মহন্ত ছাৰ সৈতে অংশুমালী চেতিয়া

এটি সুন্দৰ পুৱা এটোপ এটোপ কৈ বৰষুণো দি আছিল । আমি প্ৰায় আঢ়ৈ ঘণ্টীয়া যাত্ৰাৰ অন্তত বাছৰ পৰা চবুৱাত নামি পুনৰ ৰিকাছাত উঠি ঠিকনাৰ নিৰ্দেশনাৰে গতিমুৰা হ'লো । অৱশেষত কেকুঁৰি এটাৰ পৰা গৈ দুটামান ঘৰ পাৰ হয়েই লক্ষ্যস্থানত উপনীত হ'লোগৈ । আলিকাষৰ পৰা অলপ দীঘল পদুলিৰ সেই ঘৰটোৰ গেটৰ সন্মুখত ৰৈ আছিল সৰল মৃদুভাষী তথা বিশিষ্ট ব্যক্তিত্বৰ অধিকাৰী আৰু আমাৰ অতি শ্ৰদ্ধা আৰু মৰমৰ প্ৰাক্তন অধ্যক্ষ মহোদয় ড° জয়কৃষ্ণ মহন্ত চাৰ । তেখেতে আমাক নিজে আহি আগবঢ়াই নিলে আৰু অতি সাদৰেৰে বহিবলৈ ক'লে । লগতে ছাৰে আহি আমাৰ খা-খবৰ ললে । তাৰ পাছত ছাৰক উদ্দেশ্য ব্যক্ত কৰি বহি পৰিলো বিভিন্ন বিষয়ৰ বাৰ্তালাপত আৰু তেখেতে সৰলতাৰে কৈ গ'ল অনৰ্গল ভাৱে এক দীৰ্ঘ আলাপ, জীৱন, সমাজ আৰু সাহিত্য ।



প্ৰশ্ন ঃ- আপোনাৰ জন্মস্থান আৰু শৈশৱৰ বিষয়ে দুআষাৰ মান ক'ব নেকি ?

ড° মহন্ত ছাৰ ঃ- মোৰ জন্মস্থান বিশাল ব্ৰহ্মপুত্ৰৰ মাজত থকা পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ, খোল ভোৰতাল, মৃদংগ নাম প্ৰসঙ্গৰে গমগমাই থকা সত্ৰীয়া সাংস্কৃতিৰ প্ৰাণকেন্দ্ৰ সত্ৰনগৰী স্বৰূপে পৰিচিত মাজুলী বনগাঁৱত । আচল ঘৰ যোৰহাটত যদিও দেউতাই কৰ্মসূতে মাজুলীত থকা বাবে আমিও প্ৰাথমিক শিক্ষা তাতে গ্ৰহণ কৰিছিলো । মাজুলী যিহেতু গাঁৱলীয়া ঠাই সেইবাবে মাজুলীবাসী আছিল সহজ সৰল । নগৰীয়া সভ্যতাই ঢুকি নোপোৱা প্ৰসিদ্ধ মাজুলীত পাৰ হৈছিল মোৰ শৈশৱটো অতি সুখ শান্তি আৰু হাঁহি ধেমালীৰ মাজত । ল'ৰালি বিশেষকৈ আজৰি সময়ত বৰশী বাইছিলো আৰু ফুটবল খেলিছিলো । আমাৰ স্কুলৰ লাইব্ৰেৰীটো যথেষ্টে পৰিমাণে ডাঙৰ আছিল আৰু তাৰপৰা মই বহুত কিতাপ পঢ়িছিলো । শৈশৱতেই মই, অতুলচন্দ্ৰ হাজৰিকাৰ পৰা আৰম্ভ কৰি ৰাছেলৰ গ্ৰন্থলৈকে অধ্যয়ন কৰিছিলো । মুঠতে ক'বলৈ গ'লে নাও চলাই, বৰশীবাই, বাহিৰা কিতাপ পঢ়িয়েই মই মোৰ শৈশৱটো পাৰ কৰিছিলো ।

প্ৰশ্ন ঃ- আপোনাৰ শিক্ষাজীৱনৰ আৰম্ভণি ক'ত হৈছিল আৰু শিক্ষাজীৱনৰ বিষয়ে দুআষাৰ ক'ব নেকি ?

ড° মহন্ত ছাৰ ঃ- মোৰ শীক্ষাজীৱন মাজুলিতে আৰম্ভ হৈছিল । তাৰ পাছত মই যোৰহাট জে.বি কলেজৰ পৰা বি.এ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ পাছ কৰো ।

প্ৰশ্ন ঃ- আপোনাৰ কৰ্মজীৱনৰ বিষয়ে দুআষাৰ ক'বনেকি ? এই ক্ষেত্ৰত আপুনি সুখী নে ?

ড° মহন্ত ছাৰ ঃ- ১৯৭৩ চনত স্নাকোত্তৰ পৰীক্ষাত উৰ্ত্তীণ হৈ কানৈ কলেজত সংস্কৃত বিভাগত অধ্যপনা আৰম্ভ কৰি ২০১০ চনত এইখন কলেজৰে পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰো ।

প্ৰশ্ন ঃ- বৰ্তমান প্ৰচলিত শিক্ষা পদ্ধতিৰ পাঠ্যক্ৰমৰ সাল-সলনি প্ৰয়োজনতাৰ কথা প্ৰায়ে শুনা যায় । এই ক্ষেত্ৰত আপুনি কি ভাৱে ?

ড° মহন্ত ছাৰ ঃ- বৰ্তমান প্ৰচলিত শিক্ষাপদ্ধতিৰ পাঠ্যক্ৰমৰ সাল-সলনিৰ যথেষ্ট প্ৰয়োজনীয়তা আছে । কিয়নো প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সকলো ধৰণৰ সাহিত্য পোৱাটো প্ৰয়োজনীয় । কিন্তু এটা লক্ষ্য কৰিব লাগে যাতে, শিক্ষাপদ্ধতি উচ্চ পৰ্য্যায়ৰ পৰা নিম্ন পৰ্য্যায়লৈ লৈ যাব নালাগে । অৱশ্যে ইয়াৰ লগতে মূল্যবোধ আৰু শিক্ষা পদ্ধতি দুয়োটা পৰি পূৰক হিচাপে থকাটো বাঞ্চনীয় ।

প্ৰশ্ন ঃ- বিদেশৰ শিক্ষা ব্যৱস্থাৰ লগত অসম বা ভাৰতৰ শিক্ষা পদ্ধতিৰ কিমান মিল বা অমিল বুলি আপুনি ভাৱে ।

ড° মহন্ত ছাৰ ঃ- বিদেশৰ শিক্ষা ব্যৱস্থাৰ লগত অসম বা ভাৰতৰ শিক্ষা পদ্ধতিৰ মাজত যথেষ্ট পাৰ্থক্য আছে । বিদেশৰ শিক্ষাবিৱস্থা

যথেষ্ট পৰিমাণে কাৰিকৰী শিক্ষা পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে । ইয়াৰ বিপৰীতে আমাৰ দেশত তাত্বিকতাৰ ওপৰত বেছি গুৰুত্ব দিয়া হয় । কাৰিকৰী বা তাত্বিকতাৰ 'দুয়োটা সদায় সমতুল্য হ'ব লাগে ।

প্ৰশ্ন ঃ- সমাজ এখনৰ প্ৰগতি বা বিকাশ সমাজৰে আৰ্থিক ভাৱে স্বচ্ছল আৰু শিক্ষিত ব্যক্তিসকলৰ ওপৰতেই নিৰ্ভৰ কৰে । এই ক্ষেত্ৰত কলেজ শিক্ষক সকলে দায়বদ্ধতা সঠিকভাৱে উপলব্ধি কৰি নিজৰ ভুমিকা পালন কৰিবলৈ সমৰ্থ হৈছে বুলি ভাবেনে ?

ড° মহন্ত ছাৰ ঃ- সমাজ এখনৰ প্ৰগতি বা বিকাশ সমাজৰ আৰ্থিকভাৱে স্বচ্ছল আৰু শিক্ষিত ব্যক্তিসকলৰ ওপৰতেই সম্পুৰ্ণৰূপে নিৰ্ভৰ কৰিব পৰা নাযাব। সেয়ে সমাজৰ প্ৰতিটো শ্ৰেণীক উচ্চ শিক্ষা প্ৰদান কৰা উচিত বুলি মই ভাবো । সমাজ এখনৰ চালিকা শক্তি হৈছে শিক্ষা । এই শিক্ষা আগবঢ়াই নিয়াত শিক্ষকসকলেই অৰিহণা যোগাইছে । শিক্ষকসকলেই সমাজ এখনৰ পথ প্ৰদৰ্শক আৰু এই ক্ষেত্ৰত শিক্ষক সকলে নিজৰ দায়বদ্ধতা সঠিকভাৱে উপলব্ধি কৰি নিজৰ ভূমিকা পালন কৰিবলৈ সমৰ্থ হৈছে বুলি মই ভাবো । কেৱল আৰ্থিকভাৱে স্বচ্ছল লোক সকলে সমাজ পৰিৱৰ্তন নকৰে । সমাজ পৰিৱৰ্তন পুব পৰিকল্পিত দৃষ্টিভংগীৰে অৰিহণা যোগায় ।

প্ৰশ্ন ঃ- আপুনি অসমৰ শিক্ষা বিভাগৰ দায়িত্ব ৫ বছৰৰ বাবে পোৱা হ'লে আপোনাৰ প্ৰথম প্ৰদক্ষেপ কি হ'লহেতেন ?

ড° মহন্ত ছাৰ ঃ- মোৰ মতে এইটো এটা সম্পুৰ্ণ কাল্পনিক প্ৰশ্ন । তথাপিও অসমৰ শিক্ষা বিভাগৰ দায়িত্ব যদিহে ৫ বছৰৰ বাবে পালোহেতেঁন তেন্তে মোৰ প্ৰথম প্ৰদক্ষেপ হ'ব প্ৰাৰ্থমিক বিদ্যালয় সমূহ জৰাৰ্জীণ অৱস্থাৰ পৰা উন্নতি সাধন কৰাৰ লগতে শিক্ষা বিভাগৰ সৈতে জড়িত সকলো কৰ্মচাৰীয়ে কৰ্মচাৰীয়ে নিজৰ নিজৰ কৰ্তব্যসমূহ সূচাৰু ৰূপে পালন কৰাটো এসপ্তাহৰ ভিতৰতে নিশ্চিত কৰা আৰু ইয়াৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা ।

প্ৰশ্ন ঃ- আপোনাৰ মতে অসমৰ ৰাজনীতিৰ এজন সফল নেতা কোন ?

ড° মহন্ত ছাৰ ঃ- মোৰ মতে অসমৰ ৰাজনীতিৰ এজনসফল নেতা তৰুণ গগৈ । কিয়নো তেওঁৰ চৰকাৰ হ'ল জনমুখী চৰকাৰ । তেওঁৰ চৰকাৰে শিক্ষা ব্যৱস্থাটো সুলভ কৰিছে । ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰতিযোগিতাৰ মনোভাৱ সৃষ্টি কৰিছে । কাৰণ প্ৰতিযোগিতা মুখী পৰিৱেশে শিক্ষা পদ্ধতিটো উন্নত কৰাত সহায় কৰে ।

প্ৰশ্ন ঃ- হোমেন বৰগোঁহাই দেৱে কৈছিল শ্বেইক্‌ছপীয়েৰৰ 'কিং লিয়েৰ' নাটকখন ছাত্ৰ-ছাত্ৰীয়ে পঢ়াটো অতি উচিত । আপুনি এনে কেইখনমান গ্ৰন্থৰ কথা কওঁক যিকেইখনে ছাত্ৰ-ছাত্ৰীৰ সত্বাক জোকাৰি জীৱনটোক শুদ্ধ পথেৰে চোৱাৰ হেপাঁহ জন্মাব ।

ড° মহন্ত ছাৰ ঃ- মোৰ বোধেৰে ছাত্ৰ-ছত্ৰীৰ জীৱনত প্ৰবাৰ এখন মহান গ্ৰন্থ হ'ল মহাপুৰুষ শংকৰদেৱৰ কীৰ্তন পুথি । শংকৰ দেৱৰ কীৰ্তন পুথি পঢ়িলে মানুহৰ মনত মানৱতাবোধ জাগি উঠে । গ্ৰন্থখনৰ অধ্যয়নে বিশ্বভাতৃত্ব গঢ়ি উঠাত সহায় কৰিব লগতে গ্ৰন্থখনৰ অন্তনিহিত ধাৰ্মিক বা আধ্যাত্মিক কথাখিনি পঢ়িলে সমাজ শৃংখলাবদ্ধ হ'ব । ছাত্ৰ-ছত্ৰীয়ে গ্ৰন্থখনৰ জৰিয়তে সাহিত্য সম্পদ, আধ্যাত্মিক সম্পদ আদি উপভোগ কৰিব পাৰিব আৰু জীৱনটোক শুদ্ধ পথেৰে চোৱাৰ হেঁপাহ জন্মাব ।

প্ৰশ্ন ঃ- আপোনাৰ শৈশৱৰ এনেকুৱা কিবা নষ্টালজিয়া আছেনেকি ? যিয়ে আপোনাক এতিয়াও আমনি দিয়ে ?

ড° মহন্ত ছাৰ ঃ- শৈশৱৰ নষ্টালজিয়া বুলি ক'বলৈ গ'লে মোৰ মনলৈ আহে গৰমকালি মাছধৰা আৰু বৰশীবোৱা দৃশ্যবোৰ । যি এতিয়াও মোৰ চকুৰ আগত ভাঁহি থাকে আৰু মোক আমনি দিয়ে ।

প্ৰশ্ন ঃ- মাজুলী অসমৰ সাংস্কৃতিক জীৱনৰ কেন্দ্ৰস্থল বুলি পৰিগণিত । তেনেকুৱা এখন ঠাইত ডাঙৰ দীঘল হওঁতে আপোনাৰ ওপৰত মাজুলীৰ সাংস্কৃতিৰ কিবা প্ৰভাৱ পৰিছিল নে ?

ড° মহন্ত ছাৰ ঃ- মুক্ত আৰু পবিত্ৰ সভ্যতাৰে পূৰ্ণ, যান্ত্ৰিকতাই ঢুকিনোপোৱা বিভিন্ন কৃষ্টিৰে ভৰপুৰ মাজুলিয়ে মোক মানুহক সহায় কৰিবলৈ মৰম কৰিবলৈ আৰু কাকো প্ৰতাৰণা নকৰিবলৈ শিকালে । সকলো মানুহকে সমানদৃষ্টিৰে চাবলৈ শিকালে ।

"মোৰ গাত যদি কোনোবাই অলপ হ'লেও সজ (সৎ) গুণ দেখা পাইছে তাৰ বাবে মই মাজুলীকে ধন্যবাদ দিব বিচাৰোঁ ।

প্ৰশ্ন ঃ- কানৈয়ান সকলৰ প্ৰতি দুআষাৰ ।

ড° মহন্ত ছাৰ ঃ- যিখন কলেজত জীৱনৰ বহু মধুৰ সময় পাৰ হৈ গ'ল তাক পাহৰি যোৱাটো মোৰ বাবে অসম্ভৱ কথা । কলেজখনক মোৰ জীৱনৰ এটা অবিচ্ছেদ্য অংগ বুলিয়েই মই ভাবো । সেয়ে কানৈয়ান সকলৰ প্ৰতি মোৰ অনুৰোধ —— তেওঁলোকে যাতে এনেকুৱা কাম নকৰে যি কলেজখনৰ মান-মৰ্য্যাদা ত আঘাত হানে । যদি তেওঁলোকে কিবা বেয়া কাম কৰে, ভাল ফলাফল লাভ কৰিব নোৱাৰে তেন্তে মোৰ নিজৰ ক্ষতি বুলি ভাবিম । কলেজখনৰ সুন্দৰ ৰূপত আগবঢ়াই নিবলৈ ঐকান্তিক প্ৰচেষ্টাৰ প্ৰয়োজন। ☐☐

# ড° উষাৰাণী বৰুৱা বাইদেউৰ সৈতে অংশুমালী চেতিয়া

ড° উষাৰাণী বৰুৱা বাইদেউৰ পৰা উত্তৰ আশাৰে

১) প্ৰশ্ন ঃ 'জুহালত গঢ়িলেহে কমাৰ শালিত গঢ়িব পাৰি" — কাঁনৈ মহাবিদ্যালয়ৰ আপুনি এক অনন্য ৰত্ন। আপুনি এই শিক্ষকতাৰ স'তে জড়িত হৈ পৰিম বুলি শৈশৱত ভাবিছিলনে?

উত্তৰ ঃ ১৯৭৪ চনৰ পৰা ২০১১ চন। এক সুদীৰ্ঘ সময়। শিক্ষকতাৰ দৰে এক পৱিত্ৰ বৃত্তিৰ স'তে এই সুদীৰ্ঘকাল জড়িত অৱশ্যে শিক্ষক মোৰ জীৱনৰ এক দুলৰ্ভ সম্পদ। শৈশৱতে অৱশ্যে শিক্ষক হোৱাৰ সপোন দেখা নাছিলো। কিন্তু ছাত্ৰ জীৱন শেষ কৰিয়েই শিক্ষকতা বৃত্তিত সোমাই পৰাৰ পিছত এয়া যে মোৰ সপোন নাছিল এই কথা এবাৰলৈও ভৱাৰ আহৰি নাপালো। শিক্ষকতাই মোৰ জীৱনৰ ব্ৰত হৈ পৰিল। এজন প্ৰথিতযশা শিক্ষাবিদ ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই কৈছিল — "শিক্ষকতা এক পবিত্ৰ যজ্ঞ কৰ্ম। শিক্ষকজন এই যজ্ঞকৰ্মৰ পুৰোহিত।"

শিক্ষকতাৰ পবিত্ৰ যজ্ঞকৰ্মত পুৰোহিত হ'ব পৰাকৈ যোগ্যতা কিমান আহৰণ কৰিছিলো নাজানো। কিন্তু নিজকে এই বৃত্তিৰে সৈতে একাত্ম কৰি ছাত্ৰ-ছাত্ৰীৰ মঙ্গলৰ বাবে আত্মোৎসৰ্গ কৰাৰ প্ৰয়াস অহৰহ কৰি আহিছিলো। সফলতা-বিফলতাৰ কথা ছাত্ৰ-ছাত্ৰীসকলেহে নিৰ্ণয় কৰিব পাৰিব।

২) প্ৰশ্ন ঃ আপোনাৰ শৈশৱৰ বিষয়ে অলপমান।

উত্তৰ ঃ শৈশৱ ! অ' মোৰ সোণালী শৈশৱ। মোৰ বুকুৰ নিভৃতত উমলি-জামলি থকা শৈশৱ। কেতিয়াবা চাহ গছৰ সেউজীয়াৰ মাজত লুকা-ভাকু খেলি, কেতিয়াবা পথাৰৰ বোকা-মাটিৰে জীপাল হোৱা সজাল ধৰা ধাননিৰ স'তে হালি জালি নাচি-বাগি মোক যে হাত বাউল দি মাতি থাকে মোৰ শৈশৱে। বয়সৰ আৱৰণ খুলি আকৌ ওভটি যাবৰ মন যায় শৈশৱৰ দিনবোৰলৈ। চাহ বাগিছা আৰু গাঁৱৰ উমাল পৰশেৰে জীপাল মোৰ শৈশৱ। দেউতা আছিল চাহ বাগিছাৰ কৰ্মচাৰী। চাহ বাগিচাৰ সমাজখন বিচিত্ৰ লোকৰ সমন্বয়ৰ সমাজ। বাগিচাত পাৰ কৰা শৈশৱৰ দিনবোৰ আছিল বহুৰঙী। পঢ়া-শুনা, খেলা-ধূলা, উৎসৱ-পাৰ্বণত আনন্দত উৰুলিপুঙা হৈ নাচি-বাগি ফুৰা, লগৰ লগৰীয়াৰ সৈতে আমলখি, অমৰা, বগৰি, জামু, শিলিখা বিচাৰি পিন্‌পিনাই ফুৰা দিনবোৰ যেন সৌ সিদিনাৰ কথাহে। কিন্তু তাতো আছিল দেউতাৰ কঠোৰ অনুশাসন। গধূলি দেউতা কামৰ পৰা অহাৰ আগে আগে আহি ঘৰ সোমাই মুখ-হাত ধুই পঢ়িবৰ বাবে সাজু হ'ব লাগিব। অন্যথা নিশ্চিতভাৱে দেউতাৰ হাতৰ চেকনিৰ কোব খাব লাগিব। সেয়ে গধূলি পঢ়াৰ সময়ৰ লৰচৰ নাছিল। কিন্তু পঢ়ি উঠাৰ পিছতেই দেউতাৰ কাষত বহি সাধু শুনাৰ আমেজো আছিল সুকীয়া। গৰমৰ দিনত আগচোতালত আৰু জাৰকালি জুইৰ কাষত বহি দেউতাৰ মুখৰ পৰা শুনিছিলো ৰামায়ণ, মহাভাৰতৰ কাহিনী, বুঢ়ী আইৰ সাধু, আৰব্য উপাখ্যানৰ কথা, পৰীৰ দেশৰ সাধু আৰু যে ক'ত কি? শৈশৱতে এইবোৰ কাহিনীৰ সৈতে দেউতাই পৰিচয় কৰাই দিয়াৰ বাবেই এইবোৰ পঢ়াপ প্ৰতি অদম্য হেঁপাহ গঢ় লৈ উঠিছিল। আৰু সেই সময়তেই বাহিৰা কিতাপ পঢ়াৰ অভ্যাস হৈছিল। সপ্তম শ্ৰেণীলৈকে বাগিচাত কটোৱাৰ পিছত মোক গাঁৱৰ ঘৰলৈ বৰদেউতাহঁতৰ লগত থাকিবলৈ পঠাই দিয়ে। বৰদেউতা বৰমাৰ বৰপুত্ৰ চাকৰিসূত্ৰে নগাপাহাৰলৈ আৰু সৰুপুত্ৰ এম, এ, পঢ়িবলৈ গুৱাহাটীলৈ যোৱাত তেওঁলোক অকলশৰীয়া হয়। সেয়ে মই বাগিচাৰ পৰা গাঁৱৰ ঘৰলৈ আহিব লগা হ'ল। গাঁৱৰ সমাজখন বাগিচাৰ দৰে নহয়। ইয়াত বাগিচাৰ দৰে বন্‌বনাই ঘূৰি ফুৰিবলৈ নিদিয়ে। তাতে মই নতুনকৈ গাঁৱলৈ অহাত মোৰ তেনে লগ-সংগো নাছিল। সেয়ে স্কুললৈ যোৱাৰ সময়খিনিৰ বাহিৰে পুৱা-গধূলি বৰদেউতাৰ লগত পথাৰলৈ যোৱা, নদীৰ পাৰৰ কঠিয়া তলীলৈ কঠিয়াৰ দিনত কঠিয়া চাবলৈ অন্য সময়ত বামখেতিৰ পাচলি চাবলৈ যোৱা কামবোৰে মোক বেলেগ আনন্দ দিছিল। তাতকৈ বেচি ভাল লাগিছিল বিভিন্ন সময়ত নদীৰ পাৰত ৰমক্‌জমক্‌কৈ ফুলি উঠা আজাৰ, সোণাৰু আৰু নাম নজনা হাবিত ফুলা বিভিন্ন ফুলৰ সমাৱেশবোৰ চাই। আবেলি স্কুলৰ পৰা আহি বৰদেউতাৰ লগত নদীৰ

পাৰৰ কঠিয়াতলী আৰু আমাৰ পুৰণা এবাবাৰীলৈ যোৱাটো মোৰ বাবে বৰ আনন্দদায়ক আছিল। তদুপৰি গধূলি জুহালৰ কাষত চাকিৰ পোহৰত বৰদেউতাই সুৰ লগাই পঢ়া মহাভাৰত, ভাগৱত আদিৰ সৰব শ্ৰোতা আছিলো মই। কিমান যে প্ৰশ্ন সুধিছিলো সেইবোৰ শুনি শুনি। বৰদেউতাই পৰাপক্ষত উত্তৰ দি বুজাই দিছিল। আৰু বৰকৈ সুধি থাকিলে পিছত নিজে পঢ়ি বুজি লবি বুলি কোৱা কথাষাৰে মোক এইবোৰ পুথি পঢ়িবলৈ প্ৰেৰণা যোগাইছিল। বাগিচাত থাকোতেই দেউতাই নিয়মীয়াকৈ লোৱা 'অসম বাণী', 'নতুন অসমীয়া' বাতৰি কাকতৰ উপৰিও অন্যান্য সাধু আদিৰ কিতাপ পঢ়াৰ অভ্যাস গঢ় লৈ উঠিছিলেই। এতিয়া গাঁৱৰ ঘৰত পালো ৰামায়ণ, মহাভাৰত, ভাগৱত-কীৰ্তন আদিৰ দৰে পুথি। মোৰ ককাইদেউ দুজনো আছিল সাহিত্যানুৰাগী। তেওঁলোকে গোটোৱা কিতাপ আলোচনীৰে আমাৰ গাঁৱৰ ঘৰ ঠাহ খাই আছিল। 'আৱাহন', 'ৰামধেনু' আদি আলোচনীৰ বাদেও অন্যান্য বিভিন্ন পুথি ঘৰতে আছিল। মোৰ বৰদেউতা আছিল অধ্যয়নপ্ৰিয় মানুহ। গধূলি সময়ৰ উপৰিও যেতিয়াই সময় পায় তেতিয়াই বৰদেউতাই কিতাপ পঢ়ি ভাল পাইছিল। ময়ো সময় পালেই বৰদেউতাৰ সমানে সমানে বহি লৈছিলো কিতাপ পঢ়িবলৈ। কিতাপ পঢ়াত আমি ইমানেই মজি গৈছিলো যে বৰমাই আমাক চাহ, ভাত খাবলৈ মাতি মাতি মাত নাপাই খঙতে বকিছিল — 'বৰদেউতাক, ভতিজী দুয়ো হাকিম-হাকিমনীৰ পৰীক্ষা দিব যেন পাইছো।' সি যি কি নহওক এই যে কিতাপ পঢ়াৰ অভ্যাস শৈশৱতে গঢ় লৈছিল সিয়ে পৰৱৰ্তী সময়ত মোৰ বৃত্তিগত জীৱনৰ বাবে সহায়ক হৈ পৰিছিল।

৩) প্ৰশ্ন ঃ আপুনি প্ৰথম এই মহাবিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে যোগ দিয়াৰ দিনা কেনে অনুভৱ হৈছিল? সেই সময়ত মহাবিদ্যালয়খনৰ সামগ্ৰিক অৱস্থা কেনে আছিল?

উত্তৰ ঃ মই ১৯৮২ চনৰ ১৬ ফেব্ৰুৱাৰীত কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰো। কানৈ কলেজ অসমৰ ভিতৰতে এখন আগশাৰীৰ কলেজ। এনে এখন নামজ্বলা কলেজত যোগ দিবলৈ পাই মই আনন্দিত হৈছিলো। তাতে কানৈ কলেজৰ অসমীয়া বিভাগত যতীন্দ্ৰ নাথ দুৱৰা, উপেন্দ্ৰনাথ গোস্বামী, তফজ্জুল আলি, পৰীক্ষিত হাজৰিকাৰ দৰে প্ৰথিতযশা লোকসকলে অধ্যাপনা কৰিছিল। মই চাকৰিত যোগদান কৰাৰ সময়ত কলেজৰ অধ্যক্ষ আছিল শ্ৰীযুত কল্যাণ কুমাৰ বৰুৱা চাৰ আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল ড° পৰীক্ষিত হাজৰিকা চাৰ। প্ৰথম অৱস্থাত চাকৰিত যোগ দিয়েই মই বিস্ময় সহকাৰে লক্ষ্য কৰিছিলো যে আবেলি ২ মান বজাৰ পৰা কলাশাখাৰ শ্ৰেণীকক্ষত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই কমি যায়। অৱশ্যে বিজ্ঞান শাখাৰ ক্ষেত্ৰত কথাটো প্ৰযোজ্য নহয়। মই ২.৩০ বজাৰ পৰা ৩.১৫ লৈ B. Sc. ৰ প্ৰথম বৰ্ষত গল্প পঢ়াইছিল। সেইটো শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ উপস্থিতিয়ে পঢ়ুৱাৰ এটা পৰিৱেশ দিছিল।

৪) প্ৰশ্ন ঃ আপুনি অসমীয়া বিভাগৰ মুৰব্বী পদৰ পৰা অৱসৰ ল'লে। আপোনাৰ কাৰ্যকালত বিভাগটোৰ কেনে পৰিৱৰ্তন লক্ষ্য কৰিলে?

উত্তৰ ঃ ২০০৩ চনৰ অক্টোবৰ মাহত মই কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বীৰ দায়িত্ব ল'ব লগা হয়। তেতিয়াৰ পৰা ২০১১ চনৰ ৩১ মাৰ্চলৈ এই গুৰুদায়িত্ব বহন কৰি চাকৰিৰ পৰা অৱসৰ ল'লোঁ। আমাৰ বিভাগত 'বেজবৰুৱা চ'ৰা' নামেৰে এটি সাহিত্য সংস্কৃতিৰ অনুষ্ঠান আছে। মই দায়িত্ব লোৱাৰ পিছতে বেজবৰুৱা চ'ৰাৰ উদ্যোগত অসমীয়া বিভাগে সাহিত্য অকাডেমীৰ লগত যোগাযোগ কৰি অকাডেমীৰ অৰ্থ-সাহাৰ্যৰে 'কথা সন্ধি' নামৰ গল্প সাহিত্য বিষয়ক আলোচনা চক্ৰ এখনি অনুষ্ঠিত কৰে। এই আলোচনা চক্ৰৰ মূল সমল ব্যক্তিজন আছিল অসমৰ স্বনামধন্য গল্পকাৰ, ঔপন্যাসিক আৰু সৰস্বতী বঁটা প্ৰাপক একমাত্ৰ অসমীয়া সাহিত্যিক ড° লক্ষীনন্দন বৰাদেৱ। সাহিত্য অকাডেমীৰ সেই সময়ৰ পূৰ্বাঞ্চলৰ যোগাযোগকাৰী সঞ্চালিকা হিচাপে ড° কৰবী ডেকা হাজৰিকা আৰু আলোচনা চক্ৰৰ উদ্বোধক হিচাপে ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই ইয়াত অংশ গ্ৰহণ কৰিছিল। মোৰ কাৰ্যকালতে অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰাৰ সৌজন্যত 'চিন্তা-বৈভৱ' নামৰ এখনি প্ৰবন্ধ সংকলন প্ৰকাশ কৰা হয়। ইয়াৰ পূৰ্বে কানৈ কলেজত কোনো এটা বিভাগৰ উদ্যোগত এনেদৰে প্ৰবন্ধ সংকলন প্ৰকাশ কৰা নাছিল। এয়ে প্ৰথম নিদৰ্শন। 'বেজবৰুৱা চ'ৰা'ৰ নামত অসমীয়া বিভাগত এটি পুথি ভঁৰালো আছিল। প্ৰথম অৱস্থাত বিভিন্ন জনৰ পৰা দান হিচাপে পোৱা পুথিৰে ভঁৰালটো প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিষ্ঠাৰ দিনৰে পৰা প্ৰায় একেখিনি কিতাপেৰেই পুথি ভঁৰালটো চলি আছিল। মোৰ কাৰ্যকালত পৰিকল্পিত আঁচনিৰে

প্ৰতিবছৰে নতুন পুথি কিনাৰ উপৰিও বিভাগৰ অধ্যাপকসকলে নিজাববীয়াকৈ পুথি দান দি পুথিভঁৰালটো টনকীয়াল কৰাৰ প্ৰচেষ্টা হাতত লোৱা হয়। মোৰ শিক্ষক হিচাবে বিশেষ সন্তুষ্টি লাভ কৰাৰ এটি কাৰণ হ'ল মোৰ কাৰ্যকালতে অসমীয়া বিভাগৰ প্ৰধান (Major) বিষয়ত ১ম শ্ৰেণী লাভ কৰি আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভাগটোৰ মৰ্যাদা বঢ়াই তোলে। ইয়াৰ পূৰ্বে অসমীয়া বিভাগৰ প্ৰধান বিষয়ত ১ম শ্ৰেণী কোনেও লাভ কৰা নাছিল। ২০১১ চনত আমাৰ বিভাগৰ ছাত্ৰই ১ম শ্ৰেণীৰ লগতে ডিষ্টিংচন লাভ কৰিবলৈয়ো সক্ষম হয়। মোৰ কাৰ্যকালৰ শেহৰফালে আমাৰ অধ্যাপক অধ্যাপিকা সকলৰ বিভাগীয় কক্ষটো নতুন কক্ষলৈ স্থানান্তৰ কৰা হয়। নতুন কক্ষত বিভাগীয় শিক্ষকসকলে নিজাববীয়া অধ্যয়ন, অধ্যাপনা আৰু লিখা-মেলাৰ যথেষ্ট সা-সুবিধা লাভ কৰিব। মোৰ সীমিত সামৰ্থৰে বিভাগটোৰ কায়িক আৰু মানসিক উৎকৰ্ষৰ বাবে কৰিব পৰাখিনি কৰিবলৈ যত্নৰ ত্ৰুটী কৰা নাছিলো। এই ক্ষেত্ৰত বিভাগীয় সহকৰ্মীসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মই সততে পূৰ্ণ সহযোগিতা পাইছিলো। তেওঁলোকক এইক্ষেত্ৰতে শলাগ জনাই থলোঁ।

৫) প্ৰশ্ন ঃ অৱসৰৰ সময়ত মহাবিদ্যালয়খনৰ বাবে আৰু কিছু কৰিবলৈ ইচ্ছা থাকি গ'ল নেকি?

উত্তৰ ঃ এজন শিক্ষকৰ মূল কৰ্তব্য আৰু প্ৰধান দায়িত্ব হ'ল ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা কৰা। অসমীয়াত এষাৰ নীতি বচন আছে 'পঢ়ে পঢুৱায় ৰোৱে পাণ। এই তিনিয়ে নিচিন্তে আন।' শিক্ষাদানৰ জৰিয়তেই শিক্ষকজনে মহাবিদ্যালয়খনলৈ নিজৰ সেৱা আগবঢ়ায়। মোৰ কাৰ্যকালত এইখিনি কৰ্তব্যৰ পৰা কোনোদিনেই বিচলিত হোৱা নাছিলো। সেয়ে পূৰ্ণ সন্তুষ্টিৰে মই মহাবিদ্যালয়ৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলোঁ।

৬) প্ৰশ্ন ঃ আজিকালি প্ৰায় দেখা যায় অসমৰ ছাত্ৰ-ছাত্ৰীৰ অসমীয়া বিষয়টোৰ প্ৰতি অনীহা ভাৱ প্ৰকাশ কৰে। ইয়াৰ প্ৰতিকাৰৰ উপায় কি বুলি ভাবে বা ইয়াৰ বাবে আপুনি কাক দোষাৰোপ কৰে?

উত্তৰ ঃ অসমীয়া বিষয়টোৰ প্ৰতি কোনো অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে যদি অনীহা প্ৰকাশ কৰিছে তেতিয়াহ'লে মই ক'ম সেয়া তেওঁলোকৰ জাতীয় চৈতন্য অভাৱজনিত অজ্ঞতা। এনে অজ্ঞতা আত্মক্ষয়ংকাৰী। তেওঁলোকৰ হৃদয়ত জাতীয় চেতনা জগাই তুলিব পাৰিলেই ইয়াৰ প্ৰতিকাৰ আপোনা-আপুনি হ'ব।

৭) প্ৰশ্ন ঃ অসমীয়া ভাষাটো বিষয় হিচাপে আমাৰ বিদ্যালয়ত শিকনৰ এটা বিজ্ঞানসন্মত কাৰ্যপন্থা আছে বুলি আপুনি ভাবেনে? যদি নাই, আপোনাৰ মতে কাৰ্যকৰী কাৰ্যপন্থা কেনে হ'ব লাগে?

উত্তৰ ঃ শিক্ষানুষ্ঠানসমূহত একোটা নিৰ্দিষ্ট বিষয়ত একো একোখন নিৰ্দিষ্ট পাঠ্যক্ৰম থাকে। সেই পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীয়ে বুজিব পৰাকৈ সহজ কৰি তুলিব পাৰে শিক্ষকজনে। প্ৰত্যেকজন শিক্ষকৰে স্বকীয় শিক্ষণ পদ্ধতি থাকে। এই শিক্ষণ পদ্ধতিত শিক্ষকজনৰ জ্ঞান, প্ৰতিভা আৰু ব্যক্তিত্বই প্ৰভাৱ পেলায়। মই ভাবো শিক্ষকজেন শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সৈতে সহৃদয় সম্পৰ্কৰে এটা পৰিৱেশ সৃষ্টি কৰি তেওঁলোকক বিষয়টোৰ সৈতে একাত্ম হ'বলৈ সুযোগ দিব পাৰিব লাগিব। এনে পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত বিষয়টোৰ প্ৰতি আগ্ৰহ জগাই তুলিব পাৰিলেই সফলতা লাভ কৰিব পাৰি।

৮) প্ৰশ্ন ঃ সততে প্ৰশ্ন উঠে, আজিৰ অসমীয়াই অসমীয়া ভাষাৰ শুদ্ধ প্ৰয়োগ আৰু শুদ্ধ উচ্চাৰণ নকৰে। ইয়াৰ পৰা উদ্ধাৰ পাবলৈ আপোনাৰ মতে কি কৰা উচিত?

উত্তৰ ঃ এইটো প্ৰশ্নোত্তৰৰ সৈতে ৬ নং প্ৰশ্নোত্তৰৰ সঙ্গতি আছে। লগতে এইষাৰ কথাও কওঁ যে যিকোনো এটা ভাষা শুদ্ধকৈ ক'বলৈ, লিখিবলৈ ব্যাকৰণ জনাটো প্ৰয়োজন। তদুপৰি অভিধানৰ যোগেদি আমি আমাৰ শব্দৰ শুদ্ধ উচ্চাৰণ, ইয়াৰ প্ৰয়োগ বিধিৰ বিষয়ে শিকিব পাৰো। অভিধানে আমাৰ শব্দ জ্ঞানৰ সীমাবদ্ধতাও দূৰ কৰাত সহায় কৰে। আচলতে ব্যাকৰণ আৰু অভিধান কেৱল পাঠ্যক্ৰমৰ প্ৰয়োজনত প্ৰয়োগ কৰাৰ পৰিৱৰ্তে নিয়মীয়াকৈ ইয়াৰ চৰ্চা কৰা উচিত। তেহে ভাষাৰ শুদ্ধতা ৰক্ষা কৰা সম্ভৱ।

৯) প্ৰশ্ন ঃ আপোনাৰ ব্যক্তিগত জীৱনলৈ আহোঁ। আপোনাৰ জীৱনকালত কোনজন লোকক আপোনাৰ আদৰ্শ বুলি গ্ৰহণ কৰিছিল বা আপুনি কাৰ পৰা অধিক অনুপ্ৰেৰণা পাইছে?

উত্তৰ ঃ একে আষাৰে কোনো এজন বিশেষ ব্যক্তিক মোৰ আদৰ্শ বুলি কৈ দিয়াত অসুবিধা আছে। জীৱন পৰিক্ৰমাৰ ভিন্ ভিন্ সময়ত ভিন্

ভিন্‌জনৰ আদৰ্শৰে মোৰ জীৱন চৰ্যা নিৰ্মিত।

১০) প্ৰশ্ন ঃ আপোনাৰ স্বামীগুৰু ড° প্ৰহ্লাদ কুমাৰ বৰুৱা ছাৰ অসমৰ এজন আগশাৰীৰ লেখক, সমালোচক। আপোনাৰ কৰ্মক্ষেত্ৰত তেওঁৰ প্ৰভাৱ কেনেদপে পৰিছে বুলি আপুনি ভাবে?

উত্তৰ ঃ হয় মোৰ স্বামী ড° প্ৰহ্লাদ কুমাৰ বৰুৱা এজন স্বনামধন্য শিক্ষাবিদ, এজন আগশাৰীৰ সাহিত্যিক আৰু এজন সু-বক্তা। মোৰ বিবাহিত জীৱনত এইজন পুৰুষৰ সৌহাৰ্যপূৰ্ণ প্ৰেৰণা অনস্বীকাৰ্য। মোৰ কৰ্মক্ষেত্ৰত ড° বৰুৱাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। বিবাহপূৰ্ব কালত মোৰ অতি সীমিত সংখ্যক লেখা বাতৰি কাকত আদিত প্ৰকাশ হৈছিল সঁচা। কিন্তু ড° বৰুৱাৰ সান্নিধ্যলৈ অহাৰ পৰা মোৰ কলমটো অধিক সক্ৰিয় হৈ উঠে তেখেতৰ পৰা পোৱা উৎসাহ উদ্দীপনাৰ বাবে। কেৱল সেয়াই নহয় তেখেতৰ সহজ-সৰল অথচ উচ্চ-জীৱনাদৰ্শৰ প্ৰভাৱতে মোৰো জীৱনে গতি লয়। মোৰ বৃত্তিগত জীৱনতো ড° বৰুৱাৰ আদৰ্শ প্ৰভাৱ স্মৰণীয়।

১১) প্ৰশ্ন ঃ এগৰাকী নাৰী হিচাপে আপুনি সংসাৰ দায়িত্ব পালন কৰিব লগা হৈছে। আপোনাৰ শিক্ষকতাৰ চাকৰিৰ বাবে সংসাৰ দায়িত্ব পালনত কিবা সমস্যাৰ সৃষ্টি হৈছিল নেকি?

উত্তৰ ঃ পুৰুষেই হওক অথবা নাৰীয়েই হওক সাংসাৰিক দায়িত্ব প্ৰত্যেকৰে থাকেই। তাৰ পৰা কোনো হাত সাৰিব নোৱাৰে। ময়ো তাৰ ব্যতিক্ৰম নহয়। তদুপৰি সমস্যা সকলোতে থাকে। সাংসাৰিক জীৱন আৰু বৃত্তিগত জীৱনৰ সামঞ্জস্য ৰক্ষা কৰিব জানিলে সমস্যাই আউল নলগায়। আৰু কেতিয়াবা আউল লগালেও তাৰ সমাধানৰ বাট বিচাৰি ল'ব জনাটোহে আচল কথা।

১২) প্ৰশ্ন ঃ আপোনাৰ কেইবাখনো প্ৰবন্ধ সংকলন প্ৰকাশ পাই জনপ্ৰিয়তা লাভ কৰিছে। আপুনি প্ৰবন্ধৰ উপৰিও আন কেনেদৰে সাহিত্য চৰ্চা কৰিছে বা ভৱিষ্যতৰ কিবা পৰিকল্পনা আছে নেকি?

উত্তৰ ঃ মোৰ ইতিমধ্যে প্ৰকাশ পোৱা পুথি কেইখন হ'ল — (১) সাহিত্য সম্ভাৰ, (২) প্ৰবন্ধৰ সঁফুৰা, (৩) প্ৰবন্ধ মল্লিকা আৰু (৪) হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা কৃতি আৰু কৃতিত্ব। তদুপৰি শিশু সাহিত্যৰ পুথি — (১) অকণিৰ শভকৰ-মাধৱ, (২) কীৰ্তনৰ সাধু আৰু (৩) কিতাপ পঢ়ো আহাঁ। চাকৰিৰ পৰা অৱসৰ লৈ এই বছৰতে দুখন গ্ৰন্থৰ পৰিকল্পনা কৰিছিলো কিন্তু বিভিন্ন কাৰণত গ্ৰন্থৰ আঁচনি কৰাতেই থমকি ৰ'ব লগা হৈছে।

১৩) প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় গ্ৰন্থ।

উত্তৰ ঃ মোৰ প্ৰিয় গ্ৰন্থ কি বুলি সুধিলে একে আষাৰে এইখনেই মোৰ প্ৰিয় গ্ৰন্থ বুলি ক'বলৈ অসুবিধা হয়। তথাপি বিভিন্ন সময়ত বিভিন্ন কথাই মনত খেলিমেলিৰ সৃষ্টি কৰিলে 'শ্ৰীমদ্ভগৱদ্ গীতা'ৰ কিছুমান কথাই মনলৈ প্ৰশান্তি আনি দিয়ে। সেই অৰ্থতে হয়তো 'গীতা' খনৰে নাম ল'ব পাৰো।

১৪) প্ৰশ্ন ঃ কানৈয়ানসকলৰ প্ৰতি আপোনাৰ ক'বলগীয়া।

উত্তৰ ঃ কানৈয়ান সকলৰ প্ৰতি ক'ব লগাকৈ মই নিজকে যোগ্য ব্যক্তি বুলি নাভাবো। সেয়ে স্বামী বিবেকানন্দৰ এষাৰ কথাৰে মোখনি মাৰিছোঁ — "Try to expand Remember the only sign of life is motion and growth."

□□□□

# "নষ্টালজিয়াৰ কানৈ কলেজ"

সৌৰভ গাৰ্গ
স্নাতক দ্বিতীয় বৰ্ষ

কানৈ কলেজ,
ডি. এইচ. এচ. কে. কলেজ মোৰ নষ্টালজিয়া;
নষ্টালজিয়া মোৰ
এম. ডি. কে কলেজৰ সন্মুখৰ জাকৈৰা হাঁহিৰ
জোৱাৰ।।
খিল খিল হাঁহিৰে উপচি পৰে ৰাজপথ।।
এইখিনিতে বহুজন হেৰুৱাই পেলায়
নিজস্ব ঠিকনা।।
সপোন সপোন মিলন সেতুঁৰ আলাপবোৰ।
দুচকুত অনৰবৰতে এখন ৰঙীন ছবিৰ আভাস
ছবিখন কানৈ কলেজ।
আমাৰ নিয়মীয়া আড্ডা
বইজ কমন ৰুম।
ক্ৰেমবৰ্ডৰ গুটিত আঙুলিৰ টোকৰ
কোনোবা ৰসিক বন্ধুৰ ভাঁহি অহা ভাস্য
"এই বিন্দচ মাৰিলি বে"
নতুবা দূৰৈৰ পৰা ভাঁহি অহা এটি চিনাকী গান
"বানাও বানাও, বানাও বানাও, বানাও, বানাও"
নষ্টালজিয়া মোৰ
গেলাৰী থ্ৰিৰ নিয়মীয়া আড্ডা
"ফকছিৰ" ৰজা মই।
বিজন, বীৰু, ৰুলেংগ, ডেভিদ নতুবা
ভাস্কৰৰ নামত
মই প্ৰায়েই চিএৰি কওঁ ক্লাছৰুমত
"ইয়েছ মেডাম"।।
আড্ডা জমি উঠে
কোনোবা হিৰইন আহিলে আমি গাও
আইটেম ছংগ
"মুন্নী বদ্‌নাম হুই দাৰলিং তেৰে লিএ"
লষ্টালজিয়া মোৰ




সোঁৱৰনিৰ পুথিভৰাঁল।।
কিতাপ জাপোতে কাৰোবাৰ চকুত চকু পৰা
একবিংশ শতিকাৰ প্ৰেম কাহিনী হওঁ হওঁ
কোনোবা লগৰ এজনেটো গায়েই শুনাই
"একবিংশ শতিকাৰ প্ৰেম কাহিনী"

# বৰষুণ

**দীপাঙ্কৰ কৌশিক শইকীয়া**
ষ্টেটিক বিভাগ বি,এচ.চি তৃতীয় বৰ্ষ

বহুত দিন হ'ল বৰষুণত নিতিতা ;
তুমি নথকা দিনৰ পৰা
বৰষুণত তিতিব এৰি দিছো ।

জানাই চোন, মই সৰুৰ পৰাই,
বৰষুণৰ পাগল প্ৰেমিক ।
এতিয়া ভাবি হাঁহি উঠে কেতিয়াবা,
কত যে, কি নকৰিলো,
বৰষুণত তিতাৰ বাবে
ক'ত কাগজৰ নাওঁ সাজি উটাইদিলো, বৰষুণৰ পানীত ।
বৰষুণত তিতাৰ বাবেই বিছনাতো,
পৰিব লগা হৈছিল জ্বৰ কাঁহত ।

ক'ত মাৰ গালি খাই যে,
পেট ভৰাই দিলো ।
তথাপিতো বহুত ভাল পাওঁ বৰষুণক ।

এতিয়া মাথো স্মৃতি হৈ আছে ,
মোৰ সেই হেৰাই যোৱা চিনাকি
আবেলিৰ, ল'ৰালি ধেমালি ।

সেইবাবে এতিয়া, প্ৰায়ে শুনো
জুবিন দাই, গোৱা সেই গানটো —
"টোপাল টোপাল বৰষুণে,
আহি চকুৰ পতাত চুমা সিঁচি দি যায় । . . . . . . . . . ." ।
সচাকৈ, বৰষুণে কত'যে, চকুৰ পতাত চুমা,
খাই, খাই চুমাৰে গোটেই গাল, মুখ
ওপচাই দিয়ে । . . . . . .
তুমি বাৰু কেতিয়াবা, বৰষুণত তিতি পাইচানে ???

যদি নাই পোৱা, তিতি চাবাচোন, এবাৰ ।
কিমান যে, মজা লাগিব ।

নহ'লে আহিবা এদিন
দুয়ো একেলগে তিতিম জুৰুলি-জুপুৰি হৈ !!

আহোঁতে পিন্ধি আহিবা,
তোমাৰ দুখ, বেদনা আৰু বিষাদেৰে ভৰপুৰ,
সেই ক'লা পোছাক জোৰ ।
বৰষুণত এবাৰ ধুই লব' পাৰিবা ।
আৰু খুলি পিন্ধি ল'বা,
মোৰ মৰম আৰু ভালপোৱাৰ
সুন্দৰ পোছাক জোৰ ।।

## দুখবোৰ


অংশুমালী চেতিয়া
স্নাতক তৃতীয় বৰ্ষ

মোৰ কেঁচা কলিজাৰ
কোষে কোষে
নিশব্দে খুপনি পুতি থকা
সেই দুখবোৰ ।
ই মোৰ কুমলীয়া কলিজাটোত চেপি খুন্দি মাৰে,
কেতিয়াবা গোটেই নিশা মোক কন্দুৱাই
আৰু কেতিয়াবা ই মোক
সান্ত্বনা দিয়ে ।
ই মোক কয় —
মোৰ অবিহনে তই বাৰু
জীয়াই থাকিবি কেনেকৈ ?
তই বাৰু মোৰ অবিহনে
কেনেকৈ উপলব্ধি কৰিবি সুখ ?

এতিয়া মই সুখ সুখ বুলি
নাখাওঁ হাবাথুৰি ।
সুখবোৰ মোৰ পৰা বহু নিলগত,
হয় বহু আঁতৰত ।
মই তাৰ কাষ চাপিব নোৱাৰো ।
কিন্তু এই দুখবোৰ,
ইহঁত মোৰ চিৰসংগী ।
হাত মেলিলেই মই
আঁজলি আঁজলি দুখকেই পাওঁ
দুখবোৰ আজলি পাতিলওঁ,
মৰমেৰে,
নাই, নাই .....
সুখ আৰু মোক নালাগে' কেতিয়াও ।
সুখ মই নিবিচাৰো,
কেতিয়াও .......... ।
দুখবোৰ মোৰ অতিকে আপোন ।
হয়তো ই কেতিয়াবা মোক
কন্দুৱাই, আঘাত দিয়ে আৰু জ্বলাই মাৰে
কিন্তু মই মোৰ দুখ কেইসোঁতাৰ
লগতে সুখী ।
বহু সুখী ।

## ক লেজীয়া আড্ডাৰ নষ্ট গদ্য

প্ৰাজ্বল প্ৰতীম শৰ্মা
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ




এমুঠি শব্দই সিঁচি যাই জোনাক
সেই জোনাকৰ নৈত বঠা বাও
চপ, চপ, চপ চপ ........
বসন্তৰ কুৰিতম মোহনালৈ
এতিয়াও এটি ঘাট বাকী
দুহাত মুষ্টিবদ্ধ
ছেলফত বন্দী লেখকৰ কীৰ্তি
দুৰণিৰ গাওঁৰ আকাশত
এতিয়া হয়তো পিতাইৰ ধুসৰ দৃষ্টি
আইৰ ঘোলাপৰা চকুত আশাৰ ৰেঙণি
ইন্টাৰনেটত জোৰদাৰ হৈ উঠে হাত
গুগুল . . . চাৰ্চ . . . Unemployment ......India ..... Assam
Result . . . . Display.......Crore......Lakh....
Huge problem . . . . Distress . . . .
কিমান দৰত বিক্ৰী হ'ব আমাৰ বিবেক, আমাৰ ডিগ্ৰী ?
কলেজ উদ্দাম, চিৰ যৌৱনা
কিন্তু আমাৰ যৌৱন ?
এক ধুম্ৰদণ্ড
জ্বলি জ্বলিও পোহৰাব পৰা নাই জীৱন
ধোৱা . . . . বিষাক্ত . . . . Injurious to health.

# দিচাং নষ্টালজিয়া মোৰ

সুমনা দুৱৰি
স্নাতক দ্বিতীয় বৰ্ষ

দিচাং, কেৱল এখন নদীয়েই
নহয় মোৰ বাবে ,
মোৰ নষ্টালজিয়া,
যাৰ বুকুত মই বহুতো ৰঙীণ,
কাৰেংঘৰ সাজিছো,
কিন্তু ! নিমিষতে ইয়াৰ
কোবাল পানীয়ে উটোৱাই
লৈ যায়, মোৰ এই বালিৰ কাৰেং
তথাপি অলপো দুখ নাই
মোৰ মনত,
ভাগি গৈছে, পুনৰ সাজিম ।
দিচাং,
যাৰ বুকুত বিচাৰি পাওঁ
মই এবুকু সঁচা ভালপোৱা
য'ত কোনো কৃত্ৰিমতা নাই ।
দিচাং,
তোৰ সৈতে পাৰ কৰা সময়বোৰে
মোক বৰ আমনি কৰে অ'
তোৰ বিশাল বুকুৰ জলৰাশিত
সাঁতুৰি সাঁতুৰি ভাগৰি নপৰো মই
পাঁও মাথো মিঠা আমেজ, স্নিগ্ধ মাদকতা
আৰু বিচাৰি পাঁও জীৱনৰ নতুন অৰ্থ ।
কিন্তু,
মই যে এতিয়া তোৰপৰা
বহুযোজন দূৰত ।
দিচাং,
বহুতো প্ৰেমিকৰ প্ৰেমৰ সাক্ষী তই
মনত কিবা যদি দুখ হয়,
তোৰ কাষত থিয় হ'লে দুখবোৰ
ধুলিৰ দৰে উৰি যায় ।
দিচাং,
নষ্টালজিয়া মোৰ



মোৰ সুখ- দুখৰ লগৰী ।
তোৰ পাৰৰ সোণাৰু ফুলিলে,
মোৰ মনটোও সোণাৰুবোৰৰ দৰে হালধীয়া হৈ পৰে।
দিচাং,
তই মোৰ সাহস আদৰ্শ
মোৰ জীৱন পথৰ সংগী ।
তোৰ কোবাল পানীৰ দৰে
মইও আগুৱাই যাব বিচাৰো
এটা সেউজীয়া মন লৈ ।

# সোৱণশীৰিৰ পাৰৰ মোৰ ঘৰখন

বেদান্ত বিকাশ গগৈ
স্নাতক ২য় বৰ্ষ

মনৰ হেপাঁহেৰে সোৱণশীৰিৰ পাৰত
এটি ঘৰ সাজো
আহ ৰহিলা ....
তয়ে ময়ে থাকিম
মৰমৰ এখনি চালি থাকিব ...
ভাৰপোৱাৰ এখন বেৰা থাকিব
তোৰ গালে মুখে উপচাই দিম স্পৰ্শ ।
সোৱণশীৰিয়ে উটুৱাই নিব নোৱাৰে ...
সোৱণশীৰিৰ বুকুত লীন নাযায়
আমাৰ ঘৰৰ শৈলুৱৈ, ঢেকীয়া গজা ভেটি ।
পৃথিৱীৰ শীতল কোলাত শুই
ৰাতি ৰাতি গণি থাকিম
আমাৰ বুটা বচা চালিখন ...
বৰষুণ আহিলে !
আহক বৰষুণৰ স্পৰ্শই
ভালপোৱাক পূৰ্ণতা দিয়ে ।
তয়েতো ৰহিলা মই কিবা কলে
বৰষুণ নিগৰাৰ ,
ঐ ৰাতিৰ ভাতসাজ সুখেৰে খাম ৰহিলা
কলিজাৰ ভালপোৱা জোল কৰি
হেপাহৰ মৰমৰ ঔ টেঙাৰে
পাৰ যদি অকণমান স্পৰ্শৰ পিটিকা
কৰি দিবি ।
তৃপ্তিৰে খাম সোৱণশীৰি পাৰত ৰাতিৰ
এসাঁজ ।।



# খিড়িকীৰ মাজেৰে ব্ৰহ্মপুত্ৰ

সঞ্জয় গগৈ
স্নাতক প্ৰথম বৰ্ষ

কলা 'ছা' সিপাৰে ক্লীবৰ ৰাজধানী
উটৰ ডিঙিৰ ছাঁ, মহানগৰীৰ স্বপিংমলৰ সেই জী ছাঁ
বৈশিষ্ঠ, নীলাচল, উমানন্দৰ সিপাৰে জ্বিলিকা মুক্তা-মণি
কত আছা তুমি চিৰচেনহী আই অসমীৰ, তুমি বসুধাৰ ৰাণী,
নীলকণ্ঠী শক্তিৰ জগৎজিৎপান কৰা কালকুট বিষ
আমাৰ বাবে যজ্ঞ - যাগৰ চিৰপ্ৰবিত্ৰ গঙ্গাজল
মজলিছ চন্দ্ৰতাপৰ তলত ধ্যাণামগ্ন যোগী
ধ্যাণত নবহে মন, অন্তহীন, অনুভূতি
বাৰতা বৃহৎ ফুৎকাৰত এস্ত ৰূপহ মূৰতি
মহাবাহু লুইত শঙ্খ বজাই
লংগ বুৰাব খোজে
দীপ্তিহীনা দুধাৰি অশ্ৰু ফেনে- ফুটুকাৰে বাহে
বীণা কাব্য, ৰুদ্ৰ গাথা
আ, হে কোন দিশে মোৰ আজন্ম সাদৰি সখা
কৈশোৰ ক্ৰমশ যৌৱন, প্ৰৌঢ, বৃদ্ধ
বুঢ়া লুইতৰ ভগা ঢৌত টোপনি মুকলি মাত্ৰ
খিড়িকী মেলি চাই আছোমোৰ লৰালিৰ ব্ৰহ্মপুত্ৰ
কেনি, কোন দিশে বৈ গৈ আছে চিৰচেনেহী
আই অসমীৰ হেপাঁহৰ ব্ৰহ্মপুত্ৰ
খিড়িকী সিপাৰে দেখা সন্ধ্যা অস্তাৰুণৰ আন এখন ভৰা ব্ৰহ্মপুত্ৰ।

## "ভালপোৱাত বিচ্ছেদৰ অনুভৱ"

বীথিকা কাশ্যপ
স্নাতক তৃতীয় বৰ্ষ

তোমাৰ মৰমৰ অবিহনে মোৰ জীৱন ব্যৰ্থ .........
ব্যৰ্থ মোৰ জীৱন, কাৰণ .................
আমাৰ অতীততে ৰচা সপোনবোৰ যে
সাৰ পাই উঠা কোনো আশা নাই ।
কিয় গুচিগ'লা তুমি ?
তুমি যে গ'লাগৈ
স্তব্ধ হৈ ৰৈ গ'ল
শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ বাটৰ যাতায়ত,
আজিও চাগে বনাই, তৃপ্তি ফাষ্টফুডত ম'ম'
কিন্তু..........
কিন্তু বহুদিনেই হ'ল তাৰে নোযোৱা
আমাৰ মৰম ভালপোৱাবোৰ কি এনেকুৱাই আছিল নেকি ?
গাৰ্লচ্ হোষ্টেলত কাৰেণ্ট গ'লে জ্বলোৱা,
মম বাতিৰ গলি যোৱা শিখাডালৰ দৰে ।
ক'ত নো গ'ল আমাৰ মৰম অনুভূতিবোৰ
শিৱদ'লত নে ষ্ট্ৰবেৰি আইচক্ৰীমৰ গলিযোৱা বাটিত ।
নে, ক'ৰবাৰ অচীন ঠাইৰ বালিৰ বুকুত ।
কাক ক'ম এতিয়া ................
আহা তুমি এবাৰ, তোমাক চাবৰ মন গৈছে,
অথবা ! .......
আজি লগৰ এজনীৰ বাৰ্থ ডে' আছে
গিফ্‌ট এটা আনি দিবা
কাৰ হাতত ধৰি বহি থাকি,
এটা মিঠা আবেলি পাৰ কৰিম
নেচনেল হাইৱেৰ মাজত ।
সঁচাকে আজিহে উপলব্ধি কৰিছোঁ,
কিমান দুখ ভালপোৱাত ..............
ৰৈ যায় মাথো,
অৰ্থহীন অনুভূতিবোৰ, মৰম চেনেহবোৰ
আৰু .............
আৰু এক অৰ্থহীন জীৱন
যাৰ কোনো প্ৰকাশিত ভাষা নাই ।



## এটি কবিটাৰ জন্ম কাহিনী


পৰশা গগৈ
স্নাতক প্ৰথম বৰ্ষ

যন্ত্ৰনাবোৰ ক্ৰমে কাষ চাপি আহিছে ।
তেতিয়াই এটি কবিতাৰ প্ৰসৱ বেদনাই
হৃদয়ত উকমুকনি লগায় ।
কিন্তু সি ভুমিষ্ঠ হ'বলৈ নাপায়
খলকনি লগাইছে মোৰ ৰক্তাক্ত হৃদয়ত
পাহি মেল খোৱা শব্দগাঁথাই প্ৰকাশ কৰিব নোৱাৰাত
কাঁইটৰ দৰে বিন্ধে
মোৰ তেজাল হৃদয়ত ।
আঃ কি যন্ত্ৰনা !
ৰেলৰ উকি বাঢ়ি অহাৰ দৰে
মোৰ হা- হুমনিয়াহবোৰ বাঢ়ি আহিছে,
তাৰ মাজত মোৰ কবিতাৰ অহা যোৱাৰ বাট স্তব্ধ হয়,
তথাপি
তথাপি,
এই শব্দমালাই ৰচে ফুলৰ মালিতা
ৰচা হৈ যায় জীৱনৰ কবিতা
ইয়াতেই জ্বলাব পাৰি জীৱনৰ শলিতা
হয়,
এনেকৈয়ে,
ঠিক এনেকৈয়ে
জন্ম হয় এটি কবিতাৰ ।

# অ' অচিনাকী বাটৰুৱা

দীক্ষামণি কুলি
স্নাতক তৃতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

অ' অচিনাকী বাটৰুৱা কিয় আহিছিলা
আপোন হ'বলৈ ?
নে আপোন হোৱাৰ অভিনয় কৰিবলৈ ......... ????
প্ৰেমৰ অভিনয়ো হয়নে
খেলাও কৰেণে কোনোবাই প্ৰেমক লৈ
মৰমৰ অভিনয় কৰিবলৈ মোৰ হৃদয়খনকেই যে মঞ্চ হিচাপে ল'লা
তোমাৰ প্ৰেমৰ অভিনয়ৰ সংলাপবোৰো
কিন্তু যথেষ্ট হৃদয় জুৰুৱা আছিল .........
কিয় আহিছিলা মৰমৰ বীজ সিচিবলৈ
মইতো তোমাক কোৱা নাছিলো
মোৰ মনৰ উকা পথাৰখন সেউজীয়া কৰিবলৈ
তোমাৰ মৰমবোৰ, অনুভৱবোৰ সচাঁয়ে অভিনয়ে আছিলনে ?
অনুভূতিবোৰ জানো খেলাৰ সামগ্ৰী ......
তোমাৰ মৰমক কি বুলি কম এতিয়া
প্ৰেম নে প্ৰতাৰণা নে চালনা
মোৰ থুনুকা হৃদয়ত আঁচোৰ দি গুচি গ'লা
ৰৈ গ'ল এটি মাথো কেচাঁ ঘাঁ, পুৰাব নোৱাৰা
তুমিয়ে আনিছিলা প্ৰেমৰ বসন্ত
তুমিয়ে দেখুৱাইছিলা জোনাকী ৰাতিত প্ৰেমৰ সপোন
আৰু এতিয়া তুমিয়ে দি গ'লা বিষাদৰ কালৰাত্ৰি
তুমি আচলতে প্ৰেমিক মোৰ প্ৰেমৰ কেতিয়াও নাছিলাই
আছিলা মাথো এজন বলিষ্ঠ অভিনেতা
যি প্ৰেমৰ অভিনয় কৰে
আচলতে ভুল মোৰেই আছিল
মৰুভূমিৰ মৰীচিকা খেদি গৈছিলো
দুটোপালমান গৰম চকুলোৰে তাকে অনুশোচনা কৰায়
প্ৰেম মানে অনুশোচনাও নহয় বোলে
কিন্তু কি কৰো, আমাৰ মাজত হেনো প্ৰেম নাছিলেই
আছিল মাথো তোমাৰ প্ৰেমৰ অভিনয়হে ...
তথাপিতো মই যে তোমাক ভাল পাইছিলো ...
Is there can be so realness in acting. I never thought that before..



# সময়

স্মৃতিৰেখা গগৈ
স্নাতক প্ৰথম বৰ্ষ

খৰস্ৰোতা নৈৰ গতিৰ দৰে
স্মৃতিৰ বাগিছাত সময়বোৰ সৰি পৰে
টোপোৰ, টোপোৰকৈ
আন্ধাৰত আচ্ছাদন ফালি
পুৱাই ভুমুকি মাৰিলে,
সূচনা হ'ল এটি নতুন দিনৰ ।
কিন্তু,
পল, অনুপল কৰি সিয়োওটো আগবাঢ়ি যাব
কিছুমান স্মৃতি এৰি থৈ ।
পুৱাটো দুপৰীয়া হ'ব,
নিশা আন্ধাৰৰ লগত বিলীন হৈ পৰিব
কেতিয়াও নাহে উভতি ।
পুণৰ আকৌ জন্ম হ'ব এটি নতুন আশা
সিও নিৰ্মলভাৱে আগবাঢ়ি যাব
প্ৰসৱৰ বেদনাত চটফটাব,
ভুমিষ্ঠ হ'ব এটি উজ্বল দিগন্ত ।
হয়, এনেকৈয়ে.......
এনেকৈয়ে পল - অনুপলবোৰ
আঙুলিৰ ফাঁকেদি সৰকি পৰিব ।

# তোমাৰ বাবে

ইন্দু কল্প দিহিঙীয়া
স্নাতক তৃতীয় বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

(অংকুৰ)
শব্দবোৰে প্ৰতিধ্বনীত বাধা দিয়ে
মই তোমাৰ মৌন হৃদয়ৰ পাৰত
মাথো মোৰ গান শুনো!
প্ৰতিধ্বনীত হোৱা।
তোমাৰ ঠেতোৱে ধৰা বুকু চাগে
মোৰ প্ৰেমৰ উমেৰেই উমাল
আৰু উমাল
মোৰ কবিহতাবোৰ,
তোমাৰ বুকুৰ উমেৰে।
তোমাৰ শব্দবোৰ মই সজতনে সাঁচি থওঁ,
নিশব্দতাত প্ৰতিধ্বনী শুনিবলৈ।
শব্দবোৰে নিশব্দতাক শব্দহীন কৰিব জানে।

(মুকুল)
মই ভাল পাওঁ তোমাক, পগলাৰ দৰে
পগলা বাবেই ভাল পাওঁ তোমাক
তুমি যে বোৱতী নৈ
বাধা দিয়াতো জানো মোৰ ভুল
তুমি বৈ গ'লেই যে,
মোৰ
হৃদয় উপত্যকাত বান আহে
গতিকেই ভাল পাওঁ তোমাক
পগলাৰ দৰে।
শ্যামলী শস্যৰ হাঁহি
বৈ অহা আকাশী গংগাৰ লয়লাস
মৌন উঠত, শব্দৰ সম্ভাৰ
আৰু এখন পাৰাপাৰহীন হৃদয়
মই প্ৰেমত নপৰাকৈ
থাকিব পাৰো জানো।



# তোমাৰ স্মৃতিয়ে

চম্পল সোনোৱাল
উঃ মাঃ প্ৰথম বৰ্ষ

পাহাৰৰ সেউজীয়া গছগছনিৰ মাজে মাজে খোজ কাঢ়ি
ব্যস্ততাৰ মাজতো কৰো চিন্তা
বহু বছৰ হ'ল হিয়াখন এৰি অহা
আৰু মোৰ আপোনৰ সুখবোৰ
তোমাক এৰি অহাৰ সময়ত তোমাৰ দুচকুৰ অশ্ৰুধাৰাই
বৰকৈ আমনি কৰিছে।
তোমাৰ স্মৃতিৰ বিশেষ বিশেষ মূৰ্হত্তবোৰ
............ মনলৈ পুৱা গধুলী
ন-ন পৰিকল্পনাৰে নিজকে প্ৰস্তুত কৰো
দেশ জয়ী হোৱাৰ স্বাৰ্থত
উপজা পৃথিৱী এৰি থৈ
নিজকো বিলীন কৰি এটা পাহাৰীয়া অঞ্চলত
কি যে দুখলগা এই স্মৃতি
সেই মাতৃভূমিৰ অপূৰণীয় সৌন্দৰ্য
চৰাই কল কলনীত শুনো মোহনীয় স্বৰ
নিশাৰ ভাগত বোৱতী পাহাৰৰ সৰু জুৰিটি
এটি নিৰ্ভাজ কৰুণ হাঁহি পাৰ হৈ যায়
তেতিয়া মনত পৰেমোৰ তোমালৈ।

# হৃদয়ত এক অসহ্য যন্ত্ৰনা

পৰাগমনি বুঢ়াগোহাঁই
স্নাতক প্ৰথম বৰ্ষ
ভূগোল বিভাগ

প্ৰতিটো নিবিড় নিশাৰ স্তব্ধতাৰ পৰত
তোমাৰ স্নিগ্ধ মুখ খনে বাৰে বাৰে আহে
মোৰ হিয়াৰ দাপোনত।
তোমাৰ অস্পষ্ট ছায়াই অপলক বিস্মীত কৰে,
এক অবুজ শিহৰণত কঁপে মোৰ হিয়া।
মুক্ত আকাশৰ নিলাভ আৱৰণতো দেখো
তোমাৰ অজলা-কজলা চাৱনিৰ চিকমিকনি,
ধুমুহাৰ বিক্ষোভ আলোড়নতো শুনো
কেৱল তোমাৰ নামৰেই পদধ্বনি।
নিতাল আন্ধাৰতো তোমাৰ পুলকিত নয়নে
হৃদয় আলোকিত কৰে,
ফুটা-নুফুটাকৈ বহু ভাষাৰ পাপৰি সৰে
কিন্তু ই কি নিষ্ঠুৰ দিঠক
সাৰটি ধৰিলে সুদূৰ দিগন্তলৈ উৰা মাৰে।
আজি হৃদয়ত কেৱল এটি অকাঙ্খিক আত্মীয়তা
যাৰ প্ৰতিটো বৰ্ণই কঢ়িয়াই আনে
তোমাৰ হৃদয়ৰ বতৰা।
অনুভৱৰ নিশাত ভাষাৰ বুৰ উঠে
যাযাবৰ অভিমান সোপাই হৃদয় জাগ্ৰত কৰে
যেন মৰুৰ তপত বালিৰ তলত
উত্তপ্ত পাষাণ-ৰাশিৰ প্ৰেমস্ৰোত উতলে।
হায়! এয়া বাৰু কিহৰ উন্মাদনা?
জুখি দেখুৱাবও নোৱাৰো মোৰ অনুভৱৰ গভীৰতা
বুজাবও নোৱাৰো হৃদয়ৰ বেঠা
লিখনিতো লাগে ভাষাৰ খোকোজা।
এয়াই নহয় জানো প্ৰেম ..............
যাৰ বাবেই হৃদয়ত এক অসহ্য যন্ত্ৰণা।



# আঘোণতে আহিব


তিলক ডেকা
(কলেজ কৰ্মচাৰী)

আপুনি গাঁও ভাল পায় নে?
গাঁৱলৈ নোযাৱা কিমান দি হ'ল?
গাঁৱৰ মাটিৰ সুবাস পাহৰিলে নেকি?
গাঁৱলৈ আহিবচোন এপাক,
পাৰিলে আঘোণৰ বতৰতে।
আপুনি অহা হলেই দেখিব
কুঁৱলীৰ বগা সাজ পিন্ধি
সেমেকা শীতৰ বোকোচাত উঠি অহা
শইচ সোণোৱালী আঘোণৰ পথাৰ ......।
চিক্ মিক্ কাঁচি, মুঠি মুঠ ধান........
গো-ধূলি উৰাৰ ক্ষণত মৰণাৰ ব্যস্ততা।
আপুনি অহা হলেই দেখিব
আঘোণৰ পথাৰৰ কোমল ৰ'দত বহি
নিমখ-জলকীয়া সনা ৰবাব টেঙা
খোৱাৰ মজা।
যদু-ৰহিমে আন্তৰিকতাৰে মাতিব
এডৰা কলপাতত অলপ টেঙা
আদৰে-সাদৰে দিব, নাখাও বুলি নকব,
বৰ দুখ পাব।
আপুনি অহা হলেই দেখিব
ন-ধানৰ চাউল
"গুৰুত এমুঠি ভকতত এমুঠি"
লগোৱাৰ পৰম্পৰা "ন-খোৱা" পৰব।

# "মই"

ফটিক নেওঁগ
(কলেজ কৰ্মচাৰী)

মোৰ জন্ম হ'ল যেতিয়াই,
মৃত্যুও হ'ল তেতিয়াই।
সততা, নিস্বাৰ্থতা আৰু ........।
মই জন্মৰ মুহূৰ্ততেই,
আন এটা শৰীৰৰ ৰস।
শুহি শুহি নিজৰ আকাৰ বঢ়ালো।
হৈ পৰিলোঁ অহংকাৰী
জীৱ শ্ৰেষ্ঠ মানৱ।
মানৱ হৈও মানৱক
শ্ৰদ্ধা কৰিব নোৱাৰিলোঁ।
আনৰ দুখত কান্দিব,
নোৱাৰিলোঁ।
আনৰ সুখত হাঁহিবও,
নোৱাৰিলোঁ।
ঈৰ্ষা, ঘৃণা, দম্ভ অহংকাৰে
নিজকে আৱৰি ৰাখিলো
অভিনয়ৰ সাজ পিন্ধি,
জীৱনৰ গতিপথ অতিক্ৰম কৰি,
উপনীত হলোঁহি মৃত্যুৰ দুৱাৰ দলিত।
আৰু মাত্ৰ এখোজ দিলেই,
মই মিলি যাম,
ঘোপ মৰা আন্ধাৰৰ মাজত।
আৰু মই কাকো নকৰোঁ আমনি,
মোৰ দ্বাৰা কাৰো নহ'ব হানি।
কাৰো বাবে মই নহও বোজা,
হয়তো তেতিয়াই মোৰ মৃত্যু হ'ব।
আৰু যেতিয়াই মৃত্যু হ'ব,
তেতিয়াই মোৰ জন্ম হ'ব।
সততা, নিস্বাৰ্থতা আৰু ........।



# স্বাধীনতা

শ্ৰীমতী প্ৰিয়ংকা দেউৰী
স্নাতক দ্বিতীয় বৰ্ষ

সাগৰত মিলি যাবলৈ
স্ৰোতস্বিনী নদীৰ যি বাসনা,
তোমাৰসতে মিলি যাবলৈ
মোৰ সেই বাসনা নাই,
প্ৰতিবছৰে তুমি আহি
পদুলিৰ মুৰত সোধা
কেনে আছা ?
কেনেকৈ শুনাওঁ বাৰু
ভঙা টোকাৰী মাত
স্বাধীনতা মানে কি ?
তিনি কুৰি চাৰি বছৰে,
মই বুজিও নুবুজিলোঁ
য'ত পদপিষ্ট হয়
ভোকাতুৰ জনতাৰ আৰ্তনাদ
ভূলুণ্ঠিত হয় স্বদেশ আৰু স্বজাতি
কিদৰে দেখুৱাওঁ তোমাক
মুঠি মাৰিব খুজিও
মেলা হৈ ৰোৱা মোৰ অক্ষম দুহাত ।

## MEMORIES WITH YOU

**Phoni Chakma**
B.Sc 3rd yrs
Botany Dept.

Unforgettable are those days,
Unforgettable are those moments
The way you surprise me,
The way you make me angry
But thats the way I love you to be
Your Innocent face is what I admire
Those moments were priceless when I was with you
The way you keep me busy
By telling me your long tales.
You were never bore . . .
That cute smile on your face
And those joves you used to say
I shall never forget you wherever you may
Now you are far away from me . . . . .
But your memories are always there with me .



## FAITH

***Himangshee Bailung***
*B.A. Part -III*

*When it breaks -----*
*Weak; is what it makes,*
*A smile for everyone*
*The way I treat.*
*Camauflage my pain*
*The tears in me that donot drain.*
*A long journey to travel*
*A wish from here to heaven;*
*An anguish of fire*
*That shines in breaking day _*
*Still, darkness in my whole way.*
*Hiding ache is might,*
*Then an the mightiest.*
*When it strikes*
*I treat it very well, with my smile.*
*Happiness is not what we get always,*
*A lesson for lifetime awaits -*
*With every moment of passage*
*Beholding the pain -*
*Is not something that,*
*Lifetime I have gained.*
*When faith breaks*
*Weak is what it makes -*
*A fake smile for everyone,*
*The way I treat.*
*Camouflege my pain,*
*The tears in me that donot drain.*

# IMPRESSIONS

## Nameless

Prateeti Chaudhury
B. A. 1st year
Deptt. of English

Nameless is without identity,
Nameless is anonymity.
Nameless is an unspoken rift,
Nameless is the direction of a drift.
Nameless is a smile in pain,
Nameless is a glare in disdain
Nameless is love and faith,
Nameless is betrayal and hate.
Nameless is a rule without authority,
Nameless is my entirety, my identity.

## WAR - its past, present and future



## If Only I could Dream

If only I could dream,
Then I would surely dream me
And I would dream myself to be free.
If only I could dream,
Then I would dream of a place
Full of peace and solace.
If only I could dream,
Then I would dream to see me
In a world without grime and full of trees,
If only I could dream,
I would dream of wings and a sky,
Without any bounds that makes me feel so high.
If only I could dream,
Then I would dream of a world with a vision
That follows rationality and reason.
But alas! cannot dream.
My dream to dream remains only a dream.
So I lay awake every night
And wait for someone to hear my plight.
And as I lay awake every night timidly,
With my eyes wide shut, I only dream of the reality.

## Madness in ambiguity

In the memory of my past,
Silence will last.
Peace shall be full of noises,
Voices shall be without choices.

I'll be devoid of reality,
Fading forever into obscurity
Adventure will fade,
Miseries shall become secure.
In my dreams of obscurity-
Orgies will lead to eternity,
Meditation will lead to insanity,
Fantasy will lead to reality,
And truth shall lose actuality.

## *In pieces*

There he cast his net again,
His hopes rising once again.
Just one more fish, he promised himself
And he would surely sell it,
Without thinking about his loss or gain.

He tugged it towards him
Just like a mother tugs a child,
Just like the greedy tugs for more,
Just like a lion tugs his prey to safety in the wild.

It was surely heavy,
Quite heavy for one fish,
What was it ? A shark?! A whale?!
Another forceful pull ....
It seemed to move an inch closer.
A shark? So slow ?
It must be something inanimate.

The idea shone bright in his mind,
His body : muscle, nerve and sinew
All merged into one and seemed to unite
His thought into that thing not in his view.
The sounds of his grunts were distinct in the air.
And in his mind were his pictures of him fine and fair.
Every tug made every picture clear
Every vision became less bizarre.
He could think no more of the object lying underneath
A vision from the future came before him,
He was fondling his wealth,
His very own discovery of a treasure.

More grunts.....
More food to eat than before

Another grunt....
More clothes to wear than before
A tug or two .....
A better house than before.
Another pull......
Kids are now happier than before.

Finally he catches his dream
pulls it closer.
The water slowly laps upon it
And it finally hits the shore.
A bead of sweat trickles down his head,
The rest he wipes out with his hand,
And looks down to see a stark white and pale cadaver
Staring blank into nowhere.

His visions and dreams turn surreal again,
His high hopes of a bright future-a distant thought yet again.
He falls down to the present, very perturbed
And the prick of the splinters of his dreams leaves him wounded.

He finally knows about his fall
and realizes that the fisherman is the biggest fish of them all.

## *The sanity of the insane*

I am condemned in the society
I am looked down upon
I have been set aside as an outcast by majority
I am left alone, all on my own.

I ask myself the reason-
The reason for such discrimination
I mumble words to myself
I debate and argue with myself.
I don't need anyone else
I am my own mind, my own self.

A vagabond I may be
But I still walk the streets proudly.
People point their fingers at me,
And "mad" is what they call me.
I nonchalantly pass by
Do not hear the passerby,
They look at me and run miles away from me.
I give a proud smile and tread along.

They look at me and turn their snobbish noses away.
But they, who pays heed to snobs anyway?

"Mad" is it ?
Is that how they recognize me?
Who says I am mad ?
Which insane claims me to be so ?
Is that how they use their sanity ?
Is that how they treat an intellect like me ?

I have seen their behavior when they see me
Husbands lay a protective arm around their wives,
Mothers hide their children away from me.
Everyone turns around and ignores me.
And those who are alone,
They seem terrified to even look at me.
Who are they terrified of ?
What do they see in me ?
I do not know.
I think they see themselves in me.
Maybe their ghastly inner self in me,
Or rather in my appearance probably.

But I do not care for their attentions,
I rather walk high and mighty among them.
At least they have used some of their reason.
At least they have identified themselves.
I never expected this much out of them.
But I must be quite contented that
They have at least seen inhumanity.

They think me to be a beast,
Am I so powerful ?
That those monsters think me to be their superior ?
I must be joyful
That I have excelled in something "humane" at least.

Mad, insane, lunatic, crazy,
Is that all they can call me ?
Just because I am different from the rest
Doesn't mean I have to pass their sanity's test.
Just because they are all duplicate,
Doesn't mean my uniqueness will go to waste.
I have to prove my worth and my respectability
For if I fail to do so, I shall lose my sanity.

## *The damned education*

Questions are the answers to your questions
Answers are just made up of shit.
Doubting is the way just to clear your doubts,
Finding results are an excuse.
If this lesson be taught in every school
If this concept was taught to every fool,

Then I guess education would be ruined,
Solid foundations would fall down,
We would be as we were earlier (intelligent)
But as they say, man was born intelligent,
But education ruined them
I guess this notion would be true then ....

Begin the new year with just one lesson
Sit in the exam hall next day
Brains get cramped due to all these tensions
Even little toddlers aren't spared away.
If this torture was stopped by powerful ones
If this method was banned by everyone,

Then I guess education would be enhanced
It would mean more than memorising
Knowledge would not be biased then....
If they would understand each kid's ability
And not force all this tyranny,
Education would be free for all then.

# 'অভিমন্যু'

ৰচনা ঃ- শ্ৰী প্ৰদীপ বড়া

=> মঞ্চৰ এটা চুকত এখন ভ্ৰাম্যমান দোকান । তামোল পাণ, চিপচ আদিৰে এখন সৰু দোকান । দোকানৰ কাষত এখন বেঞ্চ । সময় ৰাতিপুৱা । দোকানী ৰিদীপে ধুপ জ্বলাই দোকান খুলিছে । ধুপ জ্বলোৱা, তামোল পাণ যোগাৰ কৰা আদি যাৱতীয় কাম কাজ কৰি থাকোঁতে বিপৰীত দিশৰ পৰা অৰ্জুন সোমাই আহে । তাৰ হাতত বহী আৰু কলম । অৰ্জুনক দেখি ৰিদীপে হাঁহিৰে সম্ভাষণ জনায় । অৰ্জুন গৈ বেঞ্চখনত বহে । ৰিদীপৰ মনটো মৰি যায় । কিছুসময় পাৰ হোৱাৰ পাছত এজন যুৱক আহি দোকানলৈ যায় ।

যুৱক ১ ঃ- ৰিদীপদা তামোল এখন . . . ।

=> ৰিদীপে দিবলৈ লয় ।

যুৱক ১ ঃ- বাকীলৈ কিন্ত হাঁ . . . ।

=> ৰিদীপে কিছুপৰ যুৱকৰ মুখলৈ চাই থাকে ।

ৰিদীপ ঃ- বেয়া নাপাবা । এই মাত্ৰ খুলিছোঁহে । বহনি হোৱাই নাই ।

=> যুৱকে অৰ্জুনলৈ চায় । অৰ্জুনৰ সন্মুখত লাজ পায় সি গুচি যায় ।

=> ৰিদীপে অৰ্জুনলৈ চায় ।

ৰিদীপ ঃ- হেৰৌ দোকানখন সম্পুৰ্ণকৈ খুলিবলৈকে পোৱা নাই বাকী লাগেই । বাকী কেৱল বাকী । দোকানবোৰ যেনিবা বাকী দিম আহক বুলি ৰৈহে থাকে !

=> অৰ্জুনে ৰিদীপলৈ একেথৰে চাই থাকে ।

ৰিদীপ ঃ- হেৰা ডেকা ল'ৰা বহণি হওক বাকী খুজিম বুলি যদি তুমি ৰৈ আছা তেন্তে যোৱা । দিনটোত দহটা কাচ্টমাৰ অহিব তাৰে আঠটা বাকী । চলাবি ঘৰ দোকান দি ।

=> ৰিদীপে বকি বকি তামোল কাটি থাকে । অৰ্জুনে উঠি বিচাৰি বিচাৰি পকেটৰ পৰা এটকা এটা উলিয়ায় আৰু দোকানৰ ওচৰলৈ যায় । ৰিদীপে তাৰ কৰ্মকাণ্ড চাই থাকে ।

ৰিদীপ ঃ- এটকা দি পাঁচটকাৰ মাল নিম বুলি যদি ভাবিছা, তেনেহলে দোকানলৈ নাহিবা । তোমালোকৰ মতলব মোৰ জনা আছে ।

=> অৰ্জুনে টকাটো এটা বয়ামৰ ওপৰত থৈ আন এটা বয়ামৰ পৰা নিজে দুটা মটন লৈ পুনৰ বহেগৈ । সি মটন খায় ।

ৰিদীপ ঃ- অ' বুজিলোঁ । তোমাৰ তেখেতলৈ ৰৈ আছা । ৰোৱা ৰোৱা । নিজৰ নিজৰ 'গালফ্ৰেণ্ড' লৈ অপেক্ষা কৰিব পৰা ইমান ভাল ষ্টপেজ আৰু ক'ত পাবা । চাল্লা চব সুবিধাবাদী ।

=> অৰ্জুনে কেৰাহিকৈ ৰিদীপলৈ চায় ।

ৰিদীপ ঃ- প্ৰাৰ্থনা কৰাৰ সময়ত ধুপডাল নুমাই থাকোতেই মই বুজিছিলোঁ আজি নিশ্চয় কিবা নঘটিব লগীয়া ঘটিব । কিমান আৰু এইবোৰ লিলিম্বাই কৰি থাকিবা । কেতিয়াবা অঁকৰা খং উঠিব ভাঙি পেলাম দোকান - চোকান ।

=> এজন যুৱক অহি দোকনলৈ যায় ।

যুৱক ২ ঃ- তামোল, তিনিখন ।

ৰিদীপ ঃ- ছাৰৰ কাৰণে ?

যুৱক ২ ঃ- এখন নিজে ।

=> যুৱক ২ ওলাই যায় । ৰিদীপে অৰ্জুনলৈ চায় । সি অৰ্জুনৰ কাষলৈ আহি সোধে ।

ৰিদীপ ঃ- হেৰা, তুমি বোবা নেকি অ' ?

অৰ্জুন ঃ- নহয় ।

ৰিদীপ — ইয়াত এনেকৈ . . . ?

অ

অৰ্জুন ঃ- আপোনাৰ নামটো ক'ব নেকি ?

ৰিদীপ ঃ- আৰে পোনচাতেই নামতে ধৰিলা ? তোমাক অক' মোৰ নাম কিয় লাগে ? তুমি কোনোবা সাংবাদিক ? মহাবিদ্যালয়ৰন্মুখত চিগাৰেটৰ বেহা । এনেকৈ হয়তো ডাঙৰ ডাঙৰ হৰফেৰে খবৰ কাগজত বাতৰি চপাবা !

অৰ্জুন ঃ- মই তেনে কোনো নহয় । মই কলেজতে পঢ়ো । নামটো ক'ব ?

ৰিদীপ ঃ- তুমি ইয়ালৈ আহিছা কিয় ?

অৰ্জুন ঃ- আপোনাক চাবলৈ ।

=> ৰিদীপে সশব্দে হাঁহে ।

ৰিদীপ ঃ- তুমি পগলা নেকি ? এটা দোকানীক চাবলৈ তুমি ক্লাছ নকৰাকে ইয়াত বহি আছাহি ? মোৰ মাজতনো কি ডাল আছেহে চাবলৈ ? তুমি সচাঁকে পাগল নহয়তো ?

অৰ্জুন ঃ- পাগল নহয় । মই আছলতে আপোনাৰ বিষয়ে জানিব খোজো ।

ৰিদীপ ঃ- তুমি মোৰ বিষয়ে জানি কি কৰিবা ? গল্প লিখিবা ? নাটক লিখিবা । স্বাৰ্থপৰ চাল্লা । মই এটা জীয়া মানুহ । মোক কাহিনী কৰিবলৈ নাহিবা ।

অৰ্জুন ঃ- (উঠে) নমস্কাৰ । মোৰ নাম অৰ্জুন । অৰ্জুন বৰুৱা । মই এইখন কলেজতে পঢ়ো । আপোনাক মই এইখন কলেজলৈ অহাৰ দিন ধৰি দেখি আহিছোঁ । আগতে আপোনাৰ দোকানখন আছিল কলেজৰ গেটৰ আগতে । এতিয়া এইটো চুক পালেহি । মই নাজানো আন কোনোবাই আপোনাৰ এই অৱস্থা কিয় হৈছে তাক মনত ৰাখেনে নাৰাখে । মই ৰাখিছোঁ । এতিয়া ক'বলৈ সংকোচ নকৰোঁ যে আপোনাৰ জীৱনটোৰ প্ৰতি মোৰ অগাধ কৌতুহল জাগিছে । সেয়ে মই আপোনাৰ বিষয়ে জানিব খোজোঁ ।

=> ৰিদীপে বহু পৰ আচৰিত হৈ অৰ্জুনৰ মুখলৈ চাই থাকে ।

ৰিদীপ ঃ- আচৰিত, সাংঘাটিকভাৱে আচৰিত কৰিলা মোক ।

অৰ্জুন ঃ- আপুনি আচৰিত হোৱাটো স্বাভাৱিক ।

ৰিদীপ ঃ- কেৱল মই নহয়, যিকোনো মানুহেই আচৰিত হব । তোমাৰ দৰে মানুহ জীৱনত মই এয়ে প্ৰথম লগ পাইছোঁ । বাৰু কোৱাচোন কিনো এনে বৰ বিশেষ কথাটো হ'ল যে তুমি মোৰ বিষয়ে জানিবলৈ আহিলা ?

অৰ্জুন ঃ- মোৰ অনুমানৰ ভিত্তিত মই আপোনাৰ বিষয়ে কিছুমান কথা কল্পনা কৰি লৈছোঁ । চাব খুজিছোঁ মোৰ অনুমান কিমান দুৰ সঁচা ।

ৰিদীপ ঃ- তুমি মোৰ বিষয়ে কি কি বিষয়ত অনুমান কৰিছা কোৱা ।

অৰ্জুন ঃ- নামটো আৰু ঠিকনাটোৰ বাহিৰে সকলো ।

ৰিদীপ ঃ- তাৰমানে তুমি ক্লাচ নকৰা ।

অৰ্জুন ঃ- এইটো ক্লাচ মোৰ নাই । আপোনাৰ নামটো ?

ৰিদীপ ঃ- এতিয়া মই তোমাৰ আগত ইন্টাৰভিউ দিম নে দোকান দিম ?

অৰ্জুন ঃ- মই জানো ক্লাচ চলি থকাৰ সময়ত দোকানলৈ কোনো নাহে ।

ৰিদীপ ঃ- আহিবওতো পাৰে ।

অৰ্জুন ঃ- আপোনাৰ নামটো ?

=> ৰিদীপে কিছুদেৰি অৰ্জুনৰ ফালে চাই থাকে ।

ৰিদীপ ঃ- ৰিদীপ । ঘৰ গোলাঘটত । এতিয়া কোৰা ।

অৰ্জুন ঃ- কি ?

ৰিদীপ ঃ- মোৰ বিষয়ে কল্পনা তুমিহে কৰিছা ।

অৰ্জুন ঃ- নহয়, শুনিম আপোনাৰ পৰা । কেৱল আপোনাৰ কথাখিনি মোৰ অনুমানৰ সতে মিলিছেনে নাই চাম ।

=> ৰিদীপে উঠি যায় । সি গহীন ।

ৰিদীপ ঃ- কেতিয়া জীৱনটোৱে নভবা দিশেৰে গতি কৰে । মইও ভবা নাছিলোঁ যে মোৰ জীৱনটো এটা দিঘলীয়া কাহিনী হৈ পৰিব । প্ৰতিবাৰেই মই এই সমাজ নামৰ 'চিচটেম'টোৰ ওচৰত বৰ বেয়াকৈ হাৰি যাওঁ । এইয়ে সমাজ নামৰ জটিল পদ্ধতিটো, এচাম মানুহক ওপৰৰ পৰা আৰু ওপৰলৈ লৈ গৈ থাকে আৰু আমাৰ দৰে এচাম মানুহক চেপি খুন্দি মোহাৰি শেষ কৰি নিয়ে ।

অৰ্জুন ঃ- সমাজ পদ্ধতিৰ ওপৰত আপোনাৰ দেখিছোঁ বহুত খং ।

ৰিদীপ ঃ- যিখন সমাজে কিছুমান পুৰণিকলীয়া নীতি নিয়মকে সাৰতি থাকি এচম মানুহক ডাইনীৰ নামত হত্যা কৰে, যিখন সমাজে মানুহক সমমৰ্যাদা দিব নেজানে, তুমি কেনেকৈ সেইখন সমাজক ভাল বুলি ক'বা ? কোনো শিশুয়েই দিনে পঞ্চশ টকাত বিক্ৰী নোহোৱা দোকান এখন দিম বুলি পৃথিৱীলৈ নাহে । অৰ্জুন ঃ- মই জনাত আপোনাৰ দোকানখনতো ঠিকেই চলি আছিল । কিন্তুএতিয়া বিজুটিটো ক'ত ?

ৰিদীপ ঃ- মই তোমালোকৰ কলেজ ৰ গেটৰ আগত দোকান দিলে তোমালোকৰ কলেজৰ সৌন্দৰ্য্য হানি হয় । (তাচ্ছিল্যৰ হাঁহি ) - তোমালোকৰ দৰে এচাম যুৱকে মোৰ দোকানখনকতো আড্ডাৰ চেন্টাৰ কৰি ললে । সেইবোৰ কাৰণতে মই তোমালোকৰ কলেজৰ গেটৰ কাষৰ পৰা খেদা খালোঁ । গেটৰ কাষৰ পৰা আহি সৌ কেন্টিনৰ সন্মখ, তাৰ পৰাও খেদা খালো পাণ দোকানী ৰুবুলৰ পৰা । এতিয়া দেখিছাই এয়া ইয়াত য'ত ৰিদীপ দোকানীৰ এদিনৰ বিক্ৰী পঞ্চশ টকা মাত্ৰ ।

অৰ্জুন ঃ- আপোনাৰ পৰিয়ালত কোন কোন আছে ?

ৰিদীপ ঃ- তুমি দেখিছোঁ মোক সচাঁকৈয়ে ইণ্টাৰভিউ লৈহে এৰিবা ।

অৰ্জুন ঃ- নহয় দৈনিক এশ টকাত বিক্ৰী নোহোৱা দোকানখনেৰে অজিৰ দিনত এটা পৰিয়াল চলোৱা কিমান কষ্টকৰ বুজিব পাৰিছোঁ ।

ৰিদীপ ঃ- তুমি আচৰিত হ'বা, এই সৰু দোকানখনে মুঠ চাৰিটা প্ৰাণীক চলাই থাকিব লগাত পৰিছে । অৱশ্যে তোমাৰ বৌয়েৰাই দুই এঘৰত কাম কৰি কিছু অৰ্জন কৰে । স্ত্ৰীয়াইতো থাকিবই লাগিব । যদি মোৰ দোকানখনে আৰু অলপ উন্নতিৰ দেখিলেহেঁতেন সুখী হলোহেঁতেন । তাকো আক বাকী খোৱাকেইটাই হবলৈ নিদিয়ে । অসমীয়াক এনেয়ে কেকোঁৰা বুলি নকয় দেই ।

অৰ্জুন ঃ- আপোনাৰ পৰিয়াল ?

ৰিদীপ ঃ- ঘৰত অসুখীয়া মা আৰু শাৰীৰিক ভাৱে অক্ষম ভইটো । ইয়াত লক্ষিমী আৰু মই ।

=> এজন যুৱক সোমাই আহে ।

যুৱক (৩) ঃ- দাদা চিপ্চ হ'ব নেকি ?

ৰিদীপ ঃ- (দোকানলৈ যায়) কেইটা দিম ?

যুৱক (৩) ঃ- বিশটকাৰ আছেনে ?

ৰিদীপ ঃ- দহ টকীয়াহে হ'ব । তাৰে দুটা লৈ লোৱা ।

যুৱক (৩) ঃ- (থেৰোগেৰোকৈ) হ'ব দিয়ক . . . ।

=> যুৱক (৩) অৰ্জুনৰ কাষত বহেগৈ । অৰ্জুনলৈ চাই মিচিকিয়াই হাঁহে । ৰিদীপেও । যুৱক (৩)য়ে ম'বাইল ফ'নটো উলিয়াই নম্বৰ ডায়েল কৰে ।

যুৱক (৩) ঃ- হেল্ল' . . . ক'ৰ পালাহি ?

ঃ- . . . . .

যুৱক (৩) ঃ- সোনকালে আহাঁ । ব'ৰ নকৰিবা কিন্তু ।

=> যুৱক (৩)য়ে ফ'নটো থৈ অৰ্জুনলৈ চাই পুনৰ হাঁহে ।

যুৱক (৩) ঃ- দাদা শিখৰ আছেনেকি ?

ৰিদীপ ঃ- না সেইবোৰ ৰাখিবলৈ এৰিলোঁ ।

=> যুৱক (৩)ৰ ফ'ন বাজে ।

যুৱক (৩) ঃ- হেল্ল' ইমান দেৰি লাগেনে ?

ঃ- . . . . ।

=> যুৱকৰ হাঁহি খঙলৈ ৰূপান্তৰিত হয় । ৰিদীপ আৰু অৰ্জুনে চোৱা - চুই কৰে ।

যুৱক (৩) ঃ- অকল দাদা দাদা । আজি বোলে কেমেষ্ট্ৰিৰ দাদা, তুমি কি তোমাৰ দাদাবোৰক সুধি প্ৰেম কৰিছিলা নেকি ?

ঃ- . . . . .

যুৱক (৩) ঃ- জানো আজিকালি তোমালোকৰ দৰে ছোৱলীবোৰে দাদা পতাটো ফেচন বুলি ভাবা । মোৰ 'দাদা' নাই নহয় . . . । জানোৱেই পাবত গজা দাদাবোৰে নিশ্চয় গোলমাল লগাবই ।

ঃ- . . . . .।

যুৱক (৩)ঃ- কিয় নকম কমেই . . . ইমান ধুনীয়াকৈ প্ৰ'গেমটো কৰিলোঁ । লগৰ ছোৱালীৰ ৰুমলে যাঁও বুলি কব নোৱাৰা নেকি ?

=> ৰিদীপে মিচিকিয়াই হাঁহে ।

যুৱক (৩) ঃ- যি কৰে কৰিবলৈ ক ধাঁ । মই ভয় নকৰোঁ । জানো নহয় তোমাৰ দাদাৰ মতলব । আজি ভন্টি ভন্টি চেলাব । কাইলৈ চাবা তাৰ লগতে . . . . . .।

ঃ- . . . . . . ।

যুৱক (৩) ঃ- কৈ দিবা কৈ দিবা সেই ডালক । তোমাৰ সাহস নেথাকিব পাৰে মোৰ আছে ।

যুৱক (৩) ঃ- মোৰ আগত সমাজৰ কথা নক ধাঁ দেই । সমাজৰ নিয়মলৈ ভয় কৰি থাকি কি লাভ । যিটো কামে তোমাৰ আৰু আনদহজনৰ একো অপকাৰ নকৰে তাক কৰিবলৈ ইমান ভয় কিহৰ ? সুবিধাবাদীবোৰে তোমাক চেপি চেপি মাৰিবহে, ওলাই আহিবলৈ নিদিয়ে বুজিলা ।

ঃ- . . . . ।

যুৱক (৩) ঃ- থাকা ককায়েকৰ লগত . . . .

=> যুৱকে চিপ্‌চৰ পেকেট দুটা ঠেকাচা মাৰি পেলাই সোঁসোৱাই ওলাই গুচি যায় । যুৱক (৩) যোৱাৰ পাছত ৰিদীপ আৰু অৰ্জুনে পৰস্পৰে মুখলৈ চায় । কিছু সময়ৰ পাছত দুয়ো সজোৰে হাঁহি দিয়ে ।

ৰিদীপ ঃ- তুমি শুনিলানে ? (ৰিদীপ গহীন হৈ পৰে আগলৈ যায় ) এই যে ল'ৰাটোৱে তাৰ প্ৰেমিকাক কৈ গ'ল, " সুবিধাবাদী সকলে তোমাক চেপি চেপি মাৰিবহে, ওলাই আহিবলৈ নিদিয়ে . . . "

অৰ্জুন ঃ- শুনিলোঁ . . . ।

ৰিদীপ ঃ- শুনিলোঁ মানে ? কি বুজিলা । এই সমাজৰ সুবিধাবাদী কেইটামানেই আমাৰ পৰিয়ালটো শেষ কৰি দিলে । নিজৰ স্বাৰ্থৰ কাৰণেই সমাজৰ এচামে দেউতাক আত্মহত্যা কৰিবলৈ বাধ্য কৰালে । ভাইটোক কৰিলে জীৱনৰ বাবে ঘুণীয়া মা হ'ল অকালতে বুঢ়ি ।

অৰ্জুন ঃ- আত্মহত্যা ? কিন্তু কিয় ?

ৰিদীপ ঃ- সৰুৰে পৰা দেখি আহিছো বিভিন্ন বনদৰব আদিৰে দেউতাই গাঁৱখনৰ প্ৰায়বোৰ মানুহৰে সৰু সুৰা বেমাৰ ভাল কৰিছিল । কিন্তু কি কাৰণে নেজানো এচাম লোকে দেউতাক সজালে ডাইনা । দেউতাৰ অপমান সহ্য কৰিব নোৱাৰাৰ বাবে ভাইটিও হ'ব লগাত পৰিল চিৰদিনৰ বাবে ঘুণীয়া ।

অৰ্জুন ঃ- তেতিয়া আপুনি কি কৰি আছিল ?

=> অৰ্জুন যেন কিছু উত্তেজিত হৈ যায় . . . ।

ৰিদীপ ঃ- তেতিয়া মই কলেজত নাম লগাইছোঁ । এটা সপোন বুকুত লৈ কলেজত প্ৰথম ভৰি থৈছোঁ । কিন্তু তথাকথিত সেই ৰেগিঙে মোক সপোনটো থানবান কৰি দিলে । ৰেগিঙৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি এটা ল'ৰাৰ মূৰত ইটা মাৰি কলেজৰ পৰাই পলাই গ'লো । কিন্তু ঘৰলৈ গৈ দেখা পাওঁ দেউতাৰ শৰদেহ বাহিৰলৈ উলিওৱাৰ ব্যৱস্থা কৰিছে । সেই সময়ত দেউতাৰ চিতাৰ কাষত থিয় হ'বলৈও কিন্তু কোনো এজন আগবাঢ়ি নাহিল । মোৰ কাষত ম্লাথো তেতিয়াই প্ৰতিজ্ঞা কৰিলোঁ সমাজ নামৰ যিটো চিচ্‌টেমে আমাৰ দৰে হাজাৰটা অভিমন্যুৰ সৃষ্টি কৰিছে, সেইখন সমাজৰ ওচৰত মই কেতিয়াও থিয় নহঁও । বিশ্বাস কৰা আজি ওঠৰটা বছৰে ঘৰখনৰ বাবে গাঁৱৰ আন কাৰোবে ঘৰত ভৰি থোৱা নাই।

অৰ্জুন ঃ- তাৰ পাছত ?

=> অৰ্জুন আবেগিক হৈ পৰে । ৰিদীপে বিষাদৰ হাঁহিৰে কয় ।

ৰিদীপ ঃ- শুনিবা ? তাৰ পাছত আহিলোঁ ইয়ালৈ আৰু তাৰ ঘৰত গেবাৰী খাটি এইখন দোকানৰ জন্ম দিলোঁ । তাকো এডোখৰ নিদিষ্ট ঠাই বিচাৰি হাবাথুৰি খা ব লগাত পৰিলোঁ । কোনেও নিজৰ বিজনেচ মাৰিব নোখোজে । সমাজৰ ওচৰত পুনৰ হাৰি গলো মই ।

অৰ্জুন ঃ- আৰু পিট্‌কলি ? পিট্‌কলিৰ খবৰ আপুনি এবাৰো লোৱা নাইনে ?

ৰিদীপ ঃ- তাৰ খবৰ লৈছিলোঁ । কিন্তু এদিন গম পালো সিবোলে মেট্ৰিক পাছ কৰিয়েই দূৰত পঢ়িবলে গ'ল এতিয়া চাগে বৰটো হ'লগৈ ।

=> অৰ্জুন চিপচৰ পেকেট দুটা বুটলি বেঞ্চখনৰ ওপৰতে থয় ।

অৰ্জুন ঃ- আচলতে কি জানা দীপুদা । সমাজৰ সকলো মানুহ একে নহয় । যিদৰে নহয় তোমাৰ গাঁৱখনৰ মানুহবোৰ । নহ'লেনে পিট্‌কলি নামৰ সেই কণমাণি ল'ৰাটোৱে আজি ওঠৰ বছৰে দীপুদাক বিচাৰি ফুৰেনে ?

ৰিদীপ ঃ- তাৰ মানে তই . . . .

=> অৰ্জুন মুৰ দুপিয়ায় ।

ৰিদীপ ঃ- পিট্‌কলি তই ইমানটো হ'লিহি . . . . ।

=> দুয়ো আৱেগত পৰস্পৰে সাৱতি ধৰে । দোকানৰ বিপৰীত দিশৰ পৰা যুৱক (১) আৰু যুৱক(২) ৰে যুৱক (৩)ক ঘুচিয়াই লথিয়াই লৈ আহে ।

যুৱক (১)ঃ- হাত দিবলৈ আৰু বস্তু বিচাৰি নেপালি ? মোৰ ভণ্টিৰ লগত লিলিমাই . . . ।

যুৱক (৩)ঃ- ভণ্টি পতাৰ নামত তহঁতৰ কি মতলব জনা আছে . . ..

=> কথা শেষ হোৱাৰ আগতেই পুনৰ মাৰপিট । দুয়োপক্ষই দবৰা দবৰি লাগে যুৱক (৩)ক নি ৰিদীপৰ দোকানৰ ওপৰতে পেলাই ঘুচিয়ায় । তাক একোবত টানি আনোতে দোকানখনো বাগৰি পৰে । যুৱক দুজনে দোকানখনকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে । দোকানখন ভাঙি চুৰমাৰ হয় । ৰিদীপ আৰু অৰ্জুনে চাই থাকে । যুৱক (১) আৰু (২) য়ে যুৱক (৩) ক টানি টানি প্ৰস্থান । দোকানখনৰ ধ্বংসাৱশেষ খিনি চাই চাই ৰিদীপ বেঞ্চখনতে বহি পৰে। ☐☐

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মই, মোৰ অতিকে মৰমৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধেয়া অধ্যক্ষ মহোদয়া, লগতে আদৰণীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নিৰ্বাচনত সৰ্বাধিক ভোট দি সাধাৰণ সম্পাদক পদৰ বাবে নিৰ্বাচিত কৰা বাবে মই এই ক্ষণতে সমূহ বন্ধু-বান্ধৱী তথা কানৈয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সাধাৰণ সম্পাদক হিচাপে কাৰ্যকালৰ খতিয়ানঃ- নতুন ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা পাছতেই 'বাৰ্ষিক কলেজ সপ্তাহ' অনুষ্ঠিত কৰিবলৈ লোৱা হয়। অতি কম সময়ৰ ভিতৰতে সামান্য অনুশীলনৰ ভেঁটিতে খেল-ধেমালি আৰু গীত-নৃত্য, আবৃত্তি, বক্তৃতা, কুইজ আৰু একাংশ নাট প্ৰতিযোগিতা আদি প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিব লগা হয়।

ইয়াৰ উপৰিও পৰম্পৰাগত ভাৱে ১৫ আগষ্টৰ দিনা স্বাধীনতা দিৱস, ৫ চেপ্তেম্বৰ তাৰিখে শিক্ষক দিৱস আদি উদ্‌যাপন কৰা হয়। ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ সমূহ তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীহকে আনুষ্ঠানিক ভাৱে বিদায় সভা অনুষ্ঠিত কৰা হৈছিল।

(ক) আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ ঃ- প্ৰত্যেক বছৰৰ দৰে এই বছৰতো ধেমাজীত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছিল আৰু বিশেষ সফলতা অৰ্জন কৰিছিল।

(খ) সৰস্বতী পূজাঃ- প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহা সৰস্বতী পূজা মোৰ কাৰ্য্যকালতো অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছিল।

(গ) ২০১১ বৰ্ষৰ আমাৰ মহাবিদ্যালয়লৈ নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক আদৰাৰ মানসেৰে নৱাগত আদৰণী সভা কাৰ্য্যসূচীখন দিনযোৱা কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হৈছিল।

সদৌ শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া, অন্যান্য শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দৰ লগতে সমূহ কানৈয়ানলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। অজানিতে কৰা ভূল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ ভৱিষ্যতৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু কানৈ কলেজ

জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা

সন্দিপন গগৈ
সাধাৰণ সম্পাদক
২০১০-২০১১ বৰ্ষ

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণি ক্ষণত পোনপ্ৰথমেই মই কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদযাকে প্ৰমুখ্যে কৰি সমুহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী বৃন্দ আৰু সকলো ক্ষেত্ৰতে মোলৈ সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো ।

২০১০-২০১১ বৰ্ষৰ 'ছাত্ৰ একতা সভা'ৰ সহকাৰী সাধাৰণ সম্পাদকৰ পদত শপত গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ প্ৰতি থকা আমাৰ কৰণীয় কামসমুহ কৰিম বুলি আগবাঢ়ি আহি সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলো । আৰু আমি দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাচতেই মহাবিদ্যালয়ৰ 'বাষিক ক্ৰীড়া সপ্তাহ' অনুষ্টিত কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হৈছিল । এই সিদ্ধান্ত মৰ্মেই মহাবিদ্যালয়ৰ 'বাষিক ক্ৰীড়া সপ্তাহটো' সুন্দৰকৈ আৰু নিখুতভাৱে পৰিচালনা কৰিবলৈ লৈ আমি কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল । এই ক্ষেত্ৰত আমাক যথেষ্টখিনি সহায় কৰিছিল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলেই ।

২০১০-২০১১ বৰ্ষৰ মোৰ কাৰ্য্যকালত আমি কিমান দূৰ সফল হ'লো, সেয়া মই নিজেই কবলৈ নিবিচাৰো । ইয়াৰ উত্তৰ ছাত্ৰ-ছাত্ৰীসকলে নিজেই দিব পাৰিব । মোৰ কাৰ্য্যকালত বহুতখিনি ভুল থাকিযাব পাৰে বা বহুত কাম আধাৰুৱা হৈ থাকিব পাৰে তাৰ বাবে মই সকলোৰে পৰা ক্ষমা বিচাৰিছো ।

মোৰ কাৰ্য্যকালত দিহা পৰামৰ্শ দি থকা শিক্ষাগুৰু সকল, আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদ্যসকো প্ৰতিবেদনৰ দ্বাৰাই গভীৰ শ্ৰদ্ধা যাচিছোঁ

অনিচ্ছাকৃত ভুলৰ বাৰে ক্ষমা বিচৰাৰ লগতে নতুন প্ৰজন্মই কানৈ মহাবিদ্যালয়ত এক সুষ্ঠ শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰাৰ লগতে ক্ৰীড়া, সাহিত্যত স্বকীয় এক জোৱাৰ তুলিব । সদৌ শেষত তাৰেই কামনাৰেই সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু কানৈ কলেজ

জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা

ডেভিদ ৰাজখোৱা
সহকাৰী সাধাৰণ সম্পাদক
২০১০-২০১১ বৰ্ষ

# আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"হে নৱজীৱন, হে বৰ্তমান কালৰ যুৱক আমাক দুভৰিৰে পদদলিত কৰি তোমালোক আগবাঢ়ি যোৱা আমিবোৰতকৈ মহৎ হোৱা, সুখী হোৱা।" —— ৰ'ম্যা ৰ'লা

পণ্ডিত প্ৰৱৰ যোগীৰাজ বসুৰ স্মৃতি বিজৰিত কানৈ মহাবিদ্যালয় অসম তথা ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠান সমূহৰ ভিতৰত পুৰণি আৰু নিজ ঐতিহ্যৰে মহামণ্ডিত এখন আগশাৰীৰ মহাবিদ্যালয় । সেইসকল পুণ্যত্মাৰ চৰণত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ যি সকলৰ মহান প্ৰচেষ্টাত গঢ়ি উঠিল ঐতিহ্যমণ্ডিত এই কানৈ মহাবিদ্যালয় । লগতে আমাৰ কাৰ্যকালত আধ্যক্ষৰ আসনত থকা তথা ছাত্ৰ একতা সভাৰ সভাপতিৰ দায়িত্বত থকা শ্ৰদ্ধাৰ ড° জয়কৃষ্ণ মহন্ত ছাৰৰ লগতে মোৰ আজন্ম পূজনীয় শিক্ষা গুৰুসকল তথা সমূহ কৰ্মচাৰী বৃন্দলৈ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদিকাৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিপূৰ্ণ সেৱা জ্ঞাপন কৰিছোঁ।

এই ক্ষণতে অসমৰ ভিতৰত জ্বাকত জিলিকা এই গৌৰৱজ্জ্বল পবিত্ৰ, জ্ঞান-মন্দিৰটিৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদিকা হিচাপে আপোনালোকৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ বন্ধু- বান্ধৱী তথা কানৈয়ানলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

পৰম্পৰাগতভাৱেই ২০১০-১১ বৰ্ষৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত হৈছিল সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ। বহুসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ সাফল্যমণ্ডিত কৰি তুলিছিল ।

২০১০-১১বৰ্ষৰ কালছোৱাত কানৈ মহাবিদ্যালয়ৰ বাবে নিজকে কিমানখিনি সঁপি দিব পাৰিলো নিজে ক'ব নোৱাৰিম । এয়া আপোনালোকে বিচাৰ কৰিব। কিছু সপোন ঃ সপোন সকলোৰে দেখে। ময়ো দেখিছিলোঁ কিছুমান সপোন। কিন্তু সপোনবোৰ সপোন হৈয়ে ৰ'ল । কবি আৰু কবিতাৰ এক ব্যতিক্ৰমধৰ্মী কাব্যানুষ্ঠানৰ বাবে আগবাঢ়িব খুজিও অৱশেষত সীমিত পুঁজি আৰু অন্যান্য অসুবিধাৰ বাবে কোনো পদক্ষেপ ল'ব নোৱাৰিলোঁ। মনত এটা দুখ ৰৈ গ'ল।

কৃতজ্ঞতা স্বীকাৰ ঃ স্মৃতিৰ বলুকাত খোজ দিলেই লগ পাঁও সেইসকল শ্ৰদ্ধাষ্পদ শিক্ষাগুৰু অনুৰাগী, আত্মজ আৰু উৎসাহী ব্যক্তিক যাৰ ওচৰত মই চিৰকৃতজ্ঞ । নিৰ্বাচনৰ সময়ৰ পৰা বৰ্তমানলৈকে মোক সহায়ৰ হাত আগবঢ়োৱা মোৰ সতীৰ্থ পপী, চিমি, দিপালী, সুনীত, ডেভিদ, নয়নদা, পাৰ্থদা, সন্দীপন, প্ৰাজ্জল আদি সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অধ্যক্ষ মহোদয়াৰ পৰা মহাবিদ্যালয়ৰ প্ৰত্যেকজন কৰ্মচাৰী আৰু সমূহ কানৈয়ানৰ ওচৰত মই চিৰঋণী।

ব্যক্তিগত অনুভৱ ঃ সময় বৰ নিষ্ঠুৰ । যাৰ কোবাল গতিয়ে মহতিয়াই নিয়ে আধাকেঁচা সপোন । চকুৰ পচাৰতেই পাৰ হৈ যায় সময়বোৰ । আহি পৰিল বিদায়ৰ ক্ষণ । যিয়ে আঘাতহানে হৃদয়ত । তথাপি আমি আগুৱাই যাবই লাগিব । নিজৰ সপোন আৰু সৃষ্টিবিলাকক বাস্তৱৰ ৰূপ দিবলৈ । আহি আহি আমি বিদায়ৰ শেষ ক্ষণত । কলেজীয়া জীৱনৰ সমাপ্তি হ'বলৈও বেছিদিন নাই । এই বিদায়ে লৈ যাব আমাক একোখন নাওৰ যাত্ৰী হ'বলৈ । আজি এই বিদায় ক্ষণত মই প্ৰতিশ্ৰুতিবদ্ধ, জীৱনৰ সকলো সময়তে আমাৰ এই বন্ধুত্বৰ সম্পৰ্ক সজীৱ হৈ থাকিব।

সদৌ শেষত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ ও কানৈয়ানলৈ মোৰ আন্তৰিক ওলগ জ্ঞাপন কৰি মোৰ কাৰ্য্যকালত বিভিন্ন ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল ক্ৰটি সমূহক ক্ষমাৰ দৃষ্টিৰে চাবলৈ অনুৰোধ জনাই প্ৰতিবেদন সামৰণি মাৰিলোঁ ।
ধন্যবাদ।

জয়তু কানৈ মহাবিদ্যালয়
জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

অংশুমালী চেতিয়া
আলোচনী সম্পাদক
২০১০-২০১১ বৰ্ষ।

## সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শাস্ত্ৰৰ উত্তম গীতা ভাগৱত।
ধৰ্ম্মৰ উত্তম নাম
দেৱৰ উত্তম দৈৱকী নন্দন
চৰনে কৰো প্ৰণাম।।

ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিবেদন লিখাৰ আগমূহুৰ্ততে মোক প্ৰতিটো খোজতে সাহস দিয়া মোৰ পৰম পূজনীয় পিতৃ-মাতৃকে প্ৰমূখ্যে কৰি আমাৰ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ ড° জয়কৃষ্ণ মহন্ত ছাৰ, মোৰ তত্বাৱধায়ক মৃদুল শৰ্মা ছাৰ, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ ছাত্ৰ একতা সভাৰ সদস্য সকল আৰু সমূহ কানৈয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদিকা হৈ মই (২০১০-২০১১) বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত নৃত্যৰ উপৰিও প্ৰথম বাৰৰ বাবে বিহু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ।

আনহাতে 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' শেষ হোৱাৰ কিছুদিনৰ পাছতেই মোৰ বিভাগৰ নিজ দায়িত্বত থকা শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজাভাগ উদ্‌যাপিত কৰিবলগীয়া হৈছিল। তাৰ পিছত আহিল "যুব মহোৎসৱ" "Youth Festivel" ধেমাজিত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় যুব মহোৎসৱলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অংশ গ্ৰহণ কৰিবলৈ নিয়া হৈছিল। আমাৰ মহাবিদ্যালয়ে সফলতাও অৰ্জন কৰিছিল।

২০১০-২০১১ বৰ্ষৰ এবছৰীয়া কাৰ্য্যকালত মই কিমানদুৰ সফল হ'লো মই নিজই ক'ব নোৱাৰিম . এয়া আপোনালোক দেখোতা সকলেই ক'ব । অনিচ্ছাকৃত ভুলৰ বাবে আপোনালোকৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী ।

সদৌ শেষত আমাৰ মহাবিদ্যালয়খন সাংস্কৃতিক ক্ষেত্ৰত আৰু বহুদুৰ আগুৱাই যাওক । আকাশত থকা ধ্ৰুৱ তৰা দৰে জিলিকি থাকক । তাৰ কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ ।

জয়তু কানৈ কলেজ
জয়তু কানৈ কলেজ ছাত্ৰ ত্ৰকতা সভা

জোনমণি শেনছোৱা
সাংস্কৃতিক বিভাগৰ সম্পাদিকা
২০১০-২০১১ বৰ্ষ

## সাধাৰণ খেল বিভাগৰ সম্পাদক

যি সকল ব্যক্তিৰ অশেষ পৰিশ্ৰম আৰু সহায় সহযোগেৰে কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হ'ল সেই সকলো ব্যক্তিলৈ মোৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছো।

উজনি অসমৰ নামজ্বলা শিক্ষানুষ্ঠান বুলি স্বীকৃতিপ্ৰাপ্ত অতিকৈ পুৰণি এখন মহাবিদ্যালয় "কানৈ কলেজৰ" ছাত্ৰ একতা সভাৰ সদস্য হিচাপে দায়িত্ব ল'বলৈ পাই নিজকে ধন্য আৰু গৌৰৱেৰে গৌৰাম্বান্বিত বুলি অনুভৱ কৰিছো। উক্ত কাৰ্য্যকালত মোক সৰ্বতোপ্ৰকাৰে যথোপযুক্ত দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয় ছাৰ, আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ, ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিছতে বাৰ্ষিক কলেজ সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। কাৰ্য্যভাৰ গ্ৰহণৰ পিছতে অনুষ্ঠিত হোৱা কলেজ সপ্তাহ নিয়াৰিকৈ অনুষ্ঠিত কৰাটো মোৰ কাৰ্য্যকালৰ অন্যতম প্ৰদক্ষেপ।

২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হিচাপে কিমানদুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য্য। তথাপিও বিভাগীয় কামকাজত আৰু কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে নিজৰ কৰ্তব্য আৰু দায়িত্বত পাৰ্য্যমানে আত্মনিয়োগ কৰাৰ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সদৌ শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোলৈ ক্ষমা প্ৰাৰ্থনা জনালো আৰু আমাৰ কলেজৰ উঠি অহা প্ৰতিভাবান খেলুৱৈসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু কানৈ কলেজ
জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা।

ভৱেন দাস
সাধাৰণ খেল বিভাগৰ সম্পাদক
২০১০-২০১১ বৰ্ষ

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে উজনি অসমৰ উচ্চশিক্ষাৰ প্ৰদানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি অহা উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়। জন্ম লগ্নৰে পৰা যি সকল মহান লোকৰ নিঃ স্বাৰ্থ আৰু কৰ্মদক্ষতাৰ প্ৰবল প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খনে আজিৰ এই পৰ্যায়ত উপনিত হৈছেহি সেই মহান নিঃস্বাৰ্থ লোকসকললৈ মই প্ৰথমে মোৰ স-শ্ৰদ্ধ প্ৰণাম আগবঢ়াইছোঁ। দ্বিতীয়তে প্ৰণাম জনাইছোঁ মোৰ শিক্ষা গুৰু সকললৈ। লগতে মোৰ সহপাঠী সকল, তৃতীয় বৰ্ষৰ দাদা বাইদেউসকল (প্ৰাক্তন), ভ্ৰাতৃসম মোৰ অনুজ সকল, কানৈ ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ ওচৰত মই চিৰকৃতজ্ঞ কিয়নো আপোনালোকৰ প্ৰচেষ্টা আৰু আশীৰ্বাদতেই এনে এটি গুৰু দায়িত্ব পালন কৰিবলৈ সক্ষম হ'লো।

ছাত্ৰ একতা সভাৰ সম্পাদকৰ মাথো এবছৰীয়া কাৰ্যকালত বহু ইচ্ছা থাকিলেও সেয়া সম্পূৰ্ণ কৰি তোলাটো সম্ভৱপৰ নহয়। তথাপিও মই কৰ্তব্যক যিমান পাৰো হেলা নকৰি কামবোৰ নিয়াৰিকৈ কৰি যাবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত পিছে মই কিমানদূৰ সফলতা লাভ কৰিলো সেয়া মোৰ বিচাৰ্য বিষয় নহয়। মোৰ কাৰ্যকালতেই আমাৰ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ কৃষ্ণনাৰায়ণ বৰুৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ধেমাজিত অনুষ্ঠিত মহাবিদ্যালয় যুব মহোৎসৱত গীটাৰ বাদন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। বিগত বৰ্ষৰ দৰে ২০১০ - ২০১১ বৰ্ষতো আমাৰ মহাবিদ্যলয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হয়। সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহৰ ভিতৰত বৰগীত, লোকগীত, বিষ্ণুৰাভা সংগীত, জ্যোতি সংগীত, আধুনিক গীত, বিহুনাম প্ৰতিযোগিতাৰ অনুষ্ঠিত হয়। অন্যবৰ্ষৰ ব্যতিক্ৰম হিচাপে মোৰ কাৰ্যকালত অনুষ্ঠিত হয় কোৰাছ প্ৰতিযোগিতা। বাৰ্ষিক ক্ৰীড়া সপ্তাহটো কোনো বিঘিনী লোহোৱাকৈ পাৰ হ'ল যদিও প্ৰতিযোগিতা চাই প্ৰতিযোগী যিমান হ'ব লাগিছিল সিমান নহ'ল। তাৰ বাবে মোৰ মনত খুদ ৰৈ গ'ল। বিগত বৰ্ষত মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ অনুষ্ঠানত 'কানৈয়ান' শীৰ্ষক এটি কোৰাছেৰে আমাৰ মহাবিদ্যালয়ৰ কাৰণে 'অভিলাসা সাংস্কৃতিক দল' গঠন কৰিলোঁ। ২০১১ বৰ্ষৰ নৱাগত আদৰণি সভাত মোৰ দ্বাৰা ৰচিত আৰু পৰিচালিত "জ্ঞানৰ পোহৰ আমাক লাগে" শীৰ্ষক কোৰাছটি "অভিলাসা শিল্পী দল'ৰ জৰিয়তে পৰিবেশন কৰিলো।

ব্যক্তিগত অনুভৱ ঃ মোৰ ৫ বছৰীয়া কলেজীয়া শিক্ষাজীৱনত কানৈ মহাবিদ্যালয়ত সাংস্কৃতিক চৰ্চা ও বিকাশৰ ক্ষেত্ৰত যিদৰে আগবাঢ়িব লাগিছিল তেনেদৰে নবঢ়াৰ দ'ৰে অনুমান হ'ল। কিয় ইমান কম হয়? মাথো কেইজনমান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বাদে বাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰী সকল কিয় আগবাঢ়ি নাহে? মই জানো সেইসকল ছাত্ৰ-ছাত্ৰী আৰু সহকাৰী শিৰ্ক্ষক-শিক্ষয়িত্ৰীক, যি সকলে ইচ্ছা কৰিলে কানৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক পৰিবেশ পূৰামাত্ৰাই জীপাল কৰি তুলিব পাৰে! তেওঁলোকৰ মাজত সেই প্ৰতিভা আছে আৰু সেই কাৰণেহে কৈছো। মহাবিদ্যালয় এখনৰ সাংস্কৃতিক পৰিবেশ বৰ্তাই ৰাখিবলৈ মই সেইসকল মহাবিদ্যালয়ৰ শিল্পীক কাতৰ অনুৰোধ জনাইছোঁ যি সকলে তেওঁলোকৰ সংগীত চৰ্চাক বৃত্তিমুখী প্ৰতিষ্ঠিত শিল্পী হিচাপে নিজকে স্বীকৃতি দিব বিচাৰি মহাবিদ্যালয়ৰ অনুষ্ঠানৰ ক্ষেত্ৰটো টকা লব বিচাৰে। এবছৰীয়া কাৰ্যকালত এজন সম্পাদকে একো কৰিব নোৱাৰে যদিহে বিভাগীয় উপদেষ্টা জনৰ বাহিৰেও অন্যান্য বাকী সকলে দিহা পৰামৰ্শৰ লগতে নিজ হাতে কামে লাগি নিদিয়ে। মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা ড° যোগীৰাজ বসু, অশ্বিণীচৰণ চৌধুৰুঈ আৰু অন্যান্য সকলৰ আপ্ৰাণ প্ৰচেষ্টাত শিক্ষাৰ লগতে মহাবিদ্যালয়খনৰ সাংস্কৃতিক ক্ষেত্ৰত যি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছিল সেই পৰিবেশ আৰু আজিৰ পৰিবেশৰ তুলনা আকাশ পাতাল। কিয় থমকি ৰ'ল মাথো নিনিবছৰ নাটক কৰি "ড° যোগীৰাজ বসু নাট্যদল" কিয় বন্ধ কৰিব লগা হ'ল দুমাহ ধৰি নাট্য কৰ্মশালা এটা আৰম্ভ হোৱাৰ পিছত নাটকৰ মঞ্চস্থ নোহোৱাকৈয়ে? এই অপমানৰ ভাগী কোন? উঠি অহা বহু প্ৰতিভাবান আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আমি মাথো বাৰ্ষিক ক্ৰীড়া সপ্তাহটোৰ বাদে ইমান বিশাল সাংস্কৃতিক জগত খনত নিজকে পৰিচয় দিবৰ কাৰণে মহাবিদ্যালয়ৰ তৰফৰ পৰা কিবা সুবিধা দিব পৰা হৈছোনে? মোৰ মতে এজন ছাত্ৰক সকলো দিশৰ পৰা গঢ়ি

তুলিবলৈ পাঠ্যক্রমৰ শিক্ষাই যথেষ্ট নহয়। এখন সুস্থ সমাজ গঢ়ি তুলিবলৈ নীতিশিক্ষাৰ লগতে সাংস্কৃতিক মনোভাৱাপন্নৰো যথেষ্ট প্ৰয়োজন। এনে পৰিবেশ যদিহে সৃষ্টি কৰা নহয়, জেষ্ঠ সকলে আওকাণ কৰে তেতিয়াই বিশৃংখলতাৰ সৃষ্টি হয়। মোৰ মতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে প্ৰায়সকলো দায়িত্ব ছাত্ৰ-একতা সভাৰ ওপৰত এৰি নিদি নিজে হাতে কামে আগুৱাই আহিলেহে মহাবিদ্যালয়খনত সকলো ক্ষেত্ৰৰ ফালৰ পৰা সুস্থিৰ বাতাবৰণৰ সৃষ্টি হ'ব। মোৰ কলেজীয়া ৫ বছৰীয়া কালছোৱাৰ লগতে এবছৰীয়া ছাত্ৰ-একতা সভাৰ অভিজ্ঞতাৰে মই প্ৰত্যক্ষদৰ্শী যে প্ৰায়বোৰ বছৰতেই কিছুমান অপৰিপক্ক তথা স্বাৰ্থসুলভ ছাত্ৰনেতাৰ সৃষ্টি হয়। পিতৃ-মাতৃ স্বৰূপ শিক্ষাগুৰু সকল থাকোতেই নৈতিকতাৰ অৱসান ঘটা এনে ছাত্ৰ সমাজক ৰোধ নকৰি গা-এৰা দিয়াৰ বাবে দায়ী কোন? এনেকৈয়ে আগুৱাব নেকি ছাত্ৰ সমাজ! মোৰ এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰ শিক্ষাগুৰ সকললৈ বিনম্ৰ অনুৰোধ জনাইছোঁ যে —

১। ড° যোগীৰাজ বসু নাট্য দলক পুনৰ জীৱিত কৰি তুলি মহাবিদ্যালয়ৰ উদীয়মান অভিনয় শিল্পী সকলক উলিয়াই আনিবলৈ অসমীয়া বিভাগৰ মৃদুল শৰ্মা দেৱক হাতে-কামে সহযোগ কৰক।

২। নৱ প্ৰতিষ্ঠিত কানৈ মহাবিদ্যালয়ৰ 'অভিলাসী' সংগীত শিল্পীদলক পৰিচালনাৰ বাবে কোনো এজন শিক্ষাগুৰুৱে স্ব-ইচ্ছাই তথা একাগ্ৰতাৰে আগবাঢ়ি আহক।

৩। যিদৰে ছাত্ৰ জিৱণিৰ বাবে এটা কোঠালী আছে ঠিক তেনেকৈ এজন শিক্ষকৰ তত্বাৱধানত আমাৰ ভদ্ৰ শিল্পী সকলৰ বাবে মহান শিল্পী সকলৰ চিত্ৰ থকা এটা কোঠালীৰ আৱশ্যক য'ত মহাবিদ্যালয়ৰ শব্দযন্ত্ৰ, বাদ্যযন্ত্ৰ থকাৰ লগতে কোলাহল বৰ্জিত এটি সুস্থ পৰিবেশ থাকিব।

উপৰুক্ত চৰ্ত কেইটা বিচাৰ বিবেচনা কৰি মহাবিদ্যালয়ৰ প্ৰতিজন দায়িত্বশীল ছাত্ৰ-ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰীয়ে একমত হওঁক। সদৌ শেষত কানৈয়ানৰ পৰিয়াললৈ কাতৰ অনুৰোধ জনাইছোঁ যে এই প্ৰতিবেদনে তেতিয়াহে প্ৰকৃত ৰূপ পাব যেতিয়া কানৈ মহাবিদ্যালয়ত উৎসৱমুখৰ সাংস্কৃতিক পৰিবেশ সৃষ্টি হ'ব। অন্যথা এই প্ৰতিবেদন খন যুগ-যুগান্তৰলৈ কানৈৰ বুৰঞ্জীত সাথৰ হৈয়ে ৰব। ভৱিষ্যতৰ মোৰ অনুজ সম্পাদক সকলে নিজ মগজুৰে বিচাৰ কৰি মই কৰি যাব নোৱাৰা উপৰুক্ত চৰ্তকেইটাক বাস্তৱ ৰূপ দিব বুলি আজীৱন বাট চাই ৰ'লো।

শেষত মই মোৰ বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত অনন্ত দত্ত চাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো কিয়নো তেখেতে মোক কামবোৰ কৰি যোৱাত নিঃস্বাৰ্থভাৱে হাতে-কামে সহায় কৰিছিল। এই ক্ষণতে তেখেতৰ দীৰ্ঘায়ু কামনা কৰিছো। ক্ষমা বিচাৰিছো সেইসকল কানৈয়ানৰ ওচৰত যিসকলক মহাবিদ্যালয়ৰ স্বাৰ্থত কেতিয়াবা সংগীতৰ আখৰাত আৰু কেতিয়াবা অন্য কৰবাত টানকৈ কৈ পাইছিলো তেখেত সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ। যি সকলক মই নিৰ্বাচনৰ পূৰ্বে কথা দিছিলো যে সংগীতৰ জগতখনত আপোনালোকক কিছুমান সুবিধা দিম বুলি কৈয়ো দিব নোৱাৰিলো মোৰ বহু চেষ্টাৰ পিছতো। সদৌ শেষত মই আলোচনী সম্পাদিকা শ্ৰীমতী অংশুমালী চেতিয়াক অশেষ ধন্যবাদ জনাইছোঁ মোক প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ সন্দৰ্ভত সত্যনিষ্ঠা মতামত আগবঢ়োৱাত সহায় কৰাৰ হেতুকে। কানৈ মহাবিদ্যালয়ৰ ২০১০ - ২০১১ বৰ্ষৰ এই মুখপত্ৰখন সৰ্বাঙ্গ সুন্দৰ হ'ব বুলি আশা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু অসম

জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

চিত্ৰৰঞ্জন সোনোৱাল
সংগীত বিভাগৰ সম্পাদক
২০১০-২০১১ বৰ্ষ।

# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ তৰফৰ পৰা এই পবিত্ৰ জ্ঞানৰ মন্দিৰ কানৈ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু; মোৰ সহপাঠী আৰু ছাত্ৰ-ছাত্ৰী. কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জনালো যাৰ বাবে মই শৰীৰচৰ্চা সম্পাদক হোৱাৰ সৌভাগ্য লাভ কৰিলোঁ।

মই কাৰ্য্যভাৰ লোৱা কেইদিনমানৰ পাছত ২০১০-২০১১ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিবলগীয়া হৈছিল। ২০১০-২০১১ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শৰীৰচৰ্চা বিভাগৰ প্ৰতিযোগিতা সমূহত ল'ৰা-ছোৱালী দুয়ো শাখাত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ভাৰ উত্তোলন, পাঞ্জা, যোগাসন, দেহশ্ৰী আদি। ছোৱালী শাখাত ভাৰ উত্তোলন, শক্তি উত্তোলন আৰু পাঞ্জা আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়।

উক্ত প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কেইবাজনো বিচাৰকক নিমন্ত্ৰণ কৰিছিলোঁ। মোৰ নিমন্ত্ৰণ ৰক্ষা কৰি প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ এই কাৰ্যকালত মোক বিভিন্ন দিহা পৰামৰ্শ আগবঢ়োৱা অনন্ত টৈৰণ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু লগতে বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, মোৰ ভাইটি ভন্টিহঁতলৈ মোৰ হিয়াভৰা মৰম, স্নেহ আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পুঃ কানৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু আৰু উন্নতি কামনা কৰি মোৰ পতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু কানৈ কলেজ
জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা।

**পংকজ কোঁৱৰ**
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
২০১০-২০১১ বৰ্ষ।

# ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভতেই যি সকল মহান ব্যক্তি তথা অনুস্থানৰ শ্ৰমৰ ফলশ্ৰুতিত এই ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়খনি স্থাপিত হৈ ১৯৪৫ চনৰ পৰা আজিকোপতি এক সুদীৰ্ঘ পথ অতিক্ৰমি সফলতাৰ ধ্বজা উৰুৱাইছে সেইসকল ব্যক্তি আৰু অনুস্থানলৈ সশ্ৰদ্ধা তথা শতকোটি প্ৰণাম নিবেদিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰা পিছতেই আমাৰ মহাবিদ্যালয়খনৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। ইয়াত ছাত্ৰ জিৰণী কোঠাৰ বিভিন্ন খেল সমূহৰ ভিতৰত আছিল কেৰম, ডবা, টেবুল টেনিছ। বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সময়ত যি সকল শুভাকাংশী ছাত্ৰই মোক বিভিন্ন প্ৰতিযোগিতা সমূহ নিয়াৰিকৈ চলাই নিয়াত সহায় কৰিলে সেই সকল ছাত্ৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

নিৰ্বাচনত জয়ী হৈ মই পোন প্ৰথমে ছাত্ৰ জিৰণি কোঠাৰ পৰিস্কাৰ পৰিচ্ছন্নতাৰ ওপৰত বিশেষ গুৰুত্ব দিছিলো। ছাত্ৰসকলৰ বাবে বিভিন্ন খেলৰ সুবিধা কৰি দিছিলো।

মোৰ কাৰ্যকালত সকলো দিশত সহায় আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী আৰু সমূহ কানৈয়ানলৈ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ যাঁচিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ সবাংগীন উন্নতি আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ উত্তৰোত্তৰ আৰু সুভৱিষ্যত কামনাৰে মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু কানৈ কলেজ
জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা।

**দীপাঙ্কৰ দত্ত**
ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদক
২০১০-২০১১ বৰ্ষ।

# ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভতেই যি সকল ব্যক্তি তথা অনুস্থানৰ শ্ৰমৰ ফলশ্ৰুতিত এই ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়খনি জন্ম হৈ ১৯৪৫ চনৰ পৰা আজিকোপতি এক সুদীৰ্ঘ পথ অতিক্ৰম কৰি সফলতাৰ জখলাত আৰোহণ কৰিছে, সেইসকল ব্যক্তি আৰু অনুস্থানলৈ সশ্ৰদ্ধা তথা শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছো। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত থকা তথা ছাত্ৰ একতা সভাৰ সভাপতি ড° জয়কৃষ্ণ মহন্ত ছাৰ, পৰম পূজনীয় শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈও মোৰ আন্তৰিক ওলগ জনাইছো।

বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচনত জয়ী হৈ মই পোন প্ৰথমে ছাত্ৰী জিৰণী কোঠাৰ পৰিস্কাৰ পৰিচ্ছ্নতাকে গুৰুত্ব দি পানী যোগান নিয়মীয়াকৈ ৰখাত চকু দিছিলো। ছাত্ৰী জিৰণী কোঠাত ছাত্ৰী সকলৰ বাবে বিভিন্ন খেলৰ সুবিধা কৰি দিছিলো।

তাৰ পাছৰ পদক্ষেপ হিচাবে অনুষ্ঠিত কৰা হ'ল বাৰ্ষিক ক্ৰীড়া সপ্তাহ। দবা খেল, কেৰম, ৰংগোলি প্ৰতিযোগিতা, চালাড সজোৱা প্ৰতিযোগিতাৰ লগতে মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছিল আৰ্কষণীয় "মিছ কানৈ" প্ৰতিযোগিতা। মোৰ তত্বাৱধানত হোৱা প্ৰতিযোগিতা সমূহ উৎসাহজনক ভাৱে সকলোৱে যোগদান কৰি মোক আনন্দিত কৰি তুলিছিল। সমূহ প্ৰতিযোগীকে আদি কৰি বিচাৰ ক্ষেত্ৰত সহায় কৰা সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

কানৈ কলেজৰ ছাত্ৰী নিৱাসৰ আবাসী তথা সমূহ কানৈয়ানলৈ মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। কাৰ্যকালৰ সময়ছোৱাত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোলৈ পুনৰবাৰ ক্ষমা প্ৰাৰ্থনা জনাই এই ক্ষান বৃক্ষ মহাবিদ্যালয়খনিৰ উন্নতি কামনাৰে মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু কানৈ কলেজ

জয়তু কানৈ কলেজ ছাত্ৰ একতা সভা।

**দিপালী বৰুৱা**
ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদক
২০১০-২০১১ বৰ্ষ।

# চিত্রপটত কানৈ মহাবিদ্যালয়











